## চতুৰ্থ অধ্যায়

# মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত নাৰীচেতনা

মণিকুন্তলা ভট্টাচাৰ্য অসমীয়া উপন্যাস সাহিত্যৰ এক সংবেদনশীল ঔপন্যাসিক। প্ৰধানভাৱে নাৰী মনস্তত্ত্বক বিষয় হিচাপে লৈ তেওঁ প্ৰায় আটাইবোৰ উপন্যাস ৰচনা কৰি আহিছে। ২০০০ চনত ভট্টাচাৰ্যই সাহিত্যিক হিচাপে আত্মপ্ৰকাশ কৰে। এগৰাকী ঔপন্যাসিক হোৱাৰ লগতে মণিকুন্তলা ভট্টাচাৰ্য একাধাৰে এগৰাকী কবি, গল্পকাৰ আৰু প্ৰবন্ধকাৰো।

তেওঁৰ সাহিত্যিক কৰ্মৰাজি হ'ল—

উপন্যাস ঃ

১। **সন্ধ্যা** (২০০৪)

২। **অৰুন্ধতী** (২০০৫)

৩। **মুক্তি** (২০০৬)

৪। **বৰদোৱানী** (২০০৬)

৫। **চামিয়ানা** (২০০৬)

৬। **দস্তখত** (২০০৭)

৭। **মই ডেচডিম'না হ'ব খোজোঁ** (২০০৭)

৮। **দেৱবালা** (২০০৯)

৯। **ত্ৰিকুটাৰ ঘোঁৰা** (২০০৯)

১০। **যমুনা** (২০০৯)

১১। **বাঁহী** (২০১০)

১২। **অনুৰোধ** (২০১২)

১৩। **জলকন্যা** (২০১৮)

উপন্যাস সংকলন —

১। **মা মেক'লে চাহাব আৰু বাঢ়ৈশালৰ পিতা** (২০০৮)

২। **ভিভিয়ানৰ লিলি** (২০০৮)

৩। **কাঁচৰ পিৰামিড** (২০১০)

শিশু উপন্যাস—

১। **শান্ত পাপুহঁতৰ কথাৰে**

গল্প সংকলন—

১। **প্ৰস্তৰ কন্যা**

২। **বৰফৰ বেলি**

৩। **অন্তৰীক্ষ**

৪। **কবিগংগা**

৫। **নীলপক্ষী**

৬। **জিৰাফৰ মাত**

কবিতা পুথি—

১। **মণিকুন্তলাৰ প্ৰেমৰ কবিতা**

২। **শুক্লপক্ষ**

৩। **চিত্ৰপট (কবিতাৰে আত্মজীৱনী)**

আত্মজীৱনী —

১। **চিত্ৰপট**

**সামাজিক আৰু পাৰিবাৰিক ক্ষেত্ৰত সাহসী, সংস্কাৰমুক্ত আৰু আপোচহীন দৃষ্টিভংগীৰে নাৰীজীৱন একোটা কিদৰে নতুনকৈ জীয়াব পাৰি এইটো দিশে মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত বিশেষ স্থান লাভ কৰিছে।** তেওঁৰ উপন্যাসসমূহত প্ৰেম, হতাশা, শোক, দুখ, লোভ আদিৰে পৰিপূৰ্ণ নাৰী জীৱনৰ বিভিন্ন পৰিক্ৰমাৰ সুন্দৰ ছবি ফুটি উঠিছে। ইয়াৰ উপৰি সমসাময়িক পটভূমি নিৰ্বাচন আৰু সমসাময়িক আৰ্থ-সামাজিক দিশৰ বিশ্লেষণ কৰাৰ ক্ষেত্ৰত মণিকুন্তলা ভট্টাচাৰ্যই বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে।

**মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাস ঃ**

অসমীয়া উপন্যাস সাহিত্যলৈ নতুন গৌৰৱ কঢ়িয়াই অনা ঔপন্যাসিকসকলৰ ভিতৰত মণিকুন্তলা ভট্টাচাৰ্য অন্যতম। ২০০৪ চনত তেওঁৰ প্ৰথম উপন্যাস **'সন্ধ্যা'** প্ৰকাশিত হয়। ইয়াৰ পিছত তেওঁ বহুকেইখন উপন্যাস ৰচনা কৰি ঔপন্যাসিক হিচাপে নিজৰ স্থিতি মজবুত কৰি তোলে।

প্ৰধানকৈ নাৰী চৰিত্ৰক প্ৰাধান্য দিয়া তেওঁৰ প্ৰতিখন উপন্যাসেই সাৰ্থক উপন্যাস। তেওঁৰ উপন্যাসসমূহৰ প্ৰতিটো ঘটনাই এধাৰি মালাৰ দৰে কাহিনীক অগ্ৰগতিৰ পথত আগবঢ়াই লৈ যায়। ইয়াৰ ফলস্বৰূপে তেওঁৰ প্ৰতিখন উপন্যাসৰ কাহিনী সুসংহত আৰু দৃঢ়সংবদ্ধ। অকল সেয়ে নহয়, কাহিনীৰ বিচিত্ৰতা আৰু বিশালতাই ভট্টাচাৰ্যৰ উপন্যাসসমূহক স্বকীয় মৰ্যাদা লাভ কৰাত সহায় কৰিছে। তেওঁৰ সাহিত্যৰাজিৰ মাজেৰে নানান সামাজিক আৰু মানসিক সমস্যা চিত্ৰিত হৈছে। সামাজিক জীৱনৰ ৰীতি-নীতি, পিন্ধন-উৰণ, ঘৰ-দুৱাৰ, খাৱন-শোৱন, উৎসৱ-পাৰ্বণ, মান-অভিমান, হাই-কাজিয়া এই সকলোবোৰ দিশৰ সুন্দৰ উপস্থাপন ভট্টাচাৰ্যৰ উপন্যাসত প্ৰতিবিম্বিত হৈছে। এই সকলো দিশৰ আলোচনাৰ মাধ্যমেৰে ঔপন্যাসিকে নানান সামাজিক ব্যাধি দূৰ কৰি শান্তি আৰু প্ৰেমৰ বাৰ্তা বিলাবলৈ চেষ্টা কৰিছে।

"A profilic and versatile writer, Manikuntala Bhattacharya is counted among the leading litterateurs of Assam. Her broader way of perceiving life is clearly reflected in her writings that highlight various social issues like witch-hunting, HIV-AIDS, old age home, insurgency prevailing in the society. She has been vocal against the odds in the society and her message of peace and love is explicit in her writings. Besides being a fiction writer, Bhattacharya did some prominent research on the mobile theatres of Assam. Even though some of her concepts have landed her into controversies, however, of late her thoughtful endeavour is well accepted among the audience."[১]

মণিকুন্তলা ভট্টাচাৰ্য সংবেদনশীল লেখক হোৱাৰ বাবেই **বহু বঞ্চিতা নাৰীৰ মৰ্মবেদনাই তেওঁৰ উপন্যাসসমূহত স্থান লাভ কৰিছে।** অৱশ্যে এই নাৰী চৰিত্ৰবোৰ নীৰৱ হৈ নাথাকি নিজৰ

মতক সাব্যস্ত কৰি স্বাধীন হ'ব পাৰিছে। প্ৰতিটো নাৰী চৰিত্ৰই আত্মসন্মানবোধেৰে অসামান্য। সিহঁতে সন্মুখৰ কৰ্তব্য-অকৰ্তব্যৰ বিচাৰ কৰিব জানে।

**ভট্টাচাৰ্যৰ উপন্যাসসমূহৰ প্ৰায়ভাগতে নাৰীৰ বুকুৰ চিৰন্তন দুখ আৰু নিঃস্বতা প্ৰকাশ পাইছে। তেওঁৰ উপন্যাসত জীৱনৰ পৰিপূৰ্ণতা লাভ কৰা সুখী নাৰী চৰিত্ৰ পোৱা নাযায়। নাৰী জীৱনৰ অসম্পূৰ্ণতা বা ব্যৰ্থতাৰ প্ৰতিচ্ছবি অংকন কৰাত তেওঁৰ শৈল্পিক কুশলতা প্ৰকাশ পাইছে।**

২০০৪ চনত প্ৰকাশ পোৱা তেওঁৰ **'সন্ধ্যা' নামৰ উপন্যাসখনত এইড্‌ছ আক্ৰান্ত এগৰাকী যুৱতীৰ কৰুণ জীৱনগাথা অংকিত হৈছে।** এগৰাকী নাৰীৰ বিপৰ্যয়ৰ কাহিনী, মনৰ ধুমুহা ঔপন্যাসিকে হৃদয়গ্ৰাহী ভাষাৰে, দক্ষতাৰে বৰ্ণনা কৰিছে। উপন্যাসখনিত এইড্‌ছৰ দৰে ৰোগত আক্ৰান্ত নাৰীগৰাকীৰ দুখ দীনতা মৰ্মস্পৰ্শী হৈ ধৰা দিছে।

২০০৫ চনত প্ৰকাশিত **'অৰুন্ধতী'**খন প্ৰথমে 'অসমীয়া প্ৰতিদিন' কাকতৰ দেওবৰীয়া পৰিপূৰিকা 'সম্ভাৰ'ত প্ৰকাশ পাইছিল। এই উপন্যাসখন 'হিন্দী ছেন্টিনেল'তো ধাৰাবাহিকভাৱে প্ৰকাশ হৈছিল। **'অনন্যা'** নামৰ এটি নাৰী চৰিত্ৰক কেন্দ্ৰ কৰি এই নাৰী মনস্তত্ত্বমূলক উপন্যাসখন ৰচিত হৈছে। প্ৰথম স্বামীৰ শাৰীৰিক আৰু মানসিক অত্যাচাৰ সহ্য কৰিব নোৱাৰি তাই এদিন বিবাহ-বান্ধোন ছিঙি স্বামীৰ কাষৰপৰা গুচি আহিছে আৰু ইয়াৰ বহু বছৰৰ পিছত নিজে মনে বিচৰা সংগী পাই পুনৰবাৰৰ বাবে বিবাহপাশত আবদ্ধ হৈছে। **নাৰীৰো যে এটা স্বাধীন মন থাকিব পাৰে, উদাৰ দৃষ্টিভংগীৰে নিজৰ পৃথিৱীখন সজাই লোৱাৰ সপোন থাকিব পাৰে এয়া অনন্যাৰ জৰিয়তে ঔপন্যাসিকে সুন্দৰভাৱে দাঙি ধৰিছে।** উপন্যাসখনিৰ **'অনন্যাৰ মাক'** আৰু **'বুনমাহী'**— এই দুটা নাৰী চৰিত্ৰ পৰম্পৰাবাদী যদিও তেওঁলোকে অনন্যাৰ প্ৰতিটো বিপদৰ সময়তে সহায়কাৰী ভূমিকা আগবঢ়োৱা পৰিলক্ষিত হৈছে।

২০০৬ চনত প্ৰকাশিত **'মুক্তি'** নামৰ উপন্যাসখনিত **সমকামিতাৰ এক বিকৃত ৰূপ প্ৰতিবিম্বিত হৈছে**। এই উপন্যাসৰ মুখ্য নাৰী চৰিত্ৰ **'স্মৃতি'**। স্মৃতিক এন. জি. অ'ৰ কামত সহায় কৰা 'ৰৌশন শেঠ' নামৰ ব্যক্তিজনে কিদৰে বস্তিৰ পৰা তুলি অনা 'বচন্তী'ৰ পুত্ৰ 'শংকৰ'ক নিজৰ কু-বাসনাৰে থেঁতেলিয়াই পেলাইছিল— এয়া ঔপন্যাসিকে নগ্ন ৰূপত উপস্থাপিত কৰিছে।

ইয়াৰ উপৰি জন্মৰ পিছতে ওজন জুখিবলৈ নিয়া স্মৃতি আৰু ৰূপকৰ সন্তানটোৱে মূৰত আঘাত পাই মৃত্যুমুখত পৰাত সেই শিশুলৈ মনত পেলাই এগৰাকী মাতৃৰ যি পাৰভঙা কান্দোন

তথা বিষাদগ্ৰস্ততা এই কথা উপন্যাসখনিত বৰ্ণিত হৈছে। সেয়া প্ৰতিগৰাকী সন্তান হেৰুওৱা নাৰীৰ কান্দোনৰ প্ৰতিবিম্ব মাথোন। **এবাৰ সন্তান জন্ম দিয়াৰ পিছতো সন্তানহীন হৈ থাকিবলগীয়া স্মৃতিৰ বেদনাক ঔপন্যাসিকে জীৱন্ত ৰূপত প্ৰতিফলিত কৰিছে।**

ৰৌশন শেঠক শংকৰে অত্যাচাৰ সহ্য কৰিব নোৱাৰি টুকুৰা-টুকুৰকৈ কাটি পেলোৱাৰ পিছত বচন্তীৰ মুখৰপৰাহে শেঠৰ আচল মুখাখন স্মৃতিৰ আগত খহি পৰিছে। সেয়েহে শংকৰৰ কমতকৈও কম শাস্তিৰ বাবে তাই দৌৰাদৌৰি কৰিছে। **স্মৃতিৰ চৰিত্ৰটোত নাৰীচেতনাৰ বহুকেইটা দিশ প্ৰতিভাত হৈছে। এইবোৰৰ ভিতৰত নিজৰ স্বামীৰ প্ৰতি শ্ৰদ্ধা আৰু প্ৰেম, মৃত সন্তানৰ অস্তিত্ব বিচাৰি কৰা হাহাকাৰ, অসহায় নাৰীৰ প্ৰতি দেখুওৱা সহানুভূতি আৰু ন্যায্য প্ৰাপ্তিৰ বাবে আগবাঢ়ি যোৱা আদি অন্যতম।**

**'বৰদোৱানী'** মণিকুন্তলা ভট্টাচাৰ্যৰ আন এখন বিশিষ্ট উপন্যাস। এইখনো ২০০৬ চনত প্ৰকাশিত হৈছিল। **এগৰাকী নাৰী সন্তানৰ অভাৱত কিমান দুখী হ'ব পাৰে, কিমান ৰিক্ত হ'ব পাৰে এই কথা বৰদোৱানীৰ চৰিত্ৰটিৰ জৰিয়তে জানিব পাৰি।** লগতে কেৱল এটা সন্তান জন্ম দিব নোৱাৰাৰ বাবেই কিদৰে স্বামীয়ে আন এগৰাকী নাৰীক বিয়া কৰিবলগীয়া হৈছে আৰু সেই যন্ত্ৰণাত দগ্ধ হৈ কিদৰে বৰদোৱানীৰ হৃদয় তীব্ৰ দহনত ভুগিছে এই কথা উপন্যাসখনিত ব্যক্ত হৈছে।

উপন্যাসখনিত এগৰাকী নাৰীৰ অন্তৰ্প্ৰদেশৰ গভীৰ দাবী উদঙাই দেখুওৱাৰ লগতে এগৰাকী সন্তানহীনা নাৰীক আমাৰ সমাজত কিমান তুচ্ছতাৰে চোৱা হয় এই কথাও ফঁহিয়াই দেখুওৱা হৈছে।

"ব্যক্তিমন আৰু ব্যক্তিসত্তাক সূক্ষ্মভাৱে বিশ্লেষণ কৰি মানৱ জীৱনৰ বেদনা আৰু ক্লেশক অতি সুন্দৰকৈ বাস্তৱ ৰূপত বৰদোৱানী উপন্যাসৰ মাজেদি মণিকুন্তলা ভট্টাচাৰ্যই তুলি ধৰিছে। মানৱতাৰ জয়গান আবেদনশীল ৰূপত প্ৰকাশ পোৱাৰ লগতে উপন্যাসখনত ফুটি উঠিছে আশাবাদী মনোভাব।"[২]

নিজে সন্তান জন্ম দিব নোৱাৰিলেও সতিনী ৰেণুমাইৰ দুয়োটা সন্তানকে নিজৰ সন্তানৰ দৰেই বৰদোৱানীয়ে আদৰ-যত্ন লৈছে। প্ৰতিপালন কৰিছে, শাসনো কৰিছে। নাৰী হিচাপে আন এগৰাকী নাৰীৰ প্ৰতি থাকিবলগীয়া সন্মান তাইৰ আছে। ৰেণুক সতিনী বুলি গ্ৰহণ কৰাৰ পৰিৱৰ্তে তাইক নাৰী ৰূপেহে গ্ৰহণ কৰিছে। নিজৰ অন্তৰখন বেদনাৰে জৰ্জৰিত হ'লেও বাহিৰত স্থিতপ্ৰজ্ঞৰ

ৰূপ ধৰি তাই পুণ্যধৰক বুজাই-বঢ়াই ৰেণুমাইৰ কাষ চাপিবলৈ বাধ্য কৰিছে। ৰেণুৰ সন্তানক লৈ বৰদোৱানী বহুত সুখী যদিও মনৰ নিভৃত কোণত সংগোপনে পুহি ৰখা বেদনাও কেতিয়াবা আপোনা-আপুনি ব্যক্ত হৈছে। পুণ্যধৰ আৰু লক্ষ্যৰ অকাল মৃত্যুৰ পিছত ৰেণুমাই যেতিয়া মানসিক ৰোগৰ চিকাৰ হৈছে, তেতিয়াও বৰদোৱানীয়ে ধৈৰ্য নেহেৰুৱাই ৰেণুমাই-পুণ্যধৰৰ জীয়েকক পঢ়াই-শুনাই ডাঙৰ মানুহ কৰাৰ সপোন দেখিছে। সংসাৰৰ সমস্ত দায়িত্ব অকলেই বহন কৰি বৰদোৱানী জীৱনৰ গতিপথত আগবাঢ়ি গৈছে। প্ৰচুৰ আত্মসন্মানবোধসম্পন্ন বৰদোৱানীও অন্যান্যৰ দৰেই তেজ-মঙহৰে নাৰী। কোনো দুৰ্বল ক্ষণত তাইৰ ৰেণুমাইৰ প্ৰতি ঈৰ্ষা হৈছে যদিও পিছমুহূৰ্তত তাই নিজক চম্ভালি লৈছে। বৰদোৱানীৰ জীৱনৰ নিৰ্মমতাই সকলোৰে হৃদয় চুই যায়।

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহত জীৱনৰ সমস্ত পৰিপূৰ্ণতা লাভ কৰা সুখী নাৰী চৰিত্ৰ পোৱা নাযায়। তেওঁৰ প্ৰতিগৰাকী নায়িকাই জীৱনৰ নানান সমস্যাৰে ভাৰাক্ৰান্ত। সমাজৰ **কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ বলি হৈ এগৰাকী নাৰীৰ জীৱন কিদৰে দুৰ্বিসহ হৈ পৰে এই কথা প্ৰতীয়মান হৈছে ভট্টাচাৰ্যৰ 'চামিয়ানা' নামৰ উপন্যাসখনত।** এই উপন্যাসখন ২০০৬ চনত প্ৰকাশিত হৈছে। এই উপন্যাসখনত **অসমীয়া সমাজৰ কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ লগতে ডাইনী নিৰ্যাতনৰ ঘটনাই স্থান লাভ কৰিছে।** শিক্ষাৰ পোহৰে ঢুকি নোপোৱা কিছুমান মানুহৰ নিষ্ঠুৰতাই কিমান ভয়াৱহ ৰূপ পৰিগ্ৰহ কৰিব পাৰে উপন্যাসখনিত এই কথা চিত্ৰিত হৈছে। ইয়াৰ লগতে ব্যক্তিগত লাভালাভৰ খাতিৰত মানুহ কিদৰে অমানুহলৈ পৰ্যবসিত হয় এয়াও উপন্যাসখনিত প্ৰতিফলিত হোৱা আন এক দিশ।

২০০৭ চনত প্ৰকাশ হোৱা ভট্টাচাৰ্যৰ **'মই ডেচডিমʼনা হʼব খোজোঁ' নামৰ উপন্যাসখন ভ্ৰাম্যমাণ থিয়েটাৰৰ পটভূমিত ৰচিত।** এই উপন্যাসখনিত ভ্ৰাম্যমাণ থিয়েটাৰৰ এক সুদীৰ্ঘকালৰ তথ্য সমৃদ্ধ হৈছে। ইয়াত ভ্ৰাম্যমাণৰ কলা-কুশলীসকলৰ জীৱনৰ আশা-আকাংক্ষা, ঘাত-প্ৰতিঘাত আৰু দৈনন্দিন জীৱনৰ কাৰ্যক্ৰমণিকা উপস্থাপন কৰা হৈছে। 'নয়না' আৰু 'পাৰ্থৰ' প্ৰেম কাহিনীক মুখ্য হিচাপে লৈ থিয়েটাৰ জগতৰ লগত জড়িত কলা-কুশলীসকলৰ মনোজগতৰ বিশ্লেষণ ঔপন্যাসিকে প্ৰাঞ্জলতাৰে বৰ্ণনা কৰিছে।

মাকে দেউতাকৰ অপকৰ্ম সহ্য কৰিব নোৱাৰি আত্মহত্যা কৰাৰ পিছত নয়না থিয়েটাৰ কৰিবলৈ আহে। নিজৰ পাৰদৰ্শিতাৰ বাবেই তাই সেই বছৰৰ নাটকৰ নায়িকা হিচাপে স্বীকৃতি

লাভ কৰাত নাৰীসুলভ ঈৰ্ষাপৰায়ণতাৰ বাবেই তাইক আৰু নাটকৰ নায়কক সাঙুৰি থিয়েটাৰ বাকৰিত নানান মুখৰোচক কথাৰ সৃষ্টি হয় যদিও তাই সেইবোৰলৈ কেৰেপ নকৰি নিজৰ প্ৰতিভাৰ বিকাশ ঘটাইছে। প্ৰেমিক পাৰ্থৰ হাতত ধৰি তাই এই কুৎসা ৰটনাবোৰৰ পৰা অব্যাহতি লৈ এটা নতুন জীৱন গঢ়াৰ উদ্দেশ্যে আগবাঢ়ি গৈছে। ঔপন্যাসিকে নিজৰ সৃজনীশীল প্ৰতিভা, কল্পনাশক্তি আৰু থিয়েটাৰ আখৰাগৃহত নিজে উপস্থিত হৈ নানা তথ্য সংগ্ৰহ কৰি আপোন মনৰ মাধুৰী সানি নয়নাৰ লগতে অন্যান্য চৰিত্ৰসমূহো বৰণীয় আৰু গ্ৰহণীয় কৰি সুখপাঠ্য কৰি তুলিছে।

২০০৭ চনত প্ৰকাশ পোৱা **'দস্তখত'** ভট্টাচাৰ্যৰ আন এখন উপন্যাস। কৈশোৰ আৰু যৌৱনৰ দোমোজাত ভৰি দিয়া এগৰাকী নাৰীৰ বিচিত্ৰ অভিজ্ঞতাৰ বৰ্ণনা ইয়াত পোৱা যায়। প্ৰথম পুৰুষত লিখা এই উপন্যাসখনিৰ কেন্দ্ৰীয় চৰিত্ৰ 'মইনা'ক দেহৰ লাৱণ্য, মুখৰ কমনীয়তা, প্ৰথম যৌৱন প্ৰাপ্তিৰ সুষমা, স্বভাৱৰ সৰলতা, অন্তৰৰ ঊৰ্দ্ধমুখিতা আৰু মনৰ নিৰ্মলতাই আবেদনময়ী নাৰীৰ ৰূপত গঢ় দিছে। সৰু দাদাক আৰু মায়াৰ প্ৰেম বিফল হোৱাত তাই দুঃখিত হৈছে। কিন্তু নিজৰে প্ৰেমিকাৰ বিয়াত লুচি বিলাই থকা দাদাকক দেখি তাই আশ্চৰ্যও প্ৰকাশ কৰিছে। স্কুল পৰ্যায়তে মইনাই বহুজনৰপৰা প্ৰেমৰ প্ৰস্তাৱ পাইছে যদিও নিজৰ 'মেধাৱী' বুলি যি চিহ্ন আছে সেয়া হেৰুওৱাৰ ভয়ত কেতিয়াবা কোনোজনৰ প্ৰতি আকৰ্ষিত হ'লেও মনৰ আশা মনতেই শেষ কৰি দিছে। ইয়াৰ মাজতে 'সুপ্ৰিয়'ৰ প্ৰতি থকা তাইৰ প্ৰেম প্ৰকাশিত হৈছে যদিও উচ্চ শিক্ষাৰ বাবে তাই দূৰলৈ যাবলগীয়া হোৱাত সেইখিনিও এক অনিশ্চয়তাৰ দিশলৈ ধাৱিত হৈছে। ভগ্নীপ্ৰেম আৰু বন্ধুত্ব মইনাৰ চৰিত্ৰৰ অন্যতম দিশ। সৰু হ'লেও মইনা বিবেকৰহিত নহয়। সেয়েহে পঢ়া-শুনা, লিখা-মেলা এই সকলোবোৰতে তাই সমানে পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে।

**মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসৰ কোনো কোনো নাৰীয়ে কেতিয়াবা স্ব-ইচ্ছাই বন্দীত্ব স্বীকাৰ কৰি লৈ পৰিয়ালৰ সুখ-শান্তিৰ কাৰণে নিজকে বিলাই দি আনন্দ পায়। ঔপন্যাসিকৰ 'যমুনা' উপন্যাসৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰ যমুনা এনে এগৰাকী পৰম্পৰাবাদী নাৰী।** কিন্তু স্বামী আৰু পুত্ৰৰ প্ৰায় একে সময়তে হোৱা অকাল মৃত্যুৱে যমুনাক বিধ্বস্ত কৰি থৈ যায়। অকলশৰীয়া তাইৰ জীৱনটোত সুবিধাবাদী মানুহৰ আগমন ঘটিছে যদিও তাই নিজেই সেই সকলোখিনি ওফৰাই দি নিজৰ শক্তিশালী ব্যক্তিত্বৰ পৰিচয় দাঙি ধৰিছে।

**ঔপন্যাসিকে যমুনাৰ চিন্তা আৰু কৰ্মত এগৰাকী মমতাময়ী নাৰীৰ বিশালতা প্ৰকাশ কৰিছে।**

সেয়েহে স্বামী শান্তনুৰ অফিচত ড্ৰাইভাৰ হিচাপে নিযুক্ত ৰঞ্জিত আৰু তাৰ মৃত পত্নী মালাৰ সদ্যোজাত সন্তানটিক তুলিতালি ডাঙৰ-দীঘল কৰিবলৈ তাই আগবাঢ়িছে। **এই উপন্যাসখনিত নাৰীৰ আশা-আকাংক্ষা আৰু নিয়তিৰ নিষ্ঠুৰ পৰিহাসৰ মাজত এগৰাকী অকলশৰীয়া নাৰীয়ে কিদৰে নানান সংগ্ৰামৰ মাজেৰে পাৰ হ'বলগীয়া হয়, ইয়াৰ প্ৰতিফলন ঘটিছে।**

২০১০ চনত প্ৰকাশ পোৱা 'বাঁহী' ভট্টাচাৰ্যৰ আন এখন উপন্যাস। **এজনী কোমল বয়সীয়া নাৰী 'নয়নতৰা'ই অকালতে সাবটি লোৱা বৈধব্য যন্ত্ৰণা উপন্যাসখনিত অংকিত হৈছে।** স্বামীৰ দ্বিতীয় পত্নী হোৱা সত্ত্বেও তাই প্ৰথম পত্নীৰ সন্তানকেইটাক নিজৰ মমতাৰে আঁজুৰি বুকুত সুমুৱাই লৈছে। এগৰাকী পত্নীতকৈ এগৰাকী মাতৃৰ ৰূপতহে এই চৰিত্ৰটি অধিক সফল ৰূপত উপস্থাপন কৰা হৈছে। চেনেহ আৰু সহনশীলতাই নয়নতৰাক সোণৰ দৰে উজ্জ্বল কৰি গঢ়ি তুলিছে। তাইৰ দৰে নাৰী সচৰাচৰ সমাজত সতকাই পাবলৈ বৰ কঠিন।

নয়নতৰা গৰ্ভৱতী অৱস্থাতে তাইৰ স্বামীৰ মৃত্যু ঘটিছে। তাই অতিশয় দুখত ভাগি পৰিছে। কিন্তু সেয়ে হ'লেও স্বামীৰ পূৰ্ব সন্তান দুটিৰ মুখলৈ চাই, গৰ্ভত তিলে তিলে ডাঙৰ হৈ অহা স্বামীৰ চিনকণলৈ চাই তাই নিজক বুজাবলৈ সক্ষম হৈছে। অৱশ্যে মনৰ গোপন কোণত থকা বিষাদগ্ৰস্ততাৰ বাবেই নিজেই নজনাকৈ তাই নাদত ডুবি মৰিবলৈ গৈছে যদিও সৰু দেওৰেকৰ তৎপৰতাত তাই উদ্ধাৰ হৈছে। এই ঘটনাৰ পিছৰপৰা তাই নিজকে চম্ভালি লৈছে। **সময়ৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা নয়নতৰা আমাৰ সমাজৰ ধৈৰ্যশীল, বিচাৰশীল, কৰ্তব্যপৰায়ণ আৰু সহনশীল নাৰীৰ সফল প্ৰতিনিধি।**

সুন্দৰী নদীৰ বান্ধ নিৰ্মাণৰ পটভূমিত ২০১৩ চনত ভট্টাচাৰ্যৰ **'অনুৰোধ'** নামৰ উপন্যাসখন ৰচিত হৈছে। **এই উপন্যাসখনত পুৰুষৰ দৃষ্টিৰে নাৰীৰ মমত্ব আৰু বিষাদগাথা চিত্ৰিত হৈছে।** এই উপন্যাসখনিত নাৰীয়ে নিজৰ মনৰ অন্ধকাৰ কোঠালিত সংগোপনে ৰখা অব্যক্ত কামনা-বাসনাবোৰৰ বাহ্যিক প্ৰকাশ ঘটিছে। ভট্টাচাৰ্যই ইয়াত মানসিক বন্ধনৰপৰা নিজকে মুক্ত কৰিব খোজা **'নীলি' নামৰ নাৰীগৰাকীৰ পৰপুৰুষ ৰঘুপতি দাসৰ সৈতে হোৱা নিজৰ অত্যন্ত ব্যক্তিগত শাৰীৰিক অভিজ্ঞতাৰ কথা খোলাখুলিকৈ বৰ্ণনা কৰিছে।**

"উন্মাদৰ দৰে ইফালে সিফালে চুম্বন কৰি গ'ল তেওঁৰ প্ৰেমময়ীক। নীলিৰ অবিন্যস্ত সাজৰ প্ৰতি অমনোযোগী এই পুৰুষ আৰু ৰঘুপতি দাস হৈ থকা নাই, হৈ উঠিছে প্ৰেমিক। নাৰীক

উপাসনা কৰা, পৃথিৱীৰ মাজত লীন যোৱা শাশ্বত প্ৰেমিক... চুম্বনৰ নদীৰ সোঁতত নিজকে উটুৱাই তেওঁ নীলিৰ ভৰিৰ পতাত ওঁঠ থৈছিল, আদৰেৰে তুলি লৈছিল ভৰিযুৰি তেওঁৰ হাতৰ তলুৱাত আৰু ক্ৰমাৎ সেইখন নদীৰেই ভটিয়নী সোঁতত আৰম্ভ কৰিছিল সাঁতুৰিবলৈ।

থৰথৰকৈ কঁপি উঠিছিল নীলিৰ জানু-জংঘা এজন নতুন পুৰুষৰ শৃংগাৰত। এই শৃংগাৰ ইমান প্ৰাচুৰ্যময় আছিল যে তাত এখন চিফনৰ শাৰী একেবাৰে তুচ্ছ হৈ পৰিছিল... নিজে নিজেই আঁতৰি গৈছিল সেই বস্ত্ৰ। মানৱ জীৱনৰ উৎসমুখৰ সেই পুৰাতন ৰহস্যলৈ ৰঘুপতি দাসে নিজেই প্ৰৱেশ কৰিলেনে? নাঃ তেওঁ নাজানে। কিন্তু নীলিয়ে জানে... তাই যেন আজিয়েই সম্পূৰ্ণকৈ দিব তেওঁক প্ৰেমৰ অমল পাঠ।”[৩]

নিজৰ স্বামী থকা সত্ত্বেও পৰপুৰুষ ৰঘুপতি দাসৰ শাৰীৰিক অৱয়বৰ প্ৰতি বাৰে বাৰে আকৰ্ষিত হোৱা আৰু শেষত গৈ নিজৰ অপূৰ্ণ হাবিয়াস পূৰ্ণ কৰা নীলিৰ জৰিয়তে ঔপন্যাসিকে বহু নাৰীৰ অপূৰণীয় কামনা-বাসনাৰ বাস্তৱ চিত্ৰখন জনসমাজত দাঙি ধৰিছে। নীলি স্বাধীনমনা নাৰী। সেয়েহে তাই পৰপুৰুষৰ বাহুবন্ধনত নিজকে সমৰ্পণ কৰিবলৈ সক্ষম হৈছে। দৈহিক প্ৰয়োজনৰ কাষত নীলিৰ বিবেকৰ সুপ্তি ঘটিছে। কিন্তু তাই নিজৰ সংসাৰ ভঙাৰ কোনোদিন পক্ষপাতী নহয়। কেৱল দৈহিক ক্ষুধা নিবাৰণৰ নিমিত্তেহে তাই ৰঘুপতি দাসৰ কাষ চাপিছে। এই চৰিত্ৰটোৰ জৰিয়তে ঔপন্যাসিকে আমাৰ সমাজৰ অশান্ত আৰু অতৃপ্ত নাৰীমনবোৰৰ প্ৰতিনিধিত্ব কৰিছে।

**‘জলকন্যা’**- ২০১৮ চনত প্ৰকাশ পোৱা ভট্টাচাৰ্যৰ শেহতীয়া উপন্যাস। নগাঁও জিলাৰ চাপানলা নামৰ অঞ্চলৰ পটভূমিত উপন্যাসখন ৰচিত হৈছে। এই উপন্যাসখনিত মধ্য অসমৰ বুৰঞ্জীৰ খণ্ড চিত্ৰৰ লগতে চম্পাৱতী জলপ্ৰপাতৰ গাথা উজলি উঠিছে।

এই উপন্যাসখনতো নাৰী জীৱনৰ অসম্পূৰ্ণতা বা ব্যৰ্থতাৰ ছবি অংকিত হৈছে। **চাহবাগানৰ মেমচাহাবৰ সন্তানহীনতা আৰু ইয়াৰ ফলশ্ৰুতিত তেওঁ কোনো কোনো ক্ষণত পাৰভঙা বেদনাত ভাগি পৰা মানসিক অৱস্থাৰ কথা ইয়াত বৰ্ণিত হৈছে।** তথাপি তেওঁ নিজক সামৰি লৈছে আৰু স্বামীকো সন্তান নোহোৱাৰ বাবে দুখ নকৰিবলৈ কৈছে। উপন্যাসখনিৰ শেষৰফাললৈ দেখা যায় যে মেমচাহাব গৰ্ভৱতী হৈছে। মেমচাহাবৰ এই মেডিকেল ৰিপ’ৰ্টে কেৱল চাহাবকে নহয়, তেওঁৰ লগত জড়িত প্ৰতিজন মানুহলৈকে আশাৰ বতৰা কঢ়িয়াই আনিছে।

উপন্যাসখনিত চাহাব-মেমচাহাবেই কেন্দ্ৰীয় কাহিনী যদিও চম্পাৱতীৰ নেপথ্যত থকা ঐতিহাসিক কাহিনী আৰু কিংবদন্তিও ইয়াৰ মাজে মাজে আলোচিত হৈছে।

"ৰজা হংসধ্বজৰ দুই পুত্ৰ সুৰথ আৰু সুধনাই পাণ্ডৱে এৰি দিয়া অশ্বমেধ যজ্ঞৰ ঘোঁৰাক বন্দী কৰিছিল, যাৰ ফলত বন্দী ঘোঁৰা মুক্ত কৰিবলৈ অহা শ্ৰীকৃষ্ণ আৰু পুৰোহিত মণিকৰ্ণেশ্বৰৰ ষড়যন্ত্ৰত এই যুৱৰাজদ্বয়ক উতলা তেলৰ কেৰাহীত নিক্ষেপ কৰা হৈছিল। চম্পাৱতীৰ নেপথ্যত এনে ঐতিহাসিক কাহিনী আৰু কিংবদন্তি শুনিবলৈ পোৱা যায়।"[4]

ৰজা হংসধ্বজৰ 'চম্পাৱতী' নামৰ সুন্দৰ কন্যাগৰাকীয়ে প্ৰতি বুধবাৰে গণেশ মন্দিৰত পূজা দিবলৈ গৈছিল। এজনী সুন্দৰী ৰাজকন্যাৰ ভাবমূৰ্তিয়ে ঔপন্যাসিকক দিনে-ৰাতিয়ে আমনি কৰিছিল। সেয়েহে মেমচাহাবৰ বিমূৰ্ত ভাবনাৰ প্ৰতিভূৰূপে এই ৰাজকন্যাক মাজে মাজে উপস্থাপন কৰা হৈছে। উপন্যাসখনিৰ নায়িকা মেমচাহাবৰ ভূমিকা বিশেষ শক্তিশালী নহ'লেও এই নাৰীয়ে পাঠকৰ সমবেদনা লাভ কৰিবলৈ সক্ষম হৈছে।

**মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসবোৰ অধ্যয়ন কৰাৰ পৰা এটা কথা জনা যায় যে তেওঁৰ নাৰী চৰিত্ৰসমূহ নানান সমস্যাৰে ভাৰাক্ৰান্ত। ইয়াৰে সকলোবোৰ চৰিত্ৰ বিদ্ৰোহী নহয়। কোনো কোনোৱে পৰম্পৰাবাদী নাৰীৰ ভূমিকাতো অৱতীৰ্ণ হৈছে। অৱশ্যে প্ৰতিটো কেন্দ্ৰীয় নাৰী চৰিত্ৰই সাহসী, যুক্তিবাদী, সহানুভূতিশীল আৰু দৃঢ়মনৰ অধিকাৰী।**

**ভট্টাচাৰ্যৰ প্ৰতিখন উপন্যাসেই নাৰী মনস্তত্ত্বমূলক উপন্যাস। সকলো পোৱাৰ পিছতো কিবা এটা নোপোৱাৰ বেদনাই তেওঁৰ নাৰী চৰিত্ৰসমূহক মাজে-সময়ে বিভ্ৰান্ত কৰি তুলিছে। প্ৰায় প্ৰতিগৰাকী নাৰীৰ চৰিত্ৰতে সন্তানবৎসলতাৰ গুণ ঔপন্যাসিকে অৰ্পণ কৰিছে।** নিজৰ সন্তান নহ'লেও আনৰ সন্তানক হ'লেও তুলি-তালি লৈও নিজৰ সন্তান লাভৰ হাবিয়াস তেওঁলোকে পূৰ্ণ কৰিছে। ঔপন্যাসিকে তেওঁৰ কিছুমান মাতৃ চৰিত্ৰৰ মাজেৰে পৰম্পৰাবাদী নাৰীসকলৰ আদৰ্শ, অৱস্থান আৰু কেতবোৰ ফোঁপোলা প্ৰমূল্য উদঙাই দেখুৱাইছে।

**ঔপন্যাসিকে নাৰীৰ নিজৰ জগতখনৰ কিছুমান ভিতৰুৱা আৰু অতি স্পৰ্শকাতৰ দিশ উত্থাপন কৰিছে। ইয়াৰ ফলত সমাজৰ দৃষ্টি সতকাই নপৰা বহুতো অন্যায়, অবিচাৰ আৰু সমস্যা পোহৰলৈ আহিছে। ভট্টাচাৰ্যৰ ব্যক্তিগত অভিজ্ঞতা আৰু ক্ষেত্ৰ অধ্যয়নৰ ফলশ্ৰুতিত নাৰী জীৱনৰ ৰূপৰেখা বাংময় ৰূপত প্ৰকাশিত হৈছে। ইয়াৰ উপৰি নাৰীৰ মমতা, দয়া, সহানুভূতি, শাৰীৰিক**

**কামনা-বাসনা, আশাভংগৰ বেদনা আদি প্ৰতিবিম্বিত হৈছে। নাৰীচেতনাৰ ৰূপৰেখা ভট্টাচাৰ্যৰ প্ৰতিখন উপন্যাসতে কম-বেছি পৰিমাণে প্ৰতিধ্বনিত হৈছে।**

**মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহত প্ৰধানকৈ বঞ্চিতা নাৰীৰ প্ৰতি সহৃদয়তা প্ৰকাশিত হৈছে। প্ৰকৃতিপ্ৰীতি আৰু কল্পনা প্ৰৱণতা ভট্টাচাৰ্যৰ উপন্যাসৰ আন দুটা প্ৰধান বৈশিষ্ট্য।** জীৱন আৰু জগতক ঔপন্যাসিকে অতি ওচৰৰপৰা নিৰীক্ষণ কৰিছে। সেয়েহে বাস্তৱ ৰূপত নাৰী চৰিত্ৰক বিশ্লেষণ কৰাৰ দক্ষতা তেওঁৰ অতুলনীয়। তেওঁৰ প্ৰতিখন উপন্যাসতে নাৰী জীৱনৰ অভিব্যক্তি সুন্দৰকৈ প্ৰতিফলিত হৈছে। ইয়াৰ উপৰি তেওঁৰ উপন্যাসৰাজিত সমকালীন সমাজ-ব্যৱস্থাত নাৰীৰ দৃষ্টিভংগী আৰু নাৰীমানসৰ পৰিচয় পোৱা যায়।

**'বৰদোৱানী' উপন্যাসত নাৰীচেতনা ঃ**

**'বৰদোৱানী'** মণিকুন্তলা ভট্টাচাৰ্যৰ এখনি উল্লেখযোগ্য উপন্যাস। এই উপন্যাসখন ২০০৬ চনত প্ৰকাশিত হৈছিল। 'বৰদোৱানী' এই নাৰী চৰিত্ৰটোৱেই উপন্যাসখনিৰ আদিৰপৰা অন্তলৈ মুখ্য স্থান অধিকাৰ কৰি আছে। **'বৰদোৱানী'ৰ চৰিত্ৰৰ জৰিয়তে ঔপন্যাসিকে এগৰাকী সন্তানহীনা নাৰীৰ মৰ্মবেদনা অতি স্পৰ্শকাতৰ ৰূপত উপস্থাপন কৰিছে।**

'বৰদোৱানী' উপন্যাসৰ প্ৰধান পুৰুষ চৰিত্ৰ হৈছে **পুণ্যধৰ**। পুণ্যধৰৰ ঘৰত নজনী ছোৱালীৰ পিছত সিয়েই একমাত্ৰ পুত্ৰ সন্তান। সেয়েহে বিধৱা মাকে নিজে পছন্দ কৰি বৰদোৱাৰ পৰা এজনী ছোৱালী বিয়া কৰাই আনে। তায়েই হৈছে— 'বৰদোৱানী'। পুণ্যধৰৰ মাকৰ এটাই আশা আছিল যে বৰদোৱানীয়ে তেওঁলোকৰ বংশ আগবঢ়াই নিবলৈ সতি-সন্ততিৰ জন্ম দি ঘৰখন ভৰাই তুলিব। কিন্তু বিধিৰ বিপাকত বিয়াৰ ছবছৰ পিছতো বৰদোৱানী মাতৃ হোৱাৰ সুখৰ পৰা বঞ্চিত হৈ ৰ'ল। পুণ্যধৰৰ মাকো পো-নাতিৰ মুখ নেদেখাকৈয়ে মৃত্যুমুখত পৰিল যদিও মৰাৰ আগমুহূৰ্তত মাকে পুণ্যধৰক দ্বিতীয় বিবাহৰ কাৰণে প্ৰতিশ্ৰুতিবদ্ধ কৰি থৈ গ'ল। মাকৰ সা-সকামবোৰ শেষ হোৱাৰ পিছত পুণ্যধৰৰ বায়েক-ভনীয়েক সকলোৱে মিলি **'ৰেণুমাই'** নামৰ দুখীয়া ঘৰৰ এজনী ছোৱালী পুণ্যধৰৰ কাৰণে বিয়া কৰাই আনে যদিও সি বৰদোৱানীৰ পৰা আঁতৰি গৈ ৰেণুমাইক আপোন কৰি ল'বলৈ কোনোপধ্যেই মান্তি নহ'ল। কাৰণ বৰদোৱানীক সি সীমাহীনভাৱে ভাল পায়। সেই ভালপোৱা দ্বিতীয় এজনীৰ লগত বিলাবলৈ তাৰ বাবে যথেষ্ট টান হ'ল। কিন্তু সেয়ে হ'লেও

বৰদোৱানীৰ বুজনিত সি মনেৰে নহ'লেও কেৱল বংশ ৰক্ষাৰ স্বাৰ্থত ৰেণুমাইক গ্ৰহণ কৰিলে। নিজৰ স্বামীক আন কাৰোবাৰ ওচৰত সঁপি দিয়াটো সাধাৰণ নাৰীৰ পক্ষে সহজসাধ্য নহয়। কিন্তু পৰিস্থিতিত পৰি বৰদোৱানীয়ে তেনে কাৰ্য কৰিছিল যদিও মনৰ ভিতৰত কঢ়িয়াই লৈ ফুৰিছিল দুখৰ এক গধুৰ বোজা। তথাপি তাই সাহেসেৰে থিয় হৈ আছে। জীৱনৰ প্ৰতিটো সংঘাত ধৈৰ্যৰে পাৰ কৰিছে। ৰেণু আৰু পুণ্যধৰৰ সন্তানক নিজৰ সন্তানৰ দৰেই আদৰ-সাদৰ কৰিছে।

**সমগ্ৰ উপন্যাসখনিতে বৰদোৱানীৰ বিশাল ব্যক্তিত্বৰ উমান পোৱা যায়। বাহিৰৰ পৰা দেখাত স্থিতপ্ৰজ্ঞ যেন লাগিলেও উপন্যাসখনিত মাজে মাজে বৰ্ণিত বৰদোৱানীৰ মনৰ ধুমুহাবোৰে তায়ো যে তেজ-মঙহেৰে সৃষ্ট এজনী নাৰী সেই কথা প্ৰতিপন্ন কৰে।**

**'বৰদোৱানী'ৰ চৰিত্ৰৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা ঃ**

সৰ্বগুণসম্পন্ন বৰদোৱানীক পুণ্যধৰৰ মাকে নিজৰ একমাত্ৰ পুত্ৰলৈ সগৌৰৱে বিয়া কৰাই আনিছিল। মাকৰ পছন্দত অতিশয় সুখী হৈছিল পুণ্যধৰ। পুণ্যধৰ আৰু বৰদোৱানীৰ মাজত প্ৰেমৰ দৃঢ় বান্ধ বাৰুকৈয়ে গঢ়ি উঠিছিল। কিন্তু সময় উকলাৰ লগে লগে এবছৰ দুবছৰকৈ বিয়াৰ ছটা বছৰৰ পিছতো বৰদোৱানীৰ কোলালৈ এটাও সতি-সন্তান নহাত পুণ্যধৰৰ মাতৃ ব্যথিত হ'বলৈ ধৰিলে। সেয়েহে মৃত্যুৰ আগে আগে পুতেকক শপত খুৱালে যে বংশ আগবঢ়াবলৈকে যেন পুণ্যধৰে পুনৰ বিয়া পাতে। কিন্তু পুণ্যধৰ এই বিষয়ত কোনো কাৰণতে আগ্ৰহী নহ'ল। কাৰণ বৰদোৱানী তাৰ মাথোঁ পত্নীয়ে নহয়, তাৰ হৃদয়ৰ ৰাণী, যাক সি হিয়া উজাৰি ভাল পায়। সেয়েহে কেৱল এটা সন্তান লাভৰ আকাংক্ষাত সি বেলেগ এজনী বিয়া কৰাই আনিব, সেই কথা সি কোনোপধ্যেই মানি ল'ব নোৱাৰিলে।

কিন্তু বৰদোৱানীৰ বাইশাহুৰেকহঁতে কোনো কাৰণত এই কথা মানি নলয়। সিহঁতে ভায়েকৰ সংসাৰখন আগবঢ়াবই। লাগিলে বৰদোৱানী আৰু পুণ্যধৰৰ সম্পৰ্কত ফাটেই নেমেলক কিয়। বাইশাহুৰেকহঁতৰ কথা-বতৰাই বৰদোৱানীক শেলে বিন্ধাদি বিন্ধিছে।

"বাইশাহুৰেকৰ কথাবোৰ সাত শতৰুৰ শাওপাত যেন লাগিল। তিৰোতা জাতিৰ ভাবনাইনে এয়া? কলৰ তলত বৰদোৱানীক আদৰি আনোতেও ভাবিছিল নেকি এওঁলোকেই এদিন যে এই যদি ল'ৰা ওপজাব নোৱাৰে, তেন্তে সতিনী চপাই দিম। অ', সতিনী চপাই দিম।"[৫]

**বন্ধ্যাত্ব এক অভিশাপ। এই অভিশাপে তিল তিলকৈ মানুহৰ মনক নিঃশেষ কৰি দিয়ে। নিজে বেছিকৈ চিন্তা নকৰিলেও চৌপাশৰ সমাজখনে বন্ধ্যা নাৰীৰ বৃথা জীৱনটো তাচ্ছিল্যৰ চকুৰে চায়। ভাগ্যই যেন বৰদোৱানীৰ লগত খেল খেলিবলৈহে আৰম্ভ কৰিলে।**

নিজে প্ৰাণভৰি ভালপোৱা স্বামী পুণ্যধৰক আন কাৰোবাৰ হাতত চমজাবলৈ যাওঁতে বৰদোৱানী কঠোৰ মনোকষ্টৰ সন্মুখীন হৈছে। কিন্তু এই বৰদোৱানীয়েই আকৌ কিছু সুকীয়া চিন্তাধাৰাৰে আহিবলগীয়া নতুন নাৰীগৰাকীৰ প্ৰতি সহমৰ্মিতা গঢ়ি তুলিছে।

"বৰদোৱানীৰ গালৰ বাখৰবোৰ দপকৈ নুমাই গৈছিল। যিজনী আহিব, তায়ো তিৰোতা। তায়োতো বুকুত আঁক এডাল টানি লৈয়ে আহিব, নিজৰ বুলি ল'ব খোজা মানুহটোক আগতেই অন্যই লৈ থৈছে বুলি!"[৬]

পুণ্যধৰৰ প্ৰতিও তাইৰ প্ৰচুৰ অভিমান আছে। সেয়েহে তাইক সকলোৱে পুণ্যধৰৰ দ্বিতীয় বিবাহৰ বাবে বুজোৱাৰ দিনা নিশা দেখদেখকৈয়ে তাই শোৱাপাটী বেলেগ কৰি পেলাইছে। **নিজৰ মনৰ যন্ত্ৰণাক সকলোৰে পৰা লুকুৱাই ৰাখি পুণ্যধৰক বিবাহৰ বাবে সন্মতি দিলেও বা পুণ্যধৰক তায়েই দ্বিতীয় বিবাহৰ বাবে সৈমান কৰালেও বুকুৰ নিভৃত কোণত ক্ষোভৰ একুৰা জুই উমি উমি জ্বলি থাকিল। কেৱল এটা সন্তান জন্ম দিব নোৱাৰাৰ বাবেই তাই নিজৰ স্বামীক আন তিৰোতাৰ হাতত অৰ্পণ কৰিব লগা হ'ল। এয়া হ'ল নাৰীত্বৰ চূড়ান্ত অপমান।** এগৰাকী পত্নী হিচাপে, এগৰাকী নাৰী হিচাপে তাইক যেন মৰ্যাদাচ্যুত কৰা হ'ল। সেয়েহে মনৰ ভিতৰত গাপ দি ৰখা এই জুইকুৰা হঠাতে তাপ পাই ভমক্কৈ জ্বলি উঠিল তেতিয়া, যেতিয়া মাজৰাতি ননদ লাহৰীয়ে ৰাতি গা ধুবলৈ যাওঁতে তাইক ৰখিব নালাগে বুলি ক'লে। বৰদোৱানী যেন জাঙুৰ খাইহে উঠিল—

"ঃ কিয়? কিয় ৰখিব নালাগে? মই এই ঘৰলৈ অহাৰ দিন ধৰি ৰাতি ৰখাহি নাইনে? সৌ সিদিনালৈকে? তোৰ বিয়াৰ পিছৰ সপ্তাহতো? এতিয়া কিয় ৰখিব নালাগে মই? নে এইকণো এৰিব লাগিব সতিনীলৈ?

লাহৰী অহল্যা হৈ গ'ল। শিলামূৰ্তি অহল্যা। থোকাথুকি মাতে বৰদোৱানীৰ বুকুত হাতুৰি মাৰি গলাইছে বুকুৰ বৰফ। গলা বৰফৰ পানী বাহিৰ হৈছে তাইৰ নাকে-চকুৰে। আঁচলৰ আগেৰে জোৰকৈ মোহাৰিছে তাই সেয়া।"[৭]

বৰদোৱানী নাৰীচেতনাৰ এক অনন্য প্ৰতিভূ। **স্বামীৰ প্ৰতি অকৃত্ৰিম ভালপোৱা নাৰীৰ স্বাভাৱিক প্ৰবৃত্তি। বৰদোৱানীয়েও পুণ্যধৰক অসীম ভাল পায়।** সেয়েহে সি বেয়া দিশলৈ যাওক এই কথা তাই কেতিয়াও মানি ল'ব নোৱাৰে। পুণ্যধৰে ভাঙত ধৰাত ভাঙৰ খলাৰপৰা আঁতৰাই আনিবলৈ তাই যৎপৰোনাস্তি চেষ্টা কৰিছে আৰু মৰমৰ ভাষাৰে তাক বুজাইছে।

বিয়াৰ পিছত এটা সন্তানৰ আকাংক্ষা সকলো নাৰীৰে থাকে। বৰদোৱানীয়েও বিচাৰিছিল তাইৰ কোলালৈ এটা সন্তান আহক। কিন্তু ভগৱানে তাইৰ আশা পূৰণ কৰা নাই। পুণ্যধৰে কত তাবিজ-মাদলি আনি দিলে, কত তেল পানী মন্ত্ৰ ফুঁকাই আনি খুৱালে, কোনো ফল নধৰিল। ৰেণুমাইৰ সন্তান ওপজাৰ পিছত সেয়েহে তাই লাহৰীক কৈ উঠিছে—

“ঃ কাকো একো দিব নোৱাৰিলোঁ মই।”[৮] — এয়া বৰদোৱানীৰ মনৰ নিভৃত কোণৰ পৰা ওলাই অহা ব্যৰ্থতাৰ হুমুনিয়াহ মাথোঁ। কিন্তু এই বৰদোৱানীয়েই ৰেণুমাইক নিজৰ মাতৃৰ দৰে আদৰ-যত্ন কৰিছে। গৰ্ভাৱস্থাত কি খালে ভাল, কি কৰিলে ভাল —এই সকলোবোৰৰ জ্ঞান বৰদোৱানীয়ে ৰেণুমাইক দিছে। ভালৰো ভালটো ৰেণুমাইক যতনাই খুৱাইছে। আনকি ৰেণুমাইৰ সন্তান জন্মৰ দিনাও তাইৰ থৰকাছুতি হেৰাইছে— দুৱাৰমুখত চিৰি থৈছে, বেৰত বগৰীৰ ডাল গুঁজি দিছে। মুঠতে নাৰী হিচাপে বৰদোৱানীয়ে নিজৰ কৰ্তব্য আৰু দায়িত্বত কোনো গাফিলতি কৰা নাই। মাতৃত্বৰ স্বাভাৱিক মমতাৰে ৰেণুমাইৰ সন্তানটিক নিজৰ সন্তানৰ দৰেই আদৰ-যত্ন লৈছে। অপদেৱতাই নাপাবলৈ নানানটা তাবিজ পিন্ধাইছে।

পৰৱৰ্তী সময়তো দেখা যায় পুণ্যধৰে যেতিয়া লক্ষ্যক বৰদোৱানীৰ লগত থৈ যায় বৰদোৱানীয়ে তাক প্ৰয়োজনসাপেক্ষে শাসন কৰিছে, কেতিয়াবা হাতো তুলিছে। কুসংগত পৰি লক্ষ্যই তাচপাতত ধৰাত ৰণচণ্ডী মূৰ্তি ধৰি তাক কোবাই কোবাই ক্ষোভ উজাৰিছে। কিন্তু অৱশেষত তায়েই পিৰালিত বহি ৰাউচি জুৰি কান্দিছে। পুণ্যধৰ আহোঁতেই তাই আধা কন্দা-আধা ভঙা মাতেৰে কৈ গৈছে—

“ঃ ল'ছালীৰ আশাতেই গোটেই জীৱন পাত কৰি পেলালোঁ। নিজৰ মানুহটোকো অন্য তিৰোতাৰ কাষলৈ ঠেলি ঠেলি পঠিয়ালোঁ কেৱল ল'ছালী আশাত। আজি সেই ল'ৰাই তাচপাতৰ মাজত বহিবলৈ যায়। মোক তাৰ পিণ্ড ৰন্ধাৰ কথা কয়...।”[৯]

**সচৰাচৰ সকলো নাৰীৰ দৰেই বৰদোৱানী সন্তানপিয়াসী। সন্তানৰ মুখ দেখিয়েই নাৰীয়ে**

**নিজৰ জীৱনৰ সাৰ্থকতা অহা বুলি ভাবে। বৰদোৱানী নিজে সন্তান দিবলৈ অক্ষম হোৱাৰ বাবে সতিনীৰ সন্তানকে নিজৰ সন্তানৰ দৰে তুলি-তালি ডাঙৰ-দীঘল কৰিছে যদিও সি অবাটে যোৱাত তাই মনোকষ্ট পাইছে।**

উপন্যাসখনিৰ মাজে মাজে বহু সময়ত বৰদোৱানীৰ চৰিত্ৰটোক অস্থিৰ ৰূপত উপস্থাপন কৰা হৈছে। পুণ্যধৰৰ দ্বিতীয় বিবাহৰ আলোচনাৰ প্ৰসংগত, ৰেণুমাইক পুণ্যধৰে আদৰ নকৰাৰ সময়ত, লক্ষ্যৰ জন্মৰ সময়ত, পুণ্যধৰ পামত থকাৰ সময়ত বৰদোৱানী অস্থিৰ হৈ ৰৈছে।

স্বামী পুণ্যধৰৰো সকলো দিশ চোৱা-চিতা কৰিছে বৰদোৱানীয়ে। পত্নীৰ দায়িত্ব সদায় গুৰুত্বসহকাৰেই পালন কৰিছে। ভাণ্ডৰ খলাৰপৰা আঁতৰি আহি ৰেণুমাইৰ কাষ চাপিবলৈ তায়ে পুণ্যধৰক সুবিধা কৰি দিছে। পত্নী হিচাপে এগৰাকী নাৰীৰ সকলো কৰ্তব্য তাই নিয়াৰিকৈ পালন কৰাৰ লগতে নাৰীমনৰ স্বাভাৱিক দৈহিক কামনা-বাসনাকো তাই গাপ দি ৰাখিব পৰা নাই। সেয়েহে ৰেণুমাইৰ ফালৰপৰা পুণ্যধৰৰ সতি-সন্ততি জন্মৰ পিছতো পুণ্যধৰৰ লগত তাইৰ নিজৰ স্বাভাৱিক কামনা-বাসনাক চৰিতাৰ্থ কৰিছে।

"অকস্মাৎ, বৰদোৱানীৰ খেলিমেলি লাগি গ'ল। চকুৰ পচাৰতে তাইৰ মন-মগজুকে আদি কৰি সকলোবোৰ ইন্দ্ৰিয়ই যেন মুহূৰ্তটোক সাবট মাৰি ধৰি পেলাব খুজিলে। প্ৰাণভৰি ল'লে তাই, দ-কৈ উশাহত উজালে নিজৰ মানুহটোৰ শৰীৰৰ সেই প্ৰাচীন চিনাকি গোন্ধ। বহুদিন, বহুদিনৰ পিছতো যেন তাই অকণমান অস্থিৰ হৈ উঠিল।"[১০]

**বৰদোৱানী পৰম্পৰাবাদী নাৰীতকৈ কিছু পৃথক। তাই নিজৰ স্বামীক আন তিৰোতাৰ কাষলৈ ঠেলি দি এক ৰূপান্তৰৰ সৃষ্টি কৰিছে। বৰদোৱানী যেন আধুনিক মানৱৰ উত্তৰণ অথচ দুখবোধ, বিচ্ছিন্নতাবোধ, নিঃসংগকামিতা, পৰম্পৰাবিদ্বেষী মানসিকতা, একাকিত্ব, বৈষয়িক লিপ্সা, শাৰীৰিক একাকিত্ব, মানসিক নানা সমস্যা, প্ৰেম আৰু বিৰহ, জৈৱিক কামনা-বাসনা আদি সকলো বিষয়ৰ প্ৰতিনিধিত্বকাৰী এক নাৰী চৰিত্ৰ, যিয়ে পৰম্পৰাগত ধাৰণাৰপৰা ফালৰি কাটি আহি এক নতুন ৰূপ ধাৰণ কৰিবলৈ সক্ষম হৈছে।**

শৈশৱৰে পৰাই বৰদোৱানীয়ে পদে পদে নানা বাধাৰ সন্মুখীন হৈছে। সৰুতেই পিতৃ-মাতৃক হেৰুৱাই ককায়েক-বৌৱেকৰ লগত তাই ডাঙৰ হৈছে। পুণ্যধৰৰ লগত বিবাহিত জীৱন আদৰি লৈ নাৰী জীৱনৰ এক আকাংক্ষিত সপোন, স্বামী-পুত্ৰসহ এখন গৃহস্থী ঘৰৰ ছবি

তাই বুকুত কঢ়িয়াই লৈ ফুৰিছে। কিন্তু তাইৰ স্বপ্ন আৰু আশাবোৰ ফুল হৈ ফুলি নুঠিল। সেয়েহে পুণ্যধৰ আৰু ৰেণুমাইৰ বিয়া পাতি সেই আশাবোৰক পুনৰ জীপ দিবলৈ তাই ত্যাগ কৰিছিল। ৰেণুমাইৰ প্ৰথম সন্তান লক্ষ্যৰ জন্মৰ সময়টো বৰদোৱানীৰ বাবেও আছিল চৰম আকাংক্ষিত মুহূৰ্ত। কাৰণ সেই সন্তানৰ জৰিয়তেই তাই উপলব্ধি কৰিব খুজিছিল মাতৃত্বৰ মমতা। বৰদোৱানীৰ চৰিত্ৰত নাৰীচেতনাৰ এই দিশ বিশেষভাৱে লক্ষণীয়। পুণ্যধৰ-ৰেণুমাইৰ জীয়েক কান্তাকো তাই মাতৃত্বৰ উমেৰে আঁকোৱালি লৈছে। পঢ়াই-শুনাই জীৱনটো গঢ়ি দিয়াৰ সংকল্প লৈছে।

এগৰাকী নাৰীয়ে নিজৰ প্ৰিয় পুৰুষে আন এগৰাকী নাৰীক বিয়া কৰাই অনাটো সহ্য কৰা অতিশয় কঠিন। বৰদোৱানীৰো সেই সময়খিনি অতি জটিল আছিল। কিন্তু পুণ্যধৰৰ বংশ নিঃশেষ নোহোৱাৰ স্বাৰ্থত তাই মনৰ দুখ-বেদনাক মনতে সামৰি ৰাখিছিল। অকৰ্মণ্য জৰায়ুটোক লৈ তাই কেতিয়াবা হতাশাত ভুগিলেও নিজক বুজনি দিব পৰাকৈ বৰদোৱানী এক শক্তিশালী ব্যক্তিত্বৰ নাৰী আছিল।

ইন্দ্ৰিয় আসক্তি নাৰী-পুৰুষ উভয়ৰে স্বাভাৱিক প্ৰবৃত্তি, কিন্তু আমাৰ সমাজত নাৰী-পুৰুষভেদে ইয়াক ভিন্ন দৃষ্টিৰে চোৱা যায়। ইয়াত নিৰপেক্ষতাৰ পৰিৱৰ্তে নাৰীৰ প্ৰতি কঠোৰ দৃষ্টিভংগী লোৱাহে দেখা যায়, য'ত নাৰীক কেৱল অসহায়, অৱহেলা আৰু কৰুণাৰ পাত্ৰ কৰি ৰখা হয় আৰু পুৰুষৰ প্ৰতি নমনীয়তা আৰু নাৰীৰ অসহায় অৱস্থাৰ উদ্ধাৰকাৰীৰ ৰূপত অংকন কৰা হয়। **ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্যয়ো 'বৰদোৱানী' উপন্যাসৰ 'বৰদোৱানী' চৰিত্ৰক অসহায় নাৰীৰ ৰূপত উপস্থাপন কৰিছে, যাক কেৱল এটা সন্তান জন্ম দিব নোৱাৰাৰ বাবেই নিজৰ স্বামীক আন নাৰীৰ হাতত অৰ্পণ কৰিবলৈ বাধ্য কৰোৱা হৈছে।** তথাপি তাইৰ এটাই সান্ত্বনা আছিল যে পুণ্যধৰে তাইক সতিনী অনাৰ পিছতো সিমানেই মৰম-আদৰ কৰিছিল, যিদৰে আগতে কৰিছিল। তথাপি তাইৰ মনোকষ্ট আছিল। সেয়া নাৰী হিচাপে তাইৰ স্বাভাৱিক অৱস্থা। সেয়েহে নিজৰ ইচ্ছাৰেই পুণ্যধৰৰ লগত বৰদোৱানীৰ মিলন হোৱাৰ পিছত তাই কৈ উঠিছে—

"ঃ আপোনাক মইহে বিচাৰিব পাৰোঁ, আপুনি নহয়। কাৰণ মই আপোনাৰ দৰে ডোখৰ ডোখৰ হৈ পৰা নাই এতিয়াও।"[১১]

ঔপন্যাসিকে বৰদোৱানীৰ চৰিত্ৰক মননশীলতাৰে অংকন কৰিছে। বৰদোৱানীৰ চৰিত্ৰৰ জৰিয়তে সমসাময়িক সমাজত নাৰীৰ স্থান আৰু স্থিতিৰ বিশ্লেষণ কৰাত ঔপন্যাসিক বহু ক্ষেত্ৰত সফল হৈছে। ঔপন্যাসিকে এক ব্যক্তিক্ৰমী নাৰী চৰিত্ৰ হিচাপে 'বৰদোৱানী'ক উপস্থাপন কৰিছে।

সকলো নাৰীৰ জীৱনলৈ প্ৰেম আহে। কোনোবাই সেই প্ৰেমক স্বীকাৰ কৰি ভৱিষ্যতত এখন সুখৰ সংসাৰৰ গৰাকী হয়; কোনোৱে আকৌ মনৰ প্ৰেম মনতে সামৰি থৈ চিৰজীৱন প্ৰিয়জনৰ ছবি বুকুত কঢ়িয়াই লৈ ফুৰিবলগীয়া হয়। ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্যই বৰদোৱানীৰ যৌৱন কালত প্ৰেমৰ ৰূপ লৈ অহা 'বকুল' নামৰ যুৱকজনৰ কথা অতি কৌশলেৰে উপন্যাসখনিত উপস্থাপন কৰিছে। বৰদোৱানীয়ে বিয়াৰ আগতেও তাইৰ প্ৰতি থকা বকুলৰ প্ৰেমৰ উমান পাইছিল। কিন্তু বিয়াৰ ছয়-সাত বছৰমান পিছতহে এই সম্পৰ্কে তাই নিশ্চিত হয়। বৰদোৱানীয়ে যৌৱনৰ দুৱাৰডলিত লগ পোৱা বকুল নামৰ যুৱকজনৰ স্মৃতি অহৰ্নিশে কঢ়িয়াই লৈ ফুৰে।

"স্বামী পুণ্যধৰৰ প্ৰতি বৰদোৱানীৰ আছে একনিষ্ঠ প্ৰেম; বিবাহিত পত্নীৰ ধৰ্ম নিষ্ঠাৰে পালন কৰাত কোনোদিনে তাই অৱহেলা কৰা নাই। একেদৰে গাভৰুকালৰ অপ্ৰকাশিত প্ৰেমৰ বীজ অকণো সলনি হ'বলৈ নিদিয়াকৈ তাই জীয়াই ৰাখিছে স্মৃতিৰ মণিকোঠাত অতি পৱিত্ৰভাৱে। সংগোপনে অন্তৰ্জগতত বকুলৰ অবাধ বিচৰণে তাইক ব্যথিত কৰে, অতীতলৈ লৈ যায়। বকুলে আত্মহত্যাৰ মাজেৰে তাইৰ হৃদয়ত যেন নিগাজীকৈ স্থান দখল কৰে।"[১২]

জীৱ-জন্তুৰ প্ৰতিও বৰদোৱানীৰ আছিল অজস্ৰ মৰম। ঘৰৰ গৰু, ছাগলী আনকি হাবিৰ বান্দৰৰ প্ৰতিও বৰদোৱানীৰ বুকুভৰি সহৃদয়তা আছিল। ইয়াৰ উপৰি এৰী পলুৰ প্ৰতিপালন, এইবোৰৰ প্ৰতি তাইৰ আদৰ-যত্নৰপৰা বৰদোৱানীৰ ভিতৰত যে এজনী মাতৃ লুকাই আছে এই কথা অনুধাৱন কৰিব পাৰি।

পুণ্যধৰে প্ৰয়োজনৰ তাগিদাত দ্বিতীয় বিবাহ কৰালেও, লক্ষ্য বৰদোৱানীৰ সতিনীয়েকৰ সন্তান হ'লেও সিহঁতক কোনোবাই অপমান বা অৱহেলা কৰিব— এই কথা অন্ততঃ বৰদোৱানীয়ে কেতিয়াও সহজভাৱে ল'ব নোৱাৰে। সেয়েহে নিজৰ ককায়েকে পুণ্যধৰৰ প্ৰতি অপমানসূচক মন্তব্য দিওঁতে বা লক্ষ্যক অৱমাননা কৰোঁতে ককায়েকৰ প্ৰতি বৰদোৱানীৰ বিতৃষ্ণা উপজিছে আৰু ককায়েকৰ ঘৰলৈ কেতিয়াও নোযোৱাৰ সিদ্ধান্ত লৈছে। নাৰীচেতনাৰ এক অনন্য প্ৰতিভূ বৰদোৱানীৰ

চৰিত্ৰৰ নিজৰ গিৰিয়েকৰ প্ৰতি থকা অশেষ শ্ৰদ্ধা আৰু নিজৰ সন্তানৰ প্ৰতি থকা মমতাক উপন্যাসখনিত এনেদৰেই ঔপন্যাসিকে প্ৰতিবিম্বিত কৰিছে।

**এনেদৰেই মণিকুন্তলা ভট্টাচাৰ্যই এগৰাকী সংস্কাৰসম্পন্ন নাৰীৰ ৰূপত বৰদোৱানীক অৱতীৰ্ণ কৰাইছে। লগতে এগৰাকী বন্ধ্যা নাৰীৰ মনৰ অব্যক্ত বেদনাক অতি মৰ্মস্পৰ্শী ৰূপত অংকিত কৰিছে। ধৈৰ্য, সহনশীল, বিনয়, ক্ষমা, উদাৰ— এই সকলো গুণেই বৰদোৱানীৰ চৰিত্ৰত আৰোপ কৰা হৈছে। সময়সাপেক্ষে নাৰীৰ স্বাভাৱিক ঈৰ্ষা আৰু অভিমান বৰদোৱানীৰ চৰিত্ৰত দেখা পালেও ই চিৰস্থায়ী নহয়। এইবোৰে তাইৰ জীৱনত গভীৰ চাপ পেলাবলৈ সক্ষম হোৱা নাই। ঔপন্যাসিকে বৰদোৱানীক সাহস আৰু ধৈৰ্যৰ প্ৰতীক হিচাপে অংকন কৰিছে, যিয়ে জীৱনৰ প্ৰতিটো বাধাক হেলাৰঙে পাৰ কৰি নিজৰ শক্তিশালী ব্যক্তিত্ব আৰু ধৈৰ্যশীল মনৰ পৰিচয় দি থৈ গৈছে।**

**‘ৰেণুমাই’ৰ চৰিত্ৰৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা ঃ**

**‘বৰদোৱানী’ উপন্যাসত ‘ৰেণুমাই’ৰ চৰিত্ৰৰ পৰিসৰ নিচেই ঠেক।** মূল চৰিত্ৰ বৰদোৱানী আৰু পুণ্যধৰৰ তুলনাত এই চৰিত্ৰটিৰ ভূমিকা নিচেই কম। যদিওবা উপন্যাসখনিৰ আদিৰপৰা অন্তলৈ প্ৰায়বোৰ ঠাইতে ৰেণুমাইৰ কথা আলোচনা কৰা হৈছে, প্ৰায়বোৰতেই তাইক নিষ্প্ৰভ হৈ থকাহে দেখা যায়। তথাপি নাৰী হিচাপে তাই সফল হৈছে। বিয়াৰ ছবছৰ পিছতো পুণ্যধৰ-বৰদোৱানীৰ কোনো সন্তান নোপজাত পুণ্যধৰৰ বায়েকহঁতে খুজি-মাগি দুখীয়াৰ ঘৰৰ ছোৱালী ৰেণুমাইক পুণ্যধৰৰ বাবে বিয়া কৰাই আনে। দৰিদ্ৰৰ ঘৰত জন্ম লোৱাটো তাইৰ যেন এক অপৰাধহে, যাৰ বাবে কেৱল সন্তান জন্ম দিয়াৰ উদ্দেশ্যেই তাইক পূৰ্বতে বিয়া কৰোৱা এজনলৈ অনাহূতভাৱে বিয়া দিয়া হ’ল। পুণ্যধৰে ৰেণুমাইক বৰদোৱানীৰ মৰ্যাদা কোনোদিন নিদিলে। পুণ্যধৰৰ ঘৰত তাইৰ পৰিসীমা কিমানদূৰ ব্যাপি হ’ব সেয়া ফুলশয্যাৰ ৰাতিয়েই পুণ্যধৰে তাইক বুজাই দিছে—

“ঃ ইয়াত যি যি বিচাৰা, চব পাবা। কিন্তু এই ঘৰৰ মালিকনী হ’বলৈ নেযাবা।”[১৩] ৰেণুমায়ে নিজৰ সীমা কেতিয়াও অতিক্ৰম কৰা নাই।[১৩]

পুণ্যধৰে ৰেণুমাইক পত্নীয়ে পাবলগীয়া মৰ্যাদাৰ পৰা বঞ্চিত কৰিলেও বৰদোৱানীয়ে

সেইখিনি দিবলৈ যত্নপৰ হৈছে। বৰদোৱানী নোহোৱা হ'লে ৰেণুমাইৰ জীৱন নিশ্চয় অধিক কষ্টকৰ হ'ল হয়।

পুণ্যধৰে তাইক মৰম-আদৰ নকৰিলেও নিজৰ স্বামীৰ প্ৰতি থকা দায়িত্ব তাই ঠিকেই পালন কৰিছে। তাই পুণ্যধৰৰ ভৰি চুই সেৱা কৰিছে। মাজৰাতি পুণ্যধৰ কোঠাৰপৰা নোহোৱা হোৱাত নঙলামুখত ৰৈ চিন্তাত ব্যাকুল হৈছে। এগৰাকী নাৰী হিচাপে এয়া তাইৰ স্বাভাৱিক আচৰণ। ৰেণুমাই বায়েক হিচাপে বৰদোৱানীক শ্ৰদ্ধা কৰিছে। যাৰ বাবে বিয়াৰ পিছদিনা তাই বৰদোৱানীক সেৱা কৰিছে। এয়া তাইৰ সংস্কাৰকামী মনৰে পৰিচায়ক।

**বৰদোৱানীৰ অশেষ বুজনি আৰু পৰামৰ্শৰ পিছতহে পুণ্যধৰে ৰেণুমাইক গ্ৰহণ কৰিছে, সেয়াও একান্ত বাধ্যত পৰিহে। লক্ষ্য আৰু কান্তাক জন্ম দিয়াৰ স্বাৰ্থত তাই লাহে লাহে পুণ্যধৰৰ কাষ চাপিবলৈ সক্ষম হৈছে যদিও কেৱল সন্তান জন্ম দিয়াৰ স্বাৰ্থ আৰু পুণ্যধৰৰ শাৰীৰিক প্ৰয়োজন পূৰণৰ স্বাৰ্থতহে ৰেণুমাইৰ চৰিত্ৰক সীমিত কৰি ৰখা হৈছে।** পুণ্যধৰে মনে-প্ৰাণে যে বৰদোৱানীকে বিচাৰে এই কথা মানি লোৱাৰ বাদে তাইৰ গত্যন্তৰ নাই। সেয়েহে নাৰীৰ স্বাভাৱিক ঈৰ্ষাৰে তাই বৰদোৱানীক লৈ জ্বলে। কিন্তু লক্ষ্য গৰ্ভত থকাৰ সময়ত বৰদোৱানীয়ে কৰা আদৰ-যত্নই বৰদোৱানীৰ উদাৰ মনৰ পৰিচয় দিয়াত তাই বৰদোৱানীৰ বিষয়ে বেয়াকৈ ভবাৰ পৰা বিৰত হয়। ইয়াৰ বিপৰীতে তাইৰ হৃদয়ত তীব্ৰ অপৰাধবোধৰহে সৃষ্টি হয়। সেয়েহে দ্বিতীয়বাৰৰ বাবে তাই গৰ্ভৱতী হওঁতে নিজে অনুতপ্ত হৈ উঠিছে।

"ঃ আপোনাৰ ঠাইত নিজকে ভাবি কষ্ট লাগে... আপুনি কেনেকৈ থাকে নেজানো, আপোনাৰ ঠাইত নিজকে ভাবি কষ্ট লাগে, ...তেখেতক যেন কাঢ়ি লৈ গৈছোঁ...।

ক্ৰমশঃ ৰেণুৱে মূৰ উঠাইছিল। আকৌ সঞ্চৰণ ঘটিছিল তাইৰ ভিতৰৰ মানুহজনীৰ। আকৌ খামোচ মাৰি ধৰিছিল তাইৰ বৰদোৱানীৰ হাতত। আতুৰতাৰে মুখলৈ চাই ফুচফুচাইছিল—

ঃ ... মোৰ গাত লেঠা বাইদেউ!"[১৪]

ঔপন্যাসিকে ৰেণুমাইৰ চৰিত্ৰত কোনোধৰণৰ মান-অভিমান আৰোপ কৰা নাই। পুণ্যধৰে বৰদোৱানীৰ উদংকোলাত ৰেণুৰ সন্তান লক্ষ্যধৰক থ'ব খোজোতেও তাই কোনো অভিযোগ কৰা নাই। কাৰণ বৰদোৱানীৰ অন্তৰাত্মাত সুপ্ত হৈ থকা মমতাময়ী নাৰীৰ ৰূপটো লক্ষ্য গৰ্ভত থাকোঁতেই

ৰেণুমায়ে উপলব্ধি কৰিব পাৰিছিল। সেয়েহে বৰদোৱানীৰ লগত লক্ষ্যধৰক থৈ তাই স্বস্তিৰ নিশ্বাস পেলাইছে।

কিন্তু এই লক্ষ্যই যেতিয়া লগৰ ল'ৰা অজিতৰ লগত পৰি তাচপাত খেলাৰ কথা গম পায়, বৰদোৱানীয়ে লক্ষ্যক সৌকাৰে কোবাই গুৰুলাগুৰুল কৰিছে, লক্ষ্যৰ ওখহা মুখ-হাত-ভৰি দেখা পাই ৰেণুমাই খঙত জ্বলি-পকি উঠিছে। মাতৃ হৃদয়ৰ মমতাত তেনে হোৱাটো স্বাভাৱিক। লক্ষ্যক মৰাৰ কাৰণ হিচাপে পুণ্যধৰে ৰেণুমাইক লক্ষ্যই নপঢ়া কথাটো বুলিহে কৈছিল। কেৱল নপঢ়ি ঘূৰি ফুৰাৰ কাৰণে ইমানকৈ প্ৰহাৰ কৰি পিছত লক্ষ্যক পুণ্যধৰৰ লগত পামৰ ঘৰলৈ পঠিয়াই দিয়াত ৰেণুমাইৰ ধৈৰ্য্যচ্যুতি ঘটিছে। তাই হিতাহিতজ্ঞান হেৰুৱাই কঠোৰ ভাষাৰে বৰদোৱানীক গালি পাৰিছে—

"ঃ কেনে মৰম চেনেহ অ', কিতাপ নপঢ়োঁতেই এনেকৈ মৰিয়াই শেষ কৰিছে ঔ মোৰ ল'ৰাটো! সতিনী ঐ, দেখুৱাই দিলি, আঁহ ফালি ফাঁহ ফাঁহকৈ দেখুৱাই দিলি সতিনীৰ পো বুলি। নিজৰ মানুহটোক বইচ্ কৰিবলৈকেহে ইমান দিনে এইখন চং ধৰি দেখুৱাইছিলি অ'। বাঁজী, কাঠবাঁজী তই, তোৰ কোঠৰ অন্তৰ দেৱতায়ো চিনিব নোৱাৰে অ' গোটেই গা ফালি পেলাইছে তাৰ। আহ আহ ঐ ৰাক্ষসী, মোকো খাহি আহ। আহ্ আহ্...।"[১৫]

আচলতে ৰেণুমাইৰ অৱচেতন মনত বৰদোৱানীৰ প্ৰতি এই ভাববোৰ আছিলেই। কেৱল লক্ষ্যক বেয়াকৈ মাৰধৰ কৰাৰ অচিলা লৈ সেই ক্ষোভৰ উদ্গীৰণ ঘটিছে। ঔপন্যাসিকে ৰেণুমাইৰ চৰিত্ৰৰ এই দিশটোও অংকিত কৰিছে।

কিন্তু সেয়া হ'লেও এই কথাবোৰৰ জৰিয়তে এগৰাকী মাতৃ হিচাপে নিজৰ সন্তানৰ প্ৰতি থকা অকৃত্ৰিম মৰমো ব্যক্ত হৈছে। এই মৰম আৰু মমতাৰ বাবেই তাই নক'বলগীয়া কথা কৈ পেলাইছে যদিও পিছত প্ৰকৃত সত্য গম পাই লক্ষ্যক পুনৰ বৰদোৱানীৰ ওচৰলৈ পঠিয়াওঁতে তাই বাধা প্ৰদান কৰা নাই।

শেহতীয়াকৈ হ'লেও তাই নিজৰ সন্তান জন্মৰ খাতিৰতে হওক বা নিজৰ গাভৰু দেহাৰ কাৰণেই হওক পুণ্যধৰৰ মৰম-আদৰ পাবলৈ আৰম্ভ কৰিছে যদিও ৰেণুৰ এই সুখ দীৰ্ঘস্থায়ী নহ'ল। কাৰণ ডকাইতৰ হাতত লক্ষ্যৰ অকাল মৃত্য আৰু পুণ্যধৰৰ মৃত্যুৰ যন্ত্ৰণাত ৰেণুমাইৰ মগজুৰ বিকৃতি ঘটে। যি বৰদোৱানীক এদিন তাই 'সতিনী' আৰু 'ৰাক্ষসী' বুলি অপবাদ

দিছিল, পুনৰ সেই বৰদোৱানীৰ ওপৰতে তাই নিৰ্ভৰশীল হ'ব লগা হ'ল।

কেৱল সন্তান লাভৰ আশাত পুণ্যধৰ ৰেণুমাইৰ কাষ চাপিছিল। তাৰ বাহিৰে পুণ্যধৰৰ বুকু ভৰি আছিল কেৱল বৰদোৱানী আৰু বৰদোৱানী। দৰিদ্ৰৰ ঘৰৰ জীয়ৰী হোৱাৰ কাৰণেই তাই সদায় নিশ্চুপ হৈ ৰয়। তাই কি বিচাৰে কি নিবিচাৰে এইবিলাকৰ প্ৰতি কাৰো গুৰুত্ব থকা পৰিলক্ষিত নহয়। এইক্ষেত্ৰত অৱশ্যে বৰদোৱানীৰ ভূমিকা সুকীয়া। **কেৱল সন্তান জন্ম দিব লাগে আৰু পুণ্যধৰৰ বংশ আগবঢ়াই নিব লাগে, এইখিনিতে ৰেণুমাইৰ সীমাবদ্ধতা। ৰেণু নিৰ্দোষী হ'লেও সময়, সমাজ আৰু পৰিস্থিতিৰ চাকনৈয়াত তাই অনেক যন্ত্ৰণা পায়।**

ঔপন্যাসিকে ৰেণুক এক পৰম্পৰাবাদী নাৰী হিচাপেই উপস্থাপন কৰিছে যদিও কোনো প্ৰতিবাদী কণ্ঠ নাই। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত শিৰনত কৰি পুণ্যধৰে যি কৈছে তাকেই তাই শুনি গৈছে, কৰি গৈছে। নিজস্ব বুলিবলৈ একো নাই। বৰদোৱানীৰ চৰিত্ৰত যিদৰে ঔপন্যাসিকে প্ৰতিবাদী কণ্ঠ দিছে, সাহসী ব্যক্তিত্ব দিছে; ইয়াৰ বিপৰীতে ৰেণুমাই ইয়াত নিচেই সাধাৰণ অবলা গাঁৱলীয়া নাৰী। যাক পুণ্যধৰে নিজৰ মতে চলাই নিছে।

সেয়ে হ'লেও নাৰী হিচাপে স্বামীৰ প্ৰতি থাকিবলগীয়া সকলো দায়িত্ব-কৰ্তব্য তাই নিয়াৰিকৈ পালন কৰিছে, সতি-সন্তান জন্ম দি সিহঁতক ডাঙৰ-দীঘল কৰাতো যত্নপৰ হৈছে। মাতৃ হিচাপে নিজৰ সন্তানৰ প্ৰতি থকা মমতাও উপন্যাসখনিৰ মাজে মাজে বৰ্ণিত হৈছে। ৰেণুমাইৰ জীৱনত সমস্যা আছে, দুখো আছে। ৰেণুমাইৰ ব্যক্তি স্বাধীনতাক ইয়াত গুৰুত্ব দিয়া হোৱা নাই। ইয়াত ৰেণুমাইৰ আৱেগ-অনুভূতিক কোনো মূল্য নিদি কেৱল সন্তান জন্ম দিয়া আৰু পালন কৰা সামগ্ৰী হিচাপে, লগতে দৈহিক কামনা চৰিতাৰ্থ কৰা মাধ্যম হিচাপেহে বিবেচনা কৰা হৈছে। কিন্তু সেয়ে হ'লেও ৰেণুমায়ে যিখিনি পাইছে সেইখিনিতে সন্তুষ্টি প্ৰকাশ কৰিছে। কেতিয়াও নিজৰ অধিকাৰ বিচাৰি চিঞৰ-বাখৰ বা দন-হাই কৰা তাইক দেখা পোৱা নগ'ল। বৰদোৱানীয়ে কেতিয়াবা নিজৰ বিৰুদ্ধে হোৱা অন্যায়ৰ ফুটাই বিৰোধিতা কৰিছে, কেতিয়াবা মৌনতাৰে প্ৰতিবাদ কৰিছে। কিন্তু ৰেণুমাইৰ চৰিত্ৰত এইবোৰ বিশিষ্টতা পৰিলক্ষিত হোৱা নাই। **ৰেণুমাইৰ চৰিত্ৰত মাতৃত্বৰ দায়িত্ব আৰু কৰ্তব্যবোধ আদি নাৰীসুলভ গুণসমূহৰ প্ৰকাশ ঘটিছে। এই চৰিত্ৰটি দুৰ্বল, নিষ্প্ৰভ আৰু বৈচিত্ৰ্যহীন হ'লেও ঔপন্যাসিকে ৰেণুমাইক মানৱীয়তাৰ ভেটিত এক প্ৰত্যয়শীল চৰিত্ৰৰ ৰূপত গঢ় দিছে।**

ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্যই 'বৰদোৱানী' উপন্যাসখনত বৰদোৱানী চৰিত্ৰকে মুখ্য হিচাপে লৈ তেওঁৰ ছত্ৰছায়াতে আন চৰিত্ৰসমূহৰ সৃষ্টি কৰিছে। উপন্যাসখনিত বৰদোৱানীৰ নিজৰ সংসাৰৰ প্ৰতি থকা দায়বদ্ধতা সমুজ্জ্বলভাৱে প্ৰকাশ পাইছে। এই চৰিত্ৰটিৰ জৰিয়তে নাৰীসুলভ মানৱীয়তা আৰু স্বতন্ত্ৰতাৰ দিশকো ৰেখাপাত কৰা হৈছে। ভট্টাচাৰ্যৰ আন উপন্যাসবোৰৰ দৰেই এই উপন্যাসতো নাৰী মনস্তত্ত্বৰ সাৱলীল প্ৰকাশ ঘটিছে।

ঔপন্যাসিকে বৰদোৱানীৰ সমানে সমানেই পুণ্যধৰকো গুৰুত্ব প্ৰদান কৰিছে। পত্নী বৰদোৱানীক লৈ পুণ্যধৰ যথেষ্ট সুখী আছিল। তাৰ হৃদয়-মন সদায় বৰদোৱানীময়। কিন্তু বৰদোৱানীয়ে এটি সন্তান দি বংশ ৰক্ষা কৰিব নোৱাৰাৰ কাৰণেই সকলোৱে বুজনিত আনকি বৰদোৱানীৰো বুজনিত সি ৰেণুমাইক বিয়া কৰায় যদিও অসহায় শিশুৰ দৰে সি বৰদোৱানীৰ ওচৰলৈ বাৰে বাৰে যায়। উপন্যাসখনিত পুণ্যধৰ চৰিত্ৰটোৱে প্ৰাধান্য পালেও আমাৰ গৱেষণাত কেৱল নাৰীচেতনাৰ দিশটোহে আলোচ্য বিষয় হোৱা হেতুকে এই চৰিত্ৰটিৰ আলোচনাৰ পৰা বিৰত থকা হ'ল।

উপন্যাসখনিত ঔপন্যাসিকে নগাঁৱৰ ঐতিহ্যমণ্ডিত বৰদোৱা অঞ্চলৰ আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক মূল্যবোধক তুলি ধৰিছে। ইয়াৰ উপৰি নৱপ্ৰজন্মৰ মূল্যবোধৰ অৱক্ষয়, নতুন নতুন সামাজিক আৰু ৰাজনৈতিক শক্তিবোৰৰ আগমনৰ ইংগিত উপন্যাসখনত পোৱা যায়।

'বৰদোৱানী' উপন্যাসৰ 'বৰদোৱানী'— এই প্ৰধান নাৰী চৰিত্ৰটিক ঔপন্যাসিকে মানৱতাৰ এক অনন্য প্ৰতিভূৰ ৰূপত উপস্থাপন কৰিছে। সেয়েহে জীৱন যাত্ৰাত অশেষ দুখ-ক্লেশৰ সন্মুখীন হৈও বৰদোৱানীয়ে সকলোৰে মংগল হোৱাটোকে কামনা কৰে—

"...সকলো ফালেই যেন মংগলময় হওক। বাৰীৰ ঢিপটো খালী হৈ যাওক। লক্ষ্যৰ ভৰিখনে শুকনি ধৰক। বাটেৰে ৰাতি চিঞৰি যোৱাকেইটা স্থিৰ হওক, শান্ত হওক। পাখৰীৰ দুঃচিন্তাৰ পৰা হৰিপ্ৰভা মুক্ত হওক আৰু লগতে তাই অজিতৰ সৰ্বকল্যাণময় মতি-গতিৰ কাৰণেও শৰাইখন আগবঢ়ালে।"[১৬]

এক বলিষ্ঠ নাৰীসত্তা ৰূপে 'বৰদোৱানী'ৰ চৰিত্ৰক ঔপন্যাসিকে উপন্যাসখনিত অংকিত কৰিছে। বৰদোৱানী জীৱনৰ সকলো দুখ-বেজাৰ অতিক্ৰম কৰা এক বাস্তৱ নাৰীসত্তা। তেওঁৰ চৰিত্ৰৰ জৰিয়তে মানৱতা আৰু উদাৰতাৰ জয়গান গোৱা হৈছে।

'বৰদোৱানী'— এক জীৱিত চৰিত্ৰ। ঔপন্যাসিকে নিজেই লিখিছে— "ককাদেউতাৰ ঘৰত

খোজকঢ়া মনতেই নপৰে, দৌৰি ফুৰিছিলোঁ। দৌৰি দৌৰিয়েই ৰৈ গৈছিলোঁ এদিন। আগবাৰাণ্ডাৰ আৰামী চকীত বহি চোতালৰ মানুহ এহালৰ গোচৰ শুনি আছিল ককাদেউতাই। মানুহহালৰ পৰস্পৰৰ প্ৰতি অভিযোগ আছিল। তেওঁলোক আছিল স্বামী-স্ত্ৰী। বৰদোৱানী আৰু পুণ্যধৰ।

অন্য এদিনৰ কথা। চুবুৰিৰ ইঘৰ-সিঘৰকৈ পাৰ হৈ কেইবাঘৰৰো চোতালেৰে দৌৰাদৌৰি কৰি থকাৰ মাজতে অকস্মাতে ৰৈ গৈছিলো মই। এঘৰৰ বৰঘৰৰ বাৰাণ্ডাৰ হাতলভঙা দীঘলীয়া বেঞ্চিত অন্য এক নাৰীৰ কাষত নিবিড়ভাৱে বহি আছিল পুণ্যধৰ। হয়, সেয়া পুণ্যধৰেই আছিল। কাষত আছিল তেওঁৰ অন্য এক স্ত্ৰী ৰেণুমাই।”[১৭]

**এনেদৰেই গোটেই উপন্যাসখনিতে বৰদোৱানী, পুণ্যধৰ আৰু ৰেণুমাইৰ ত্ৰিকোণ অৱস্থিতি লক্ষ্য কৰা যায় যদিও বৰদোৱানীয়ে হৈছে ইয়াৰ কেন্দ্ৰীয় চৰিত্ৰ। বৰদোৱানীৰ মনৰ গোপন বেদনা আৰু সাহসৰ লগতে বাস্তৱৰ সৈতে মুখামুখি হ'ব পৰা ধৈৰ্যশীল আৰু সহনশীল গুণটোৱে এই চৰিত্ৰটিক এক অনন্য মাত্ৰা দিছে। নাৰী মনস্তত্ত্বক প্ৰাধান্য দিয়া মণিকুন্তলা ভট্টাচাৰ্যৰ এই 'বৰদোৱানী' উপন্যাসখনক এগৰাকী বন্ধ্যা গাঁৱলীয়া নাৰীৰ মৰ্মান্তিক জীৱন-পৰিচৰ্যাৰ জীৱন্ত দলিল বুলি আখ্যা দিব পাৰি।** বৰদোৱানীৰ মনৰ গোপন ব্যথাৰ বৰ্ণনাৰ জৰিয়তে ঔপন্যাসিকে প্ৰতিগৰাকী বন্ধ্যা নাৰীৰ মৰ্মন্তুদ বেদনাৰ প্ৰকাশ ঘটোৱাৰ লগতে কেৱল সন্তান এটা জন্ম দিব নোৱাৰাৰ কাৰণেই নিজৰ প্ৰিয় পুৰুষে আন এগৰাকী নাৰীক বিয়া কৰোৱাৰ পিছত বন্ধ্যা নাৰীৰ যি হা-হুমুনিয়াহ সেয়া উপন্যাসখনিৰ পাতে পাতে বিৰাজমান।

**'অৰুন্ধতী' উপন্যাসত প্ৰতিফলিত নাৰীচেতনা ঃ**

বিশেষকৈ নাৰী মনস্তত্ত্বক প্ৰাধান্য দি উপন্যাস ৰচোঁতা মণিকুন্তলা ভট্টাচাৰ্যৰ **'অৰুন্ধতী'** তেওঁৰ এখন এই বিষয়ক বিশিষ্ট উপন্যাস। উপন্যাসখন ২০০৫ চনত প্ৰকাশিত হৈছিল। উল্লেখযোগ্য যে **'অৰুন্ধতী' মণিকুন্তলা ভট্টাচাৰ্যৰ প্ৰথম উপন্যাস। 'অনন্যা' নামৰ এটি নাৰী চৰিত্ৰক কেন্দ্ৰ কৰি এই উপন্যাসখন ৰচিত হৈছে।** ঔপন্যাসিকে এই উপন্যাসখনিৰ চতুৰ্থ সংস্কৰণৰ পাতনিত লিখিছে—

“জীৱনত মুখামুখি হোৱা অনেক চৰিত্ৰৰে এই উপন্যাস সমৃদ্ধ। মানুহৰ ভিতৰত নিৰন্তৰে উচুপি থকা হৃদয় নামৰ ৰহস্যময় খণ্ডলৈ প্ৰেমৰ লণ্ঠন দাঙি আগুৱাই যোৱাৰ সেয়া আছিল কুমলীয়া প্ৰচেষ্টা মাথোন।”[১৮]

'অনন্যা' এই মুখ্য নাৰী চৰিত্ৰটোক মূলাধাৰ হিচাপে লৈ উপন্যাসখনৰ কাহিনীভাগে গতি লাভ কৰিছে। ইয়াত অনন্যাৰ বিদ্ৰোহাত্মক চিন্তাধাৰাৰ বলিষ্ঠ ইংগিত পৰিলক্ষিত হৈছে। **ইয়াত অনন্যাই পৰম্পৰাবাদী নাৰী হৈও পৰম্পৰাৰ বান্ধোন ছিঙি নিজকে স্বাধীনতাকামী নাৰীৰ ৰূপত গঢ় দি তুলিছে।** এগৰাকী আই. পি. এছ বিষয়াৰ পত্নী হোৱা সত্ত্বেও, বাহিৰৰপৰা দেখাত অনন্যাৰ জীৱন সুখ-সমৃদ্ধিৰে ভৰপূৰ হোৱাৰ পিছতো অনন্যা ভিতৰৰপৰা কোনোদিন সুখী হোৱা নাছিল। পৰৱৰ্তী সময়ত নিজকে সন্তান জন্ম দিয়াৰ বাবে অনুপযুক্ত বুলি গম পাই আৰু স্বামীয়ে **'কাঠবাঁজী'** বুলি তিৰস্কাৰ কৰাৰ পিছত তাই আদালতৰ দ্বাৰস্থ হৈ স্বামীগৃহ ত্যাগ কৰিছে চিৰদিনৰ বাবে। তাই বিদ্ৰোহিনীৰ ৰূপ লৈছিল, নিজৰ বিৰুদ্ধে মদ্যপান আৰু নিদ্ৰাৰ বাবে খোৱা এলজোলাম টেবলেটে লাহে লাহে অনন্যাক নিয়ন্ত্ৰণ কৰিবলৈ লৈছিল। ইয়াৰ মাজতে স্বামীৰ দ্বিতীয় বিবাহৰ খবৰ, সন্তান জন্মৰ বাতৰি এইবোৰেও তাইক ব্যতিব্যস্ত কৰি তুলিছিল।

উপন্যাসখনিৰ মাজে মাজে বহুকেইটা পুৰুষ চৰিত্ৰৰ আগমন ঘটিছে, যিবোৰে অনন্যাৰ ব্যক্তিত্বত মুগ্ধ হৈ প্ৰণয়প্ৰাৰ্থী হৈ পৰিছিল। কিন্তু সেইবোৰৰ মাজত অনন্যাৰ সপোনৰ পুৰুষজন নাছিল। এদিন তাই সপোনৰ ৰাজকুমাৰজন বিচাৰি পাইছিল আৰু তেওঁৰ হাতত ধৰি দ্বিতীয়বাৰৰ বাবে বিবাহপাশত আবদ্ধ হৈ পৰিছিল। কাৰণ 'হৃদয়'ৰ দৰে এজন সাহসী আৰু শক্তিশালী স্বামীকে ইমানদিনে তাই বিচাৰি ফুৰিছিল। তথাপি তাৰ মাজতো কুমাৰ চাহাবৰ মৃত্যুৱে তাইক দুখ দিছিল। উপন্যাসখনিৰ একেবাৰে শেষৰফালে প্ৰৌঢ়া অৱস্থাপ্ৰাপ্ত অনন্যাৰ এক জটিল মানসিক পৰিস্থিতিৰ কথা উনুকিওৱা হৈছে, য'ত অনন্যাই প্ৰাপ্তি-অপ্ৰাপ্তিৰ হিচাপত মগ্ন হৈ উঠিছে।

**অনন্যাক ঔপন্যাসিকে এক বিচিত্ৰ নাৰী চৰিত্ৰৰ ৰূপত অংকন কৰিছে। সকলোবোৰ পোৱাৰ পিছতো কিবা এটা নোপোৱাৰ দুখে অনন্যাক অহৰহ খেদি ফুৰিছে।** ঔপন্যাসিকে অনন্যাৰ অন্তৰৰ প্ৰতিটো সূক্ষ্ম অনুভূতিক শব্দৰ জৰিয়তে প্ৰকাশ কৰিছে। ঔপন্যাসিকে হৃদয়স্পৰ্শী বৰ্ণনাৰে সকলোৰে হৃদয় স্পৰ্শ কৰি গৈছে। বহু হতাশাৰ মাজতো দৃঢ়তাৰে খোজ আগবঢ়োৱা 'অনন্যা' এক আকৰ্ষণীয় চৰিত্ৰ। স্বামীৰ লগত বিচ্ছেদ হোৱাৰ পিছত নানান সংঘাতেৰে পৰিপূৰ্ণ জীৱন কটালেও তাই আশা কৰে তাইৰ স্বামী কুশলে থাকক। বিচ্ছেদিত জীৱনতো শিৰত দীঘলকৈ সেন্দূৰ লৈ স্বামীৰ প্ৰতি থকা অকুণ্ঠ ভালপোৱাখিনি প্ৰকাশ কৰে। বাৰে বাৰে প্ৰতাৰিত হোৱা সত্ত্বেও অনন্যাই পুনৰ

স্বামীৰ লগত সহবাস কৰাৰ আশা ৰাখে, অথচ তেওঁৰ স্বামীৰ পত্নীৰ প্ৰতি কোনো দায়িত্বই নাই। তেওঁ এজন ক্ষমতাশালী অথচ মদাহী আৰক্ষী বিষয়া। ভাৰতীয় পৰম্পৰাৰ দোহাই দি অনন্যাই সাধাৰণ নাৰীৰ দৰেই স্বামীৰ ওচৰত আত্মসমৰ্পণ কৰিছে।

**উপন্যাসখনিত অনন্যাৰ গভীৰ, উদাৰ আৰু বিশাল জীৱনবোধৰ কথা ব্যক্ত হৈছে।** এগৰাকী নিঃসন্তান অকলশৰীয়া নাৰীৰ জীৱন অতিশয় কষ্টকৰ। মদপী আৰু দায়িত্বজ্ঞানহীন স্বামীৰ ওচৰত যে তাইৰ কোনো নিৰাপত্তা নাই সেয়া তাই বুজি উঠিছে। আনকি এটি সন্তানৰ কাৰণে স্বামীৰপৰা যি অলপ সহায়-সহানুভূতি আশা কৰিছিল তাৰ বিপৰীতে স্বামীৰ কঠোৰ বাক্যবাণ আৰু ককৰ্থনাতহে অনন্যা জুৰুলা হৈছিল। কিন্তু সেয়ে হ'লেও আইনী বিচ্ছেদৰ সময়ছোৱাত স্বামী কাৰ্যভাৰত সংকটৰ সন্মুখীন হোৱাত স্বামীক সাহস দিবলৈ অনন্যা গৈছে। আইনী নিয়ম উলংঘা কৰি স্বামীৰ লগত একেখন বিছনাতে শুইছে। কিন্তু ইমানতো অনন্যাৰ স্বামীৰ দম্ভ, অহংকাৰ শেষ হোৱা নাই। স্বামীৰ ক্ষমতা আৰু ধনৰ অহংকাৰৰ নৈত অনন্যা উটি যাব নোৱাৰিলে। তাই শক্তিশালী ৰূপ লৈ পুনৰ ঘূৰি আহিল তাইৰ একাকী জীৱনলৈ। য'ত তাইৰ সাৰথি হ'ল এলজোলামৰ দৰে নিদ্ৰা বৃদ্ধিকাৰী টেবলেট।

উপন্যাসখনিত অনন্যাৰ উপৰি অনন্যাৰ মাক, মাহীয়েক আদি চৰিত্ৰৰো ভূমিকা আছে। পুৰুষ চৰিত্ৰৰ ভিতৰত অনন্যাৰ স্বামী, বিজয় কুমাৰ, মেজৰ খোৱাণা, কুমাৰ চাহাবেই প্ৰধান। অনেক পাৰ্শ্ব চৰিত্ৰ থাকিলেও 'অনন্যা' চৰিত্ৰটি এক অনন্য চৰিত্ৰ। **অনন্যাই নিজকে 'অৰুন্ধতী'ৰ লগত তুলনা কৰিছে। বশিষ্ঠৰ পত্নী অৰুন্ধতী; যি নিজৰ সতীত্বৰ বলেৰে স্বামীৰ কাষত সদায় ৰৈ থাকিবলৈ সক্ষম হৈছিল।** পাৰিবাৰিক জীৱনৰ বহু ঘাত-প্ৰতিঘাতৰ পিছতো তাই আসুৰিক স্বামীক সংগ দিছিল পতিব্ৰতা গুণৰ কাৰণেই। নিজৰ সতীত্বৰ বাবেই বিচ্ছেদৰ পিছতো স্বামীৰ অনুপস্থিতিত অনন্যা ছট্‌ফটাই ফুৰিছিল।

ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্যই চৰম হতাশা আৰু দুখবোধত ভুগিবলৈ আৰম্ভ কৰা অনন্যাই কিদৰে পুনৰ বিবাহপাশত আবদ্ধ হৈ নতুন জীৱনৰ পাতনি মেলি মনত আশাৰ পোহৰ পুহিছে সেই কথাও বিবৃত হৈছে। উপন্যাসখনিত অনন্যাৰ লগতে অনন্যাৰ মাক আৰু মাহীয়েকৰ চৰিত্ৰৰ যোগেদিও নাৰীচেতনাৰ বহুবোৰ দিশ প্ৰতিফলিত হৈছে। **এই উপন্যাসখনিত নাৰীমুক্তি আৰু নাৰী স্বাধীনতাৰ ইংগিত আছে। হৃদয়ৰ অব্যক্ত বেদনাৰ তমসাত অনন্যাই বহুতো বিনিদ্ৰ ৰজনী**

**পাৰ কৰিছে। স্বামীৰ মানসিক আৰু শাৰীৰিক অত্যাচাৰত অতিষ্ঠ হৈ অনন্যাই বিবাহৰ বান্ধোন ছিঙি আগবাঢ়ি গৈছে নতুনৰ দিশলৈ।** বহুতো জটিল পৰিস্থিতিত অনন্যাই নিজৰ খোপনি হেৰুৱাই উটি-ভাহি যোৱা নাই। নিজৰ বিচাৰ-বিবেচনাৰে উচিত বুলি ভবা কামতহে তাই হাত উজান দিছে, কিন্তু প্ৰতিফলস্বৰূপে তাই সদায় দুখকহে সাবটি ল'বলৈ বাধ্য হৈ পৰিছে। তথাপি তাই স্থবিৰ হৈ ৰৈছে।

**'অৰুন্ধতী' উপন্যাসৰ 'অনন্যা' চৰিত্ৰত প্ৰতিফলিত নাৰীচেতনা**

**মণিকুন্তলা ভট্টাচাৰ্যই 'অনন্যা'ৰ চৰিত্ৰক 'অৰুন্ধতী'ৰ ৰূপত অংকন কৰিছে। 'অৰুন্ধতী' হ'ল বশিষ্ঠ ঋষিৰ পতিব্ৰতা স্ত্ৰী, যি সপ্তৰ্ষি মণ্ডলৰ কাষতে এটি উজ্জ্বল তৰা হৈ মহাসতী ৰূপে নিজৰ অস্তিত্ব ঘোষণা কৰি ৰৈছে।**

"Arundhati (Sanskrit : अरुन्धती, IAST : Arundhati) is the wife of the sage Vasistha, one of the seven sages (Saptarshi) who are identified with the Ursa Major. She is identified with the morning star and also with the star Alcor which forms a double star with Mizar (identified as Vasista Maharshi) is Ursa Major. Arundhati, though the wife of one of the seven seers, is accorded the same status as the seven seers and worshipped with them as such. In the Vedic and Puranic literature, she is regarded as the epitome of chastity, conjugal bliss and wifely devotion. In post-puranic epic poems in Sanskrit and Hindi, she has been described as "Chaste and revered" and with a character that is "unblemished, inspiring and worthy of imitation." In the Hindu Culture, there are several beliefs, practices and traditions centred on Arundhati including a ritual in the marriage ceremony after the saptapadi, a fast, a belief about imminent death, and a maxim."[১৯]

বিয়াৰ প্ৰথম নিশাই যেতিয়া অনন্যাক আকাশৰ উজ্জ্বল এটি তৰা অৰুন্ধতীলৈ আঙুলিয়াই দেখুওৱা হৈছিল, সেইদিনাই কইনাৰ ওৰণি দাঙি সতীত্বৰ মহান গাথাৰে পুষ্ট অৰুন্ধতী হ'বলৈ তাই সংকল্পবদ্ধ হৈছিল। হাজাৰ ঘাত-প্ৰতিঘাতৰ মাজতো তাই অৰুন্ধতী হৈ ৰৈছিল; মহাসতী অৰুন্ধতী।

অনন্যা ধনী দেউতাকৰ একমাত্ৰ জীয়ৰী আছিল, যাক বিবাহৰ উপযুক্ত বয়সত ঘৰৰ লগত খাপ খোৱা মৰ্যাদাৰ আই. পি. এছ. বিষয়া এজনৰ লগত বিবাহপাশত আবদ্ধ কৰি দিয়া হৈছিল। স্বামীগৃহত তাইৰ একোৰে অভাৱ নাছিল। পৰম্পৰাবাদী এগৰাকী নাৰীৰ দৰেই তাই গিৰিয়েকৰ লগত চাকৰিৰ তাগিদাত অসমৰ বিভিন্ন ঠাইত বসতি কৰিছিল। স্বামীৰ প্ৰতি থকা সকলো দায়িত্ব-কৰ্তব্য নিয়াৰিকৈ পালন কৰিছিল। কিন্তু মদ্যপায়ী স্বামীয়ে তাইৰ এই মৰম-আদৰক কোনোদিনেই সন্মান জনোৱা নাছিল। যিকোনো মুহূৰ্ততে তৃতীয় ব্যক্তিৰ উপস্থিতিতো তাইক হাত উঠাইছিল। কঁকালৰ বেল্ট খুলি গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰিছিল। তাইৰ জীৱনটো বিষবাষ্পলৈ পৰিণত হৈছিল।

**অনন্যাৰ চৰিত্ৰত প্ৰথম নাৰীচেতনাৰ উঁহ পোৱা যায় তাইৰ পিতৃপ্ৰেমৰ জৰিয়তে।** পিতাকৰ মৃত্যুৰ পিছত অনন্যা নিচেই হতাশ হৈ পৰিছিল। তাই দেউতাকৰ সৈতে একান্তভাৱেই নিবিড় আছিল। পিতাক জীয়াই থাকোঁতে আগতে বহুদিনৰ বাবে ঘৰ এৰি ক'ৰবালৈ গ'লে অনন্যাই পিতাকৰ কামিজ শুঙি চাইছিল, পিতাকৰ গাৰুটোত নিজে শুই তেওঁৰ শৰীৰৰ গোন্ধ উপলব্ধি কৰিব খুজিছিল। তাই পিতাকৰ সৈতে ইমান নিবিড় আছিল যে তাইক দৰাৰ সৈতে কলৰ তলত আগবঢ়াই দিওঁতে যিখন ৰুমালেৰে পিতাকে চকুলো মচি দিছিল, সেইখনো তাই সযতনে সামৰি ৰাখিছিল। ঘৰলৈ মনত পৰাৰ সময়ত সেইখন উলিয়াই দুচকু মুদি বহু সময় ৰুমালখন শুঙি ৰৈছিল।

ঔপন্যাসিকে 'অৰুন্ধতী'ত খুব কৌশলেৰে সাহিত্য সভাৰ সভাপতিজনৰ জৰিয়তে নাৰীৰ পিতৃপ্ৰেমৰ বিষয়ে ছিগমাণ্ড ফ্ৰয়েডে দিয়া মন্তব্যখিনিৰ সাধাৰণ বৰ্ণনা দাঙি ধৰিছে।

"...ফ্ৰয়েডে কৈছিল; নাৰীৰ জীৱনৰ প্ৰথম পুৰুষ তেওঁৰ পিতাক। সৰুৰেপৰা পিতাকৰ সান্নিধ্যত ডাঙৰ হোৱা ছোৱালীয়ে বিয়াৰ পিছৰ সময়ত সেই সান্নিধ্য হেৰুৱাই অৱচেতন মনতে নিঃসংগতাত ভোগে। সেয়েহে স্বামীৰপৰা প্ৰেমস্পৰ্শ পোৱাৰ উপৰি পিতাকৰ দৰে নিৰাপত্তা আৰু স্নেহৰ ছাত্ৰছায়া বিচাৰে। যি নাৰী সেইবোৰৰপৰা বঞ্চিত হয়, তেওঁলোকেই হাহাকাৰৰ মাজেৰে স্বামীৰ প্ৰতি কেৱল উৎসাহবিহীন কৰ্তব্যবোধেৰেহে জীৱন-যাপন কৰিবলগা হয়। তথাপি মনৰ মাজত এটি ক্ষীণ আশা থাকে দূৰৈৰপৰা হ'লেও পিতাকৰ ছত্ৰছায়াৰ অনুমান কৰিব পৰা। কিন্তু যেতিয়া এদিন পিতাকৰো মৃত্যু ঘটে, তেতিয়াই সেই নাৰী চিকাৰ হয় স্নায়ৱিক আৰু মানসিক ৰোগৰ। আনকি

হেভলক এলিচেও 'ছাইক'লজী অৱ ছেক্স'ত পিতাকৰ প্ৰতি অত্যধিক স্নেহ থকা নাৰীৰ বিষয়ে এনেকুৱাই এষাৰ কথা কোৱা মোৰ মনত পৰিছে। শৈশৱৰ বিভিন্ন কাম্য বস্তুৰ মাজতেই সেই নাৰীৰ বিবাহৰ পিছৰ যৌন সম্পৰ্কও আবদ্ধ হৈ ৰৈ যায়। যৌন সংগমৰ মাজেৰেই তেওঁ বিচাৰে শৈশৱত পিতৃয়ে প্ৰদান কৰাৰ দৰেই আশ্বাস, যতন আৰু স্নেহমিশ্ৰিত নিৰাপত্তা। কিন্তু যেতিয়া স্বামীৰ মাজত যান্ত্ৰিকতাৰ বাহিৰে আৰু একোকে বিচাৰি নাপায়, তেতিয়াই তেওঁ অৱদমিত কৰাৰ চেষ্টা কৰে নিজৰ আকাংক্ষিত যৌন চেতনাকো। তেতিয়াই সেই নাৰী নিজৰ অজ্ঞাতেই দুখী হৈ পৰে; হৈ পৰে নিঃসংগ, নিৰ্বিকাৰ।"[২০]

বাস্তৱ ক্ষেত্ৰত অনন্যাৰ জীৱনতো এয়াই ঘটা দেখা যায়। পিতৃৰপৰা পোৱা নিৰাপত্তাজনিত আশ্ৰয় তাই স্বামীৰপৰা কোনোদিন নাপালে। ফলশ্ৰুতিত তাই অত্যন্ত হতাশাত ভুগি ভাবুক হৈ পৰিল। পিতৃৰ প্ৰতি থকা অনন্যাৰ স্বাভাৱিক ভালপোৱাই এগৰাকী নাৰী হিচাপে তাইৰ মনত পিতাকৰ প্ৰতি থকা অশেষ শ্ৰদ্ধা-ভক্তিৰ দিশটোক ৰেখাপাত কৰিছে। সেয়েহে পিতাকৰ আকস্মিক মৃত্যুত তাই অতিশয় আঘাত পাইছে। তাই মালা পিন্ধি, সন্মুখত ধূপ-দীপৰ শ্ৰদ্ধা লৈ হাঁহি থকা পিতাকৰ মুখখন সেয়ে সহ্য কৰিব পৰা নাই। কাৰণ তাইৰ মৰমৰ পিতাক তাই বিচাৰিব পৰা দূৰত্বৰ পৰা বহু দূৰলৈ গুচি গৈছে, য'ৰপৰা তাই হাজাৰ বিচাৰিলেও পিতাক আৰু উভতি আহিব নোৱাৰে। পিতৃৰপৰা পোৱা স্নেহ, নিৰাপত্তা আৰু শুভচিন্তাৰ সান্নিধ্য বিচাৰি তাই সকলো দিশে চাইছিল। কিন্তু শূন্যতাৰ বাহিৰে তাই একোৰেই বিচাৰি পোৱা নাছিল। স্বামীৰ মাজত পিতৃৰ স্পৰ্শ বিচাৰিও তাই হাহাকাৰৰহে সন্মুখীন হৈছিল।

"ক'ত গ'ল মোৰ পিতা? জন্মৰপৰা মোৰ বিবাহোত্তৰ কাললৈকে তেওঁৰ যি ছত্ৰছায়া লভিলোঁ, তাকেই সুঁৱৰি কেনেকৈ কটাওঁ এই সুদীৰ্ঘ জীৱন?

ইমান হাহাকাৰ, ইমান যন্ত্ৰণা যে বুকুখন কাৰোবাক দেখুৱাবলৈকে মই ছটফটাই ৰৈছিলোঁ। কোনো অন্তৰংগ বন্ধু-বান্ধৱীৰ মুখ মনলৈ অহা নাছিল। কেতিয়াবা নিশাৰ অন্ধকাৰত, অন্তৰংগতাৰে বিছনাতে খেপিয়াব খুজিছিলোঁ স্বামীৰ হাত। কিন্তু সকলোতে যেন হাহাকাৰৰ প্ৰতিধ্বনিহে বাজিছিল।"[২১]

পিতৃৰ প্ৰতি থকা অজস্ৰ ভালপোৱা অনন্যাৰ নাৰীচেতনাৰ এটা উল্লেখযোগ্য দিশ।

**অনন্যাৰ পৰম্পৰাবাদী নাৰীৰ ৰূপটোও উপন্যাসখনিত বিবৃত হৈছে। তাই অৰুন্ধতী হ'ব খোজে। মহাসতী অৰুন্ধতী। সেয়েহে আৰক্ষী স্বামীয়ে তাইক মানসিক অত্যাচাৰ কৰাৰ উপৰি**

**বহুবাৰ শাৰীৰিকভাৱে অপদস্থ কৰাৰ পিছতো স্বামীৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্য তাই নিয়াৰিকৈ পালন কৰিছে।** তাই ডিপ্ৰেচনত ভোগোতে শাহুৱেকে তাইলৈ অলেখ সান্ত্বনা ভৰা পৰামৰ্শৰে এখন চিঠি পঠিয়াইছিল। তেওঁ লিখিছিল যে যদি তাই স্বামীক সুখী কৰিবলৈ অহৰহ চেষ্টা কৰি থাকে, তেতিয়াহে ডিপ্ৰেচন বা বিষাদগ্ৰস্ততাৰ পৰা উদ্ধাৰ পাবলৈ সক্ষম হ'ব। অনন্যাই কি কৰিব নিজেই বুজি পোৱা নাছিল। কাৰণ তাইতো সদায় স্বামীৰ লগতেই ব্যস্ত হৈ আছিল। কিন্তু লাহে লাহে তাই অনুভৱ কৰিবলৈ লৈছিল যে পত্নীৰ মৰ্যাদাৰপৰা দূৰ হৈ তাই যেন এগৰাকী দাসীলৈহে ৰূপান্তৰিত হৈছে।

"কিন্তু স্বামীক সুখী কৰিবলৈনো কি কৰিম মই নিজেই ভাবি পোৱা নাছিলোঁ। ভাব হৈছিল, যি কৰ্মই নকৰোঁ কিয়, সকলো দেখোন তেওঁৰ বাবেই কৰোঁ। তেওঁক সন্তুষ্ট কৰিবলৈকেতো নিজকে ঢাকি ৰাখিব খোজোঁ, বিষাদৰ এযাৰ কথাও নজনোৱাকৈ।

শাহুৰ পৰামৰ্শবোৰ আখৰে আখৰে পালন কৰিবলৈ যত্নপৰ হৈ ৰৈছিলোঁ। প্ৰতিবাদতো দূৰৈৰ কথা, এযাৰ অনুৰোধো নকৰাকৈ কেৱল তেওঁক সন্তুষ্ট কৰিবলৈকে, পৃথিৱীৰ সবাতোকৈ সুখী ব্যক্তি কৰি তুলিবলৈ অহৰহ চেষ্টা কৰি থাকিলোঁ। কিন্তু বুজিয়েই পোৱা নাছিলোঁ, সেয়া মই কিহলৈ ৰূপান্তৰিত হৈ গৈ আছিলোঁ। এৰা, **পত্নীৰ স্থানৰ পৰা ক্ৰীতদাসীলৈহে মোৰ যেন ধীৰে ধীৰে পৰ্যবসন ঘটিবলৈ ধৰিছিল !**"[২২]

**দৰাচলতে স্বামীৰ পৰা পোৱা অনাদৰ-অৱহেলাই অনন্যাক তেনেদৰে ভাবিবলৈ বাধ্য কৰাইছিল। অত্যন্ত ব্যস্ত আৰক্ষী বিষয়া অনন্যাৰ স্বামীৰ চৰিত্ৰত মায়া-মমতাতকৈ যান্ত্ৰিকতা আৰু দাম্ভিকতা বেছি আছিল। যাৰ বাবে তাই নিজে এগৰাকী দাসী বুলি ভাবিবলৈ বাধ্য হৈছিল।**

ভাৰতীয় আদৰ্শত বিশ্বাসী নাৰীৰ দৰেই অনন্যায়ো স্বামীৰ সকলো অত্যাচাৰ সহ্য কৰি গৈছিল। আচৰিত ধৰণে তাই একো প্ৰতিবাদো জনোৱা নাছিল। স্বামীৰ খোজৰ লগত খোজ মিলাই সাধাৰণ নাৰীৰ দৰেই চলিবলৈ তাই আপ্ৰাণ চেষ্টা কৰিছিল। কিন্তু তাই যিয়েই নকৰক কিয় তাইৰ স্বামী তাইৰ লগত মুঠেও সুখী নহ'ল। গতিকে এদিন তাই নিজেই সিদ্ধান্ত ল'লে স্বামীৰপৰা বিবাহ-বিচ্ছেদ বিচৰাৰ। ইয়াৰ উপৰি নিজৰ স্বামীয়েই যেতিয়া তাইক 'বাঁজী', 'কাঠবাঁজী' বুলি ঠাট্টা কৰিবলৈ কুণ্ঠাবোধ নকৰিলে, তাইৰ ভৰিৰ তলৰ মাটিখিনি যেন চপৰা

চপৰে খহিবলৈহে ধৰিলে। তাই নিজে অনুভৱ কৰিলে যে তাইৰ স্বামীৰ জীৱনত তাইৰ একো বিশেষ ভূমিকা নাই। সেয়েহে তেওঁক মুক্ত কৰি দিবলৈকে তাই আদালতৰ দ্বাৰস্থ হ'ল।

আইনগতভাৱে যেতিয়া অনন্যা আৰু তাইৰ স্বামীক এবছৰৰ বাবে পৃথককৈ থাকিবলৈ দিয়া হ'ল, তাৰ মাজতো অনন্যাই বাৰে বাৰে বিচাৰিছিল যে তাইৰ স্বামী তাইৰ জীৱনলৈ পুনৰ ঘূৰি আহক, মৰমেৰে আকুল মাৰি ধৰি নিজৰ ঘৰলৈ লৈ যাওক। কিন্তু কাৰ্যতঃ সেয়া হৈ নুঠিল। কিন্তু 'জুডিচিয়েল ছেপাৰেচন'ৰ মাজতে এদিন কৰ্মক্ষেত্ৰত তাইৰ স্বামী বিপদৰ সন্মুখীন হওঁতে তাই গৈ গিৰিয়েকৰ কাষত উপস্থিত হৈছে আৰু এটি নিশাও গিৰিয়েকৰ লগত একেখন বিছনাতে কটাইছে। যিমান যি হ'লেও তাইৰ যিহেতু সম্পূৰ্ণকৈ বিচ্ছেদ হোৱা নাছিল, সেয়েহে স্বামীৰ বিপদৰ সময়ত সংগ দিবলৈ যোৱাটো তাই নিজৰ কৰ্তব্য আৰু দায়িত্বৰ ভিতৰতে ধৰিছিল।

**মণিকুন্তলা ভট্টাচাৰ্যই 'অনন্যা'ক এনে এক ব্যক্তিসত্তা ৰূপে গঢ় দিছে, যাৰ গাত কেৱল মানৱীয় সত্তাহে দেখা যায়— যৌনসত্তাৰ কোনো গোন্ধ নাই।** কাৰণ স্বামীৰ লগত বিচ্ছেদ হোৱাৰ পিছত বিজয় কুমাৰেই হওক বা কুমাৰ চাহাবেই হওক— তেওঁলোকে নিজৰ জীৱনলৈ বাৰে বাৰে তাইক আমন্ত্ৰণ জনাইছিল। এই দুজনৰ ভিতৰত কুমাৰ চাহাবৰ প্ৰতি তাই কিছু দুৰ্বল নোহোৱাও নহয়। কিন্তু স্বামীৰ আসনত বহুৱাবলৈ তাই টান পালে। তাই কুমাৰ চাহাবৰ লগত 'লিভিং টুগেদাৰ' কৰিবলৈকো হয়তো সাজু হ'ব পাৰে, কিন্তু কুমাৰ চাহাবৰ নামত সেন্দূৰ শিৰত ল'বলৈ তাই মান্তি নহ'ল। সেয়েহে অৱশেষত মাক, মাহীয়েক, কুমাৰ চাহাব কাৰোৱে কথা নামানি তাই কুমাৰ চাহাবক বেলেগ ছোৱালী বিয়া পাতি ল'বলৈহে পৰামৰ্শ দিলে। তাই কুমাৰ চাহাবৰ সৈতে এক শান্তিপূৰ্ণ আৰু সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কৰেহে জীয়াই থাকিব খোজে। ইয়াৰ ঊৰ্দ্ধত গৈ স্বামীৰ স্থান দিবলৈ তাই নিজকে সৈমান কৰাব নোৱাৰিলে।

**প্ৰকৃততে অনন্যা সবল ব্যক্তিত্বশালী, চিন্তাশীল আৰু স্বাধীনচিতীয়া।** সেয়েহে তাই আপোন বিবেকৰ অনুকৰণত চলি গিৰিয়েকৰ পৰা আঁতৰি আহিল। কাৰণ তাই লাহে লাহে অনুভৱ কৰিব পাৰিছিল যে ভৱিষ্যৎ জীৱনত তাইৰপৰা গিৰিয়েক কেতিয়াও সুখী নহ'ব। তাইৰ সন্তান ধাৰণ কৰিব পৰা ক্ষমতাও নাছিল বুলি ইতিমধ্যে কৰা পৰীক্ষাত ধৰা পৰিছিল। ইয়াৰ উপৰি অনন্যাৰ অৰ্থনৈতিক স্বাধীনতাও আছিল প্ৰচুৰ। সেয়েহে নিজৰ মনক বুজাই-বঢ়াই তাই মনে-প্ৰাণে বিচৰা

স্বামীৰপৰাই এদিন বিচ্ছেদ লৈ অকলশৰীয়া জীৱন আঁকোৱালি লৈছিল। কিন্তু তাই স্বামীক মনৰপৰা কেতিয়াও বিসৰ্জন দিব পৰা নাছিল। এই সময়খিনি আছিল তাইৰ জীৱনৰ আটাইতকৈ জটিল সময়, য'ত এই এক বিচ্ছেদিত জীৱন কটায়ো বিচাৰি ফুৰিছিল গিৰিয়েকৰ অস্তিত্ব।

"এক অবুজ শিশুৰ দৰে সেই নিশা মই ইমান হাহাকাৰত ডুবিছিলোঁ যে ঔষধ সেৱনেও মোক নিদ্ৰাত পেলাব পৰা নাছিল। ওৰে নিশা মই টহলি ফুৰিছিলোঁ। কি বিচাৰোঁ মই? কিয়েইবা আশা কৰিব পাৰোঁ নিজে অনাস্থা নিৰ্লিপ্ততা দেখুওৱাজনৰপৰা?

মই নাজানো, বিবাহ বিচ্ছেদিত আন কোনোবা নাৰীৰো এনে দুৰ্দশা হয়নে? বাৰম্বাৰ বিচাৰি থাকেনে জীৱনে ব'ব নোৱাৰা পুৰুষজনক?"[২৩]

**অনন্যাৰ চৰিত্ৰত নাৰীসুলভ কোমলতাও বিৰাজমান।** কুমাৰ চাহাবে তাইক বাৰে বাৰে বিয়া কৰাই স্বাভাৱিক জীৱন যাপন কৰিবলৈ আহ্বান জনোৱা সত্ত্বেও অনন্যা নিজৰ সিদ্ধান্তত অটল হৈ ৰ'ল। কুমাৰ চাহাবক নিজ মুখেৰেই ভাল পাওঁ বুলি স্বীকাৰ কৰা আৰু তেওঁৰ প্ৰতি তীব্ৰ আকৰ্ষণ অনুভৱ কৰা সত্ত্বেও সেই সকলোবোৰ আওকাণ কৰি কুমাৰ চাহাবক বিয়াবাৰু কৰাই সুখী জীৱন আঁকোৱালি ল'বলৈহে তাই আহ্বান কৰিছে। কিন্তু স্বামীগৃহলৈ শেষবাৰৰ কাৰণে যাওঁতে কুমাৰ চাহাবৰ বিয়াৰ চিঠি দেখা পাই তাইৰ বুকুত ধুমুহা বৈছে। তাইৰ অভিমান হৈছে অন্ততঃ কুমাৰ চাহাবৰ বিয়াৰ খবৰটো তেওঁ কুমাৰ চাহাবৰপৰাই পোনপটীয়াকৈ শুনিবলৈ বিচাৰিছিল। বিচৰা নিবিচৰাৰ চাকনৈয়াতে এদিন কুমাৰ চাহাব তাইৰ জীৱনৰপৰা হেৰাই গ'ল। কুমাৰ চাহাবৰ মৃত্যুৰ দিনাও তাই হিয়াঢাকুৰি কান্দিছিল— যদিওবা তেতিয়ালৈ তাই নিজে পছন্দ কৰি নিজৰ মনৰ মানুহজনৰ লগত দ্বিতীয়বাৰৰ বাবে বিবাহপাশত আবদ্ধ হৈছিল।

অনন্যা নিঃসন্তান হ'লেও তাই এখন বিশাল মাতৃ হৃদয়ৰ গৰাকী আছিল। তাই নিজাকৈ এটা সন্তান বিচাৰিছিল। কিন্তু সেয়া অসম্ভৱ বুলি গম পাই তাই দুখত ভাগি পৰিছিল। **অনন্যাৰ চিন্তা আৰু কৰ্মত এগৰাকী মমতাময়ী নাৰীৰ বিশালতা প্ৰকাশ পাইছে। নিজে নিঃসন্তান হোৱা সত্ত্বেও তাই বিচ্ছেদিত স্বামীৰ নতুন পত্নীৰ ফালৰপৰা ওপজা শিশুটিক কোলাত লৈছে, উপৰ্যুপৰি চুমা খাইছে।** তাইৰ আচৰণত শিশুটিৰ মাক আৰু আইতাকে ভীতিগ্ৰস্ত হৈ কেঁচুৱাটো প্ৰায় আঁজুৰি অনাৰ দৰেই কাঢ়ি আনিছে। তেনে সময়তে প্ৰাক্তন স্বামী আহোঁতেও তাই ক'ব খুজিছে সেই সন্তানত যেন তাইৰো অধিকাৰ আছে।

“মোৰ কি হৈছিল নাজানো, একেবাৰে স্বামীক টানি আনি বিছনাৰ ফালে আঙুলিয়াই চিঞৰি উঠিছিলোঁ— সুধিছিলোঁ—

ঃ এইটোতো মোৰে কেঁচুৰা, কোৰা নহয় বুলি ?”[২৪]

এটি সন্তানৰ কামনা নাৰীমনৰ চিৰন্তন প্ৰয়োজন। এই ঘটনাৰ পূৰ্বেও তাই স্বামীৰ লগত প্ৰথমবাৰলৈ দিল্লীলৈ যাওঁতে এপাৰ্টমেণ্টৰ বাহিৰত খেলি থকা ল'ৰা-ছোৱালীবোৰ দেখি নিজেও এটি সন্তানৰ মাতৃ হোৱাৰ সপোন দেখিছিল।

এগৰাকী নাৰী হিচাপে শহুৰ-শাহুৰপৰা অনন্যাই মৰম তথা আশীৰ্বাদ বিচাৰিছিল। দ্বিতীয় স্বামী হৃদয়ে বিয়াৰ পিছত কেইবাবছৰো তাইক ঘৰলৈ নিনিয়াত তাই অভিমানী হৈ উঠিছিল। পিছত হৃদয়ে লৈ যোৱাত তাই আশা কৰাৰ দৰেই শাহুৱেক আৰু বৰদেউতাকৰ পৰা মৰম-চেনেহ পাইছে। তায়ো সন্মান-শ্ৰদ্ধাৰে তেওঁলোকৰ অন্তৰ জিনিছে। আত্মীয়-স্বজন অনেকেই তাইক বহু উপহাৰ দিয়া সত্ত্বেও শাহুৱেকে দিয়া উপহাৰখিনিৰ মূল্যহে তাইৰ ওচৰত অধিক। সেয়েহে সেইখিনি তাই খুব ভালদৰে চম্ভালি ৰাখিছে। এয়া নিজ শাহুৰ প্ৰতি থকা তাইৰ শ্ৰদ্ধা আৰু ভক্তিৰেই বহিঃপ্ৰকাশ। পিতৃ-মাতৃৰ একমাত্ৰ সন্তান হিচাপে অনন্যাৰ দায়িত্বও আছিল বহুত। পিতৃৰ মৃত্যুৰ পিছত মাকক চোৱা-চিতাৰ দায়িত্বও তাইৰে আছিল। বয়সৰ লগে লগে মাকৰ গাত নানানটা বেমাৰে বাহ লোৱাত উন্নত চিকিৎসাৰ বাবে তাই কলিকতাত থকা বুনমাহীয়েকৰ তালৈ মাকক লৈ যাবলৈ ওলাইছে। হৃদয়ে তাইক কলিকতালৈ যোৱাটোত বাধা প্ৰদান কৰাত তাই সেয়েহে ক্ষুণ্ণ হৈ উঠিছে। হৃদয়কো কঠোৰ বাক্যবাণেৰে থকা-সৰকা কৰিছে।

অনন্যাৰ চৰিত্ৰটো ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্যই চিত্তাকৰ্ষক আৰু মনোগ্ৰাহী ৰূপত সজাই তুলিছে। **অনন্যাৰ মনৰ মাজত নানান সময়ত উদ্ভৱ হোৱা অন্তৰ্দ্বন্দ্ববোৰ লেখিকাৰ নিপুণ হাতৰ পৰশত হৃদয়গ্ৰাহী হৈ উঠিছে। বিভিন্ন কাৰণত সৃষ্টি হোৱা অনন্যাৰ বেদনাবিধৌত কাহিনী উপন্যাসখনিত বৰ্ণিত হৈছে। অনন্যাৰ হৃদয়ত তাইৰ আৰক্ষী স্বামীৰ প্ৰতি গভীৰ বিশ্বাস আৰু মৰমেৰে মিঠা আশাবোৰে ঠন ধৰি উঠিছিল, কিন্তু পূৰ্ণতাপ্ৰাপ্তিৰ আগতেই ৰূঢ় বাস্তৱ জীৱন-যুদ্ধত** পৰাজয় বৰণ কৰি বুকুত অতৃপ্ত বাসনা লৈ অনন্যা মাতৃগৃহলৈ উভতি আহিবলগীয়া হৈছিল।

**নাৰীৰ সহজাত মনৰ গোপন কোণত লুকাই থকা চিৰন্তন অতৃপ্তি অনন্যাৰ চৰিত্ৰৰ জৰিয়তে ঔপন্যাসিকে প্ৰকাশ কৰিছে। সেয়েহে উপন্যাসখনিৰ আদিৰপৰা অন্তলৈ অনন্যাৰ হৃদয়ে প্ৰকৃততে**

**কি বিচাৰিছিল, কাৰ সান্নিধ্যত জীৱনৰ সুখ বুটলিবলৈ বিচাৰিছিল বা কাক জীৱনত একেবাৰে নিজৰ কৰি নাপাই একান্ত দুখবোধত ভুগি জীৱন পাৰ কৰিছিল এই বিষয়ে স্পষ্টভাৱে জানিব পৰা নাযায়।** এগৰাকী নাৰীৰ আকাংক্ষিত সকলোবোৰেই তাই লাভ কৰিছে অথচ আৰু কিবা নতুন পোৱাৰ মানসেৰে আশাৰ ঘোঁৰা চেঁকুৰাইছে। ঔপন্যাসিকে অনন্যাৰ জৰিয়তে নাৰীৰ অৱচেতন মনৰ সুন্দৰ পৰিচয় দিছে। সকলোবোৰ পোৱাৰ পিছতো কিবা এটা নোপোৱাৰ চিৰ হাহাকাৰ নাৰীৰ অৱচেতন মনত সদায় থাকে। ঔপন্যাসিকে উপন্যাসখনিত এইবোৰ কথাও ব্যক্ত কৰিছে।

'অৰুন্ধতী'— এই উপন্যাসৰ অনন্যা চৰিত্ৰটো মননধৰ্মী। নৈৰ দৰে গতিশীল জীৱনৰ গৰাকী হৈও অনন্যাৰ হৃদয়ত তাৰ চঞ্চলতা নাই। অনন্যা তৰংগহীন, বিলৰ পানীৰ দৰেই শান্ত, বহল আৰু গভীৰ। অনন্যা কৰ্তব্যপৰায়ণ হোৱাৰ লগতে পুৰণি মূল্যবোধৰ প্ৰতিও সজাগ এটি নাৰী চৰিত্ৰ। সেয়েহে জীৱনৰ আকাংক্ষিত বস্তুবোৰ বিচাৰি বহুবাৰ তাই মন্দিৰ-মাঝাৰত উপস্থিত হৈছে। আনকি তাই জম্মুস্থিত বৈষ্ণোদেৱীৰ মন্দিৰতো উপস্থিত হৈছে। **'অনন্যা'ৰ মাজেদি ঔপন্যাসিকে সহজাত অনুভূতিৰে নাৰী হৃদয়ৰ চিৰন্তন প্ৰেম, আদৰ্শ, ত্যাগ, মমতা, দায়িত্ববোধ, কৰ্তব্যবোধৰ চানেকি দাঙি ধৰাৰ উপৰি নিচেই সহজে আনক আপোন কৰিব পৰা ক্ষমতাৰ অক্ষয় গৌৰৱ অংকিত কৰিছে। ঔপন্যাসিকে উপন্যাসখনিৰ পাতে পাতে প্ৰেম আৰু আদৰ্শ, কল্পনা আৰু বাস্তৱৰ সংঘৰ্ষও ফুটাই তুলিবলৈ সক্ষম হৈছে। ঔপন্যাসিকে অনন্যাক কল্পনা জগতৰ আলসুৱা নাৰীমূৰ্তি ৰূপে গঢ় দিয়া নাই; অনন্যা হৈছে বাস্তৱৰ দুৰ্দশাগ্ৰস্ত যান্ত্ৰিক আৰু নিচাগ্ৰস্ত স্বামীৰ লগত গৃহবাস কৰি লাভ কৰা তিক্ত অভিজ্ঞতা আৰু জীৱন সংগ্ৰাম সাবটি লোৱা নাৰীৰ জীৱনৰ আৰ্হি।**

'অনন্যা' বা 'অৰুন্ধতী' ঔপন্যাসিকৰ একক আৰু অনন্য সৃষ্টি। নাৰীমনৰ নানান জটিল অৱস্থাৰ সূক্ষ্ম পৰ্যবেক্ষণ কৰাৰ উপৰি ঔপন্যাসিকে নাৰীচেতনাৰ নানান দিশো এই চৰিত্ৰটিৰ মাজেৰে ফঁহিয়াই দেখুৱাইছে।

**'অনন্যা'ৰ 'মাতৃ'ৰ জৰিয়তে প্ৰকাশিত নাৰীচেতনা ঃ**

**'অৰুন্ধতী'** উপন্যাসৰ মূল নাৰী চৰিত্ৰ **অনন্যাৰ মাতৃ এই উপন্যাসখনিৰ এক উজ্জ্বল চৰিত্ৰ। মাতৃত্বৰ পৰম মমতাৰে তেওঁ উপন্যাসখনিৰ আদিৰপৰা অন্তলৈকে অনন্যাক নিজৰ ডেউকাৰ মাজত সুমুৱাই লৈ নিৰ্ভয়তা প্ৰদান কৰিছে।** নিজৰ সন্তানৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্য এইগৰাকী

নাৰীয়ে সুচাৰুৰূপে পালন কৰা পৰিলক্ষিত হয়। এই চৰিত্ৰটিৰ জৰিয়তে ঔপন্যাসিকে মনস্তাত্ত্বিক বিচাৰ প্ৰৱণতা আৰু সমাজ সচেতনতাৰ উপৰি মানৱ জীৱনৰ নৈতিক সংকটৰো ৰেখাপাত কৰিছে। অনন্যাৰ মাতৃৰ দ্বাৰা সমকালীন সমাজ-ব্যৱস্থাত নাৰীৰ দৃষ্টিভংগী আৰু নাৰীমানসৰ সামগ্ৰিক পৰিচয় পোৱা যায়।

অনন্যাৰ স্বামীৰ লগত হোৱা বিচ্ছেদৰ পিছতো মাকে আশা কৰি আছিল যে সিহঁতৰ সংসাৰখন আকৌ জোৰা লাগিব। তাৰ কাৰণে কোনো পূজা-পাতলেই তেওঁ বাদ দিয়া নাছিল। অদৃষ্টজনলৈকো তেওঁ বাৰে বাৰে জীয়েকৰ সুখী দাম্পত্য জীৱন বিচাৰি প্ৰাৰ্থনা কৰিছিল। চৰিত্ৰটিৰ মাজেৰে বিষাদৰ অন্তৰ্দ্বন্দ্ব প্ৰকাশিত হৈছে। আৰক্ষী জোঁৱায়েকৰ লগত আইনগতভাৱে বিচ্ছেদ হোৱাৰ পিছত অনন্যাক মনে-প্ৰাণে আপোন কৰিব বিচৰা কুমাৰ চাহাব বা বিজয় কুমাৰৰ লগত হ'লেও মাকে অনন্যাৰ এখন সুখী সংসাৰৰ কামনা কৰিছিল। এয়া প্ৰতিগৰাকী মাকৰেই অন্তৰৰ কথা। কাৰণ প্ৰত্যেক মাকেই বিচাৰে তেওঁলোকৰ সন্তান জীৱনৰ বৃহত্তম সুখৰ অংশীদাৰ হওক। অনন্যাৰ মাকো তেওঁলোকৰ মাজৰে এগৰাকী মাতৃ।

**ঔপন্যাসিকে অনন্যাৰ মাকৰ চৰিত্ৰৰ জৰিয়তে এগৰাকী কন্যাদায়গ্ৰস্তা মাতৃৰ বাস্তৱ অনুভূতিবোৰ উদঙাই দেখুৱাইছে।** অনন্যাই জীৱনত পোৱা নানান ঘাত-প্ৰতিঘাতৰ সাক্ষী হৈ ৰৈছে তাইৰ মাতৃ। সেয়েহে তাইক সকলোধৰণৰ হতাশাৰ পৰা মুক্ত কৰি তাই মনে সুখী হ'ব বুলি ভবা হৃদয়ৰ হাতত তাইক তুলি দিছে। ইয়াৰ উপৰি বিয়া দিয়েই তেওঁ ক্ষান্ত থকা নাই। জীয়েকৰ সংসাৰৰ সুখ-দুখৰ বতৰা ল'বলৈ কোনো আগবাতৰি নিদিয়াকৈ জী-জোঁৱাইৰ ঘৰ ওলাইছেগৈ। জীয়েকৰ সুখ-সমৃদ্ধি দেখা পাই তেওঁ স্বস্তিৰ নিশ্বাস পেলাইছে। এয়া সকলোবোৰ মাতৃৰে আশাৰ বাস্তৱ ৰূপ যে বিবাহৰ পিছত তেওঁৰ জীয়েক সুখেৰে আছে।

"...আমাৰ নতুন সংসাৰখনত সোমাই মাৰ মুখত ইমান সন্তোষৰ পূৰ্ণ ছাপ দেখা গৈছিল যে ভাবিবলৈ মই বাধ্য হৈছিলোঁ— এইবাৰহে যেন মই সঁচাকৈয়ে বিয়া হ'লোঁ। সংসাৰ পাতি বহিলোঁ।"[২৫]

মাতৃত্বৰ মমতাৰে মাকে অনন্যাক সদায় বুকুত সাবটি লৈছে। সেয়েহে হয়তো সকলোবোৰ জটিলতৰ মুহূৰ্তত অনন্যাই মাকৰ লগত একেখন বিছনাত শুই মনৰ দুখবোৰ পাতলাবলৈ সক্ষম হৈছে। কিন্তু এই মাতৃয়ে প্ৰয়োজন সাপেক্ষে তাইক ভুল দিশে যোৱাত বাধা প্ৰদান কৰিছে। তাই মনৰ খু-দুৰনি মাৰিব নোৱাৰি মাত্ৰ এদিনৰ চিনাকি হৃদয়ৰ ওচৰলৈ যাবলৈ ওলাওঁতে

মাকে বুজনি দি কৈছে- যাক কোনেও ভালদৰে চিনিয়ে নাপায়, তেওঁৰ ওচৰলৈ তেনেদৰে হঠাৎ যোৱাটো উচিত নহয়।

**অনন্যাৰ মাক অভিজ্ঞতাৰে পুষ্ট এগৰাকী নাৰী।** সেয়েহে এবাৰ যিহেতুকে সুপাত্ৰ বুলি ভাবি তেওঁলোকে নিজৰ একমাত্ৰ জীয়েকক বিয়া দিয়া উচ্চপদস্থ আৰক্ষী বিষয়াজনৰ নিষ্ঠুৰ তথা দায়িত্বজ্ঞানহীন ৰূপ দেখা পালে; লগতে ইয়াৰ ফলশ্ৰুতিত অনন্যাৰ জীৱনলৈ যিহেতুকে আন্ধাৰ নামি আহিছে, মাতৃ হিচাপে তেওঁ ভাবিছে যে এইবাৰ অন্ততঃ অনন্যাৰ আৰু ভুল নহওক, যাৰ বাবে তাই বিষাদগ্ৰস্ততাত ডুবি জীৱন নিঃশেষ কৰি দিবলগীয়া হ'ব পাৰে।

**অনন্যাৰ মাতৃ হৈছে এগৰাকী শান্ত-সমাহিত আৰু সুৰুচিপূৰ্ণ আদৰ্শ ভাৰতীয় নাৰী।** কিন্তু অনন্যাৰ স্বামীৰ লগত হোৱা বিচ্ছেদে তেওঁৰ জীৱনলৈ আশাভংগ আৰু স্বপ্নভংগৰ গাথাহে কঢ়িয়াই আনিছে। তথাপি তেওঁ অনন্যাক স্বাধীনতা দিছে। কাৰণ সাধাৰণ মানুহৰ দৰেই অনন্যাৰো আশা-আকাংক্ষা, ব্যক্তিগত ইচ্ছা-অনিচ্ছা, সুখ-দুখেৰে ভৰা এটা মনৰ অৱস্থিতি তেওঁৰ মাতৃ হৃদয়ে অনুভৱ কৰিব পাৰিছে।

অনন্যাৰ মাকৰ আৰু এটা ভয়ে মনত বাহ লৈছিল— আগৰবাৰৰ দৰে এইবাৰো অনন্যাই গিৰিয়েকৰ ঘৰ এৰি গুচি নাহেতো! সেয়েহে সুবিধা পালেই তেওঁ অনন্যাক বুজনি দিছে আৰু ব্যৱসায়-বাণিজ্যৰ কথা আৰু নবঢ়াবলৈ অনুৰোধ কৰিছে। তেওঁ বিচাৰিছে অনন্যাই তাইৰ গোটেইখিনি সময় জোঁৱায়েক হৃদয়ক দিয়ক আৰু সকলো মনোযোগ কেৱল নিজৰ সংসাৰখনতে আবদ্ধ ৰাখক। এগৰাকী মাতৃ হিচাপে এয়া তেওঁৰ মনৰ স্বাভাৱিক অভিব্যক্তি।

অনন্যাৰ মাতৃৰ নিজৰ স্বামীৰ প্ৰতিও আছিল অশেষ শ্ৰদ্ধা আৰু মৰম। অনন্যাৰ পিতাকৰ এটা পথ দুৰ্ঘটনাত মৃত্যু হৈছিল। ডিব্ৰুগড় মেডিকেল কলেজলৈ তেওঁক লৈ যোৱা হৈছিল যদিও একেবাৰে গুড়ি হৈ যোৱা মূৰটোৰ বাবে তেওঁৰ মৃত্যু হৈছিল। স্বামীক শেষবাৰৰ বাবে হাস্পতালৰ কোনখন বিছনাত শুওৱা হৈছিল, সেয়া চাবলৈ মাকে যাত্ৰা কৰিছিল। তেওঁ যেন সেই বিছনাখনকে স্পৰ্শ কৰি অনুভৱ কৰিব খুজিছিল নিজ স্বামীৰ শেষ অৱস্থিতিক।

**অনন্যাৰ মাতৃক ইয়াত এক সাহসী ব্যক্তিত্বৰ নাৰী হিচাপেও তুলি ধৰা হৈছে। কাৰণ স্বামীৰ মৃত্যুৰ পিছত জীয়েকৰ জীৱনলৈ নানান বিপৰ্যয় আহি পৰা সত্ত্বেও তেওঁ ভাগি পৰা নাই। সাহসেৰে বাস্তৱৰ সৈতে মুখামুখি হৈছে আৰু জীয়েককো এক সুস্থিৰ জীৱন জীয়াবলৈ উদ্‌গনি যোগাইছে।**

**জীৱনক প্ৰত্যাহ্বান জনোৱাৰ সাহসসিক্ত অনন্যাৰ মাতৃ এগৰাকী সাৰ্থক বলিষ্ঠ নাৰী। ইয়াৰ উপৰি স্বামী অগাধ সম্পত্তি আৰু ব্যৱসায়ৰ মালিক হোৱা সত্ত্বেও তেওঁ নিজাববীয়াকৈ তাঁতশাল কেইখনমানৰ ব্যৱস্থা কৰি নিজকে ব্যস্ত কৰি ৰাখিছিল। তেওঁ আজিৰ শিক্ষিতা আৰু সচেতন নাৰী হৃদয়ৰ বাৰ্তাবাহক, যিয়ে নিজাকৈ স্বাৱলম্বী হোৱাৰ পথ প্ৰশস্ত কৰাত ব্ৰতী হৈ ৰয়।**

অনন্যাৰ মাতৃ এক বিশাল ব্যক্তিত্বসম্পন্ন নাৰীসত্তা, যিয়ে হঠাতে স্বামীক হেৰুৱাই বিপৰ্যস্ত হৈ পৰা নাই; নাইবা জীয়েকৰ বিবাহ ভংগ হোৱা দেখিও বিতত হোৱা নাই। সেইবুলি তেওঁৰ মনত যে স্বামীক হেৰুওৱাৰ দুখ বা জীয়েকৰ সংসাৰ থান-বান হোৱাৰ দুখ নাছিল তেনে নহয়। মনৰ ভিতৰত যি চলি নাথাকিলেও জীয়েকক তেওঁ সদায় সাহস আৰু প্ৰেৰণা দি আহিছে, যাৰ বাবে হৃদয়ৰ লগত বিয়া হোৱাৰ পিছত অনন্যাৰ ঠন ধৰি উঠা সুখী সংসাৰ দেখি তেওঁৰ চকুৰেদি আনন্দাশ্ৰু নিগৰিছে। এগৰাকী নাৰী হিচাপে নিজৰ স্বামীৰ প্ৰতি থকা দায়িত্ববোধ, সন্তানৰ প্ৰতি থকা গভীৰ মমতা আৰু সমাজৰ নিয়ম-নীতিৰ মাজত খোজ মিলাই চলিবলৈ এইগৰাকী নাৰী সক্ষম হৈছে। ইয়াৰ উপৰি মণিকুন্তলা ভট্টাচাৰ্যই অনন্যাৰ মাতৃৰ চৰিত্ৰত সন্মানবোধ, নিজস্বতা আৰু দৃঢ়তাও আৰোপ কৰিছে। **নাৰীচেতনাৰ দুটা প্ৰধান দিশ স্বামীৰ প্ৰতি শ্ৰদ্ধা আৰু সন্তানৰ প্ৰতি মমতা এই দুয়োটাই অনন্যাৰ মাতৃ চৰিত্ৰত প্ৰতিফলিত হৈছে।**

**'বুনমাহী'ৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা ঃ**

**'অৰুন্ধতী'** উপন্যাসখনিৰ অনন্যাৰ **'বুনমাহী'**য়েকৰ চৰিত্ৰটি বৰ বেছি সময়ৰ বাবে উপন্যাসখনত উপলব্ধ নহয় যদিও অতি কম সময়ৰ ভিতৰতে তেওঁৰ চৰিত্ৰত নাৰীচেতনাৰ কেইবাটাও দিশ পৰিলক্ষিত হৈছে। **তেওঁ এগৰাকী পতিভক্তা, সন্তানৰ প্ৰতি মৰম থকা, নিজৰ বায়েকৰ প্ৰতি দায়িত্ববোধ, সৌন্দৰ্যপিয়াসী আৰু পৰিস্থিতিৰ সৈতে সহাৱস্থান কৰিব পৰা এগৰাকী নাৰী।** বুনমাহীৰ চৰিত্ৰত মিছা সুখ আৰু পৰাধীনতা লক্ষ্য কৰা যায়।

বুনমাহী স্বামীৰ একান্ত অনুৰক্তা আছিল। নিজৰ স্বামীৰ আন এগৰাকী নাৰীৰ প্ৰতি আসক্তি, আনকি সেইগৰাকীৰ লগত নৈশ যাপন কৰাৰ কথাও তেওঁ জানিছিল। অথচ সকলোবোৰ জানি-শুনিও তেওঁ স্বামীৰ সংগ ত্যাগ কৰিব পৰা নাছিল। স্বামীৰ অপায়-অমংগল ৰোধ কৰিবলৈ তেওঁ শিৰত দীঘলকৈ সেন্দূৰৰ বোল লৈছিল। কিন্তু স্বামীক হেৰুওৱাৰ বেদনা তেওঁৰ মনৰ ভিতৰত

অব্যক্ত হৈয়ে ৰৈ গৈছিল। মনৰ মাজৰ ক্ষোভখিনি কোনো এক দুৰ্বল মুহূৰ্তত তেওঁ অনন্যাৰ আগত ব্যক্ত কৰিছিল।

“ঃ কি লাভ মামুন? কোনো অৰ্থ নাই এইবোৰৰ। দেখিলি নহয় মহাৰক আগৰ দৰে পুনৰ ঘূৰাই পোৱাৰ আশাৰেই কিমান শ্ৰদ্ধাৰে লৈছিলোঁ সেন্দূৰ। কিন্তু এবাৰ যে তেওঁ ওলাই গ'ল মোৰ হাতৰ মুঠিৰপৰা আনৰ কাষলৈ, আৰু উভতি নাহিল, মৰিয়েই থাকিল...।”[২৬] অথচ এগৰাকী পৰম্পৰাবাদী নাৰীৰ দৰে তেওঁ স্বামীৰ কোনো প্ৰতিবাদ নকৰিলে আৰু এদিন হঠাতে তেওঁ নিজৰ স্বামীক চিৰদিনৰ বাবে হেৰুৱাই পেলালে।

অনন্যাৰ ভঙা সংসাৰখনৰ পিছত হৃদয়ৰ লগত সম্পৰ্ক হওঁতে বুনমাহী অত্যন্ত চিন্তিত হৈছে। সোনকালে হৃদয়-অনন্যাৰ বিয়াখন তেওঁ হৈ যোৱাটো বিচাৰিছে। সেয়েহে নিজৰ ফালৰপৰা হ'লেও ছোৱালী যাঁচিবলৈ যোৱাৰ প্ৰসংগও তেওঁ উলিয়াইছে। কিন্তু যেতিয়া অনন্যাই হৃদয়ৰ লগতো বিয়াত নবহো বুলি ক'লে, বুনমাহীৰ আকাশী সৰগ যেন ভাগি পৰিছে।

“ঠনৰ ঠনৰকৈ যেন কোনোবাই মা আৰু বুনমাহীৰ মূৰত এশটা চিঁচাৰ বৈয়াম আফলিয়াই ভাঙিছিল! বহি ৰৈছিল দুয়োজনী বহি থকা ঠাইতে।”[২৭]

আচলতে বুনমাহীয়ে অনন্যাক নিজৰ মাতৃৰ দৰেই মৰম কৰিছিল। তাইৰ জীৱনটো থানথিত লাগক, সেইটোকে বিচাৰিছিল। সেয়েহে অনন্যাৰ সিদ্ধান্ত শুনি অনন্যাৰ মাকৰ দৰেই বুনমাহীও আশাহত হৈছিল।

পৰৱৰ্তী সময়ত অনন্যা আৰু হৃদয়ৰ বিয়াখন হৈ গৈছিল, যদিও দূৰদৰ্শী নাৰী হিচাপে তেওঁ অনন্যাক সোঁৱৰাই দি থাকিছিল যে যিহেতুকে তাই হৃদয়ৰ ঘৰখন দেখাগৈ নাই বা শাহুৱেকৰো চৰণ স্পৰ্শ কৰা নাই, সেয়েহে সময় থাকোঁতেই সেই কাম যাতে অনন্যাই সম্পন্ন কৰে।

**নাৰীৰ স্বাভাৱিক সৌন্দৰ্যচেতনা বুনমাহীৰ চৰিত্ৰত বৰ্তমান।** সেয়েহে কোনটো কোম্পানীৰ সেন্দূৰ ভাল তেওঁ অনন্যাক জনাইছে আৰু ডীপ কালাৰৰ কাপোৰেৰে যে অনন্যাক শুৱাই তুলিব এই কথাও কথা প্ৰসংগত ব্যক্ত কৰিছে।

মাতৃ হিচাপেও বুনমাহী সফল। তেওঁৰ ডাঙৰ সন্তান দেবু এজন সু-চিকিৎসক হিচাপে মাচকাটত কৰ্মৰত। দেবুৰ পত্নী এনও এগৰাকী সু-চিকিৎসক। এন ভেণ্টিলেটৰত ৰখা শিশু কেণ্ডাৰ ৰোগী এটিৰ বাবে ইমানেই অস্থিৰ হৈছিল যে ঘৰটো একেবাৰে ছেদেলি-ভেদেলি কৰি থৈ তাই

হাস্পতাললৈ ঢাপলি মেলিছিল। দেবুৱে তাইক গালি পাৰিবলৈ আৰম্ভ কৰিছিল; কিন্তু অনন্যা বা বুনমাহীয়েহে এনৰ বুকুত জাগি উঠা মমত্ব উপলব্ধি কৰিব পাৰিছিল। বুনমাহীয়ে এনৰ ভিতৰত থকা মমতাবোধ আৰু মানৱতাবোধৰ কথা কৈ দেবুক অতি সুন্দৰকৈ এনক স্বাধীনভাৱে চলিবলৈ অনুমতি দিবলৈ পৰামৰ্শ দিছিল। নাৰী হ'ল বুলিয়ে যে নিজৰ কৰ্তব্য পাহৰি স্বামী বা শাহুৰ সেৱাত এন ব্যস্ত হৈ থাকিব লাগিব, এতিয়া এনে সময় নহয়। বুনমাহীৰ এনে কথা-বতৰাৰ পৰা তেওঁৰ উদাৰ মনোবৃত্তিৰ পৰিচয় পোৱা যায়।

"মাচ্‌কাটত পাঁচদিন কটাই উভতিবৰ সময়ত বুনমাহীয়ে দেবুক বুজাইছিল— চা বাবা, এন মোৰ দৰে আগৰ দিনৰ মানুহ নহয় যে তই বিচৰা মতেই তাই চলিব। কোনো ছোৱালীয়ে আজিৰ দিনত পুৰুষতকৈ নিজকে হেয় বুলি নাভাবে। চব স্বাধীন হৈ গৈছে। তই বুজাই দিবি তাইক। বুজাবুজিৰে চলিবি অকমান। এন বৰ ভাল ছোৱালী। তদুপৰি তাইৰ ভিতৰত চূড়ান্ত মানৱতাবোধ আছে। সেইটোকে তই বুজিবি। মামুনলৈ চা, অকলে জীৱন কটাবলৈ কেনেকৈ কষ্ট কৰিছে তাই। কেৱল তাইৰ ভিতৰত থকা মানৱতাবোধক জীয়াই ৰাখিবৰ বাবেই। বৰ ডাঙৰ কথা এইবোৰ। মহানুভৱৰ কথা।"[২৮]

অনন্যা হৃদয়ৰ লগত বিয়াত বহাৰ আগতে যেতিয়া মাকৰ স্বাস্থ্য পৰীক্ষাৰ বাবে কলিকতালৈ গৈছিল, হৃদয়ে অনন্যাক এৰি থাকিব নোৱাৰিব বুলি বাৰে বাৰে বাধা প্ৰদান কৰিছিল। হৃদয়ৰ এই বাধাক অনন্যাই সহজভাৱে নলৈছিল, যাৰ বাবে হৃদয়ে গুৱাহাটীৰ পৰা কলিকতালৈ ফোন কৰোঁতে অনন্যাক বিচৰা নাছিল। এই কথাত কিছু অস্বাভাৱিকতা দেখা পাইছিল বুনমাহীয়ে; যাৰ বাবে হৃদয়ৰ লগত কথা পাতি অনন্যাৰ লগত কথা পাতিবলৈ বুজনি দিছিল। অনন্যাৰ মাকৰ দৰেই বুনমাহীৰো প্ৰচণ্ড ইচ্ছা যে হৃদয়ৰ লগত অনন্যাৰ এখন সুখৰ সংসাৰ হওক। কিন্তু অনন্যা আৰু হৃদয়ে ইমান দূৰৈত থাকিও এবাৰো টেলিফোনত কথা নপতা কথাটোৱে তেওঁৰ নাৰীচেতনাৰ চৰম কৌতুহলৰ দিশটোকে ৰেখাপাত কৰিছে।

**বুনমাহীয়ে জীৱনৰ চৰম বিপৰ্যয়ৰ দিন পাৰ কৰিছে। কিন্তু সেয়ে হ'লেও তেওঁ হাৰ মানি যোৱা নাই। নিজৰ খোপনি হেৰুৱাই দুখৰ নদীত তেওঁ আত্মজাহ দিয়া নাই। তেওঁ বৰঞ্চ নিজৰ থিতাপি গজগজীয়াহে কৰি ৰাখিছে শিৰত স্বামীৰ নামত দীঘলকৈ সেন্দূৰৰ ৰেখা টানি।**

অনন্যাৰ মাতৃৰ প্ৰতিও বুনমাহীৰ আছিল অকৃত্ৰিম দায়িত্ববোধ। যাৰ বাবে শাৰীৰিক অসুস্থতাত

ভোগা বায়েকক বুনমাহীয়ে কলিকতালৈ স্বাস্থ্য পৰীক্ষাৰ বাবে মাতি নিছে আৰু বায়েকৰ নিম্ন ৰক্তচাপ বুলি জানিব পাৰি নানানটা খোৱা বস্তুৰ যোগান ধৰিছে। **এগৰাকী নাৰী হিচাপে তেওঁ বায়েকক কৰা পৰিচৰ্যা নাৰীচেতনাৰে অন্যতম দিশ।**

অনন্যা, অনন্যাৰ মাক আৰু বুনমাহীৰ উপৰি 'অৰুন্ধতী'ত সৰুপেহী, হৃদয়ৰ মাক, অনন্যাৰ প্ৰথম পক্ষৰ শাহু আদি নাৰী চৰিত্ৰৰো সমাৱেশ ঘটিছে। অৱশ্যে এই চৰিত্ৰকেইটা ইমান সক্ৰিয় নহয়। হৃদয়ৰ ফালৰ শাহুৱে হওক বা অনন্যাৰ আৰক্ষী স্বামীৰ পক্ষৰ শাহুৱে হওক তেওঁলোক নিজ নিজ পুত্ৰৰ সুখৰ প্ৰতি আগ্ৰহী। অৱশ্যে দুয়োগৰাকীয়ে অনন্যাকো যথেষ্ট মৰম কৰিছিল। সৰুপেহীয়েকেও কোনো দুৰ্বল মুহূৰ্তত অনন্যাক চম্ভালি লৈ তাইক আগবাঢ়ি যোৱাত সহায় কৰিছে।

**মণিকুন্তলা ভট্টাচাৰ্যৰ এই 'অৰুন্ধতী' উপন্যাসখন এক মনোগ্ৰাহী উপন্যাস। উপন্যাসখনিৰ মাজেদি ঔপন্যাসিকে পৰিৱৰ্তিত সামাজিক মূল্যবোধ আৰু নাৰীৰ মৰ্যাদা প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। ইলেক্ট্ৰা কমপ্লেক্সত ভোগা অনন্যাৰ মানসিক যন্ত্ৰণাৰ কথা উপন্যাসখনিত বৰ্ণিত হৈছে।** 'ছিগমেণ্ড ফ্ৰয়েডে' ইলেক্ট্ৰা কমপ্লেক্স নামৰ মানসিক ৰোগবিধৰ চিকাৰ হোৱা নাৰীৰ বিঘিনিৰ কথা কৈছে— সেইখিনি কথাকে ঔপন্যাসিকে উপন্যাসখনিত সাৱলীলভাৱে বৰ্ণনা কৰিছে।

এইধৰণৰ ৰোগত প্ৰায় আক্ৰান্ত হোৱা অনন্যাৰ দৰে চৰিত্ৰ অসমীয়া উপন্যাসত নতুন সৃষ্টি আৰু ইয়াত বিষয়বস্তুৰেও নতুনত্বৰ দাবী কৰিব পাৰে।

"যি নাৰীয়ে ইলেক্ট্ৰা কমপ্লেক্সত ভোগে, তেওঁ স্বামীৰ পৰাই বিচাৰি থাকে পিতৃবৎ স্নেহ আৰু নিৰাপত্তাৰ কোমল ছায়া। যদি সেই প্ৰাপ্তিত বঞ্চিত হৈ ৰয় পিতৃভক্ত নাৰী গৰাকী, তেতিয়াই তেওঁৰ বিষাদপূৰ্ণ জীৱন পৰিক্ৰমা আৰম্ভ হয়। আৰু তেনে অৱস্থাত যদি তেওঁৰ জীৱনলৈ কোনো নতুন পুৰুষৰ আগমন ঘটে, তেন্তে সেই পুৰুষৰ প্ৰতিও তেওঁ সন্দেহশীল হৈ ৰয়। 'পাৰিবনে এই পুৰুষে মোৰ সমস্ত আকাংক্ষা পূৰ্ণ কৰিব!' কিন্তু তেতিয়াও তেওঁৰ বিবেকে অহৰহ সোঁৱৰাই থাকে বাস্তৱৰ সমাজখনৰ কথা। সেই পুৰুষক আদৰিলেতো সেয়া 'পৰকীয়া প্ৰেম' হয়! এৰা, এনে চিন্তাতেই ক্ৰমশঃ নোহোৱা হৈ যায় বিচাৰি পোৱা মনৰ মানুহজনো।"[২৯]

এই উপন্যাসখন আলোচনা কৰিলে দেখা পোৱা যায় যে মূল চৰিত্ৰ 'অনন্যা'ক লৈয়ে উপন্যাসখনৰ কাহিনীভাগে গতি লাভ কৰিছে। **অনন্যা আত্মসন্মানবোধসম্পন্ন নাৰী।** প্ৰথম

স্বামীৰ লগত বিবাহ বিচ্ছেদ কৰাৰ পিছত তাই কোনো সময়ত দুৰ্বল হৈ পৰিছে যদিও পুনৰ স্বাভাৱিক হৈছে। প্ৰাক্তন স্বামীৰ দ্বিতীয় পত্নীৰ গৰ্ভত সন্তানৰ জন্ম হোৱা বাবে তাইৰ নাৰী হৃদয় কিবা এটা অজানা দুখত ভাগি পৰিছে। **ঔপন্যাসিকে উপন্যাসখনিত অনন্যাৰ সংঘাতপূৰ্ণ জীৱনৰ মৰ্মস্পৰ্শী বৰ্ণনা দাঙি ধৰিছে। অনন্যা শিক্ষিতা নাৰী। সেয়েহে কিছুমান আদৰ্শৰ বাবে তাই সংগ্ৰাম কৰে। নাৰীৰ স্বভাৱজাত আদৰ্শ আৰু বাস্তৱতাৰ মাজৰ বিৰোধ পৰিস্থিতিয়ে অনন্যা আৰু তেওঁৰ প্ৰথম স্বামীৰ জীৱন সংঘাতময় কৰি তুলিছে। ইয়াৰ লগে লগে অনন্যাৰ মানসিক দ্বন্দ্বৰো সৃষ্টি হৈছে।**

**ঔপন্যাসিকে অনন্যাৰ জৰিয়তে নাৰী মনস্তত্ত্বৰ 'ইলেক্ট্ৰা কমপ্লেক্স' নামৰ জটিল দিশটোও উন্মোচন কৰিছে।** ঔপন্যাসিকে এই চৰিত্ৰটিৰ জৰিয়তে পুৰুষপ্ৰধান সমাজত পুৰুষৰ সহায় অবিহনেও যে নাৰীয়ে এই পৃথিৱীত অসাধ্য সাধন কৰিব পাৰে, এই কথা প্ৰকাশ কৰাৰ লগতে ব্যক্তি স্বাধীনতাৰো যে এক সীমা আছে তাকো অতি বাস্তৱসন্মত ৰূপত ফুটাই তুলিছে। অনন্যাৰ জীৱন পৰিক্ৰমা জটিল। তাইৰ মানসিক দ্বন্দ্ব আৰু সংঘাত অতি গভীৰ। কিন্তু সাধাৰণ নাৰীৰ দৰে তায়ো পুৰুষৰ সংগ বিচাৰে। এজন নিৰ্ভৰযোগ্য পুৰুষৰ কান্ধত মূৰ থৈ ভৱিষ্যৎ জীৱন পাৰ কৰিব বিচাৰে। সেয়েহে তাই দ্বিতীয়বাৰৰ বাবে বিবাহপাশত আবদ্ধ হৈ জীৱনটোক নতুন দৃষ্টিৰে চাবলৈ আৰম্ভ কৰিছে। মুঠতে 'অৰুন্ধতী' নাৰীচেতনাৰ বিভিন্ন দিশ সমৃদ্ধ এখন বিশিষ্ট উপন্যাস।

**'যমুনা' উপন্যাসৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা ঃ**

**২০০৯** চনত প্ৰকাশিত হোৱা **'যমুনা'** মণিকুন্তলা ভট্টাচাৰ্যৰ আন এখন উপন্যাস। 'যমুনা' নামৰ মূল চৰিত্ৰটোৰ নামেৰেই উপন্যাসখনৰ নামাংকন কৰা হৈছে। **যমুনা চল্লিছৰ ডেওনা অতিক্ৰম কৰা এগৰাকী সাধাৰণ মধ্যবিত্তীয় গৃহিণী। তেওঁ একে সময়তে নিজৰ স্বামী আৰু সন্তানক হেৰুৱাই নিঃসংগ হৈ পৰিছে। তথাপি তেওঁ মনোবল হেৰুওৱা নাই। তেওঁ নিজাকৈ এখন পৃথিৱী গঢ়ি লৈছে, যাৰ অন্তৰত সকলো সমস্যাৰে সমাধান সূত্ৰ বিচাৰি লৈছে।** উপন্যাসখনিৰ বেটুপাততে ঔপন্যাসিকে এই কথা উল্লেখ কৰিছে।

"য'ত কাহিনী শেষ হয় তাৰপৰাই টানি নিব লগা হয় যদি প্ৰধান চৰিত্ৰই তেওঁৰ যাত্ৰা, কি নাম হ'ব এই গতিৰ? নগৰীয়া জীৱনশৈলীৰে প্ৰতিপালিত হৈও যি নাৰী গৃহাবদ্ধা, তেওঁৰেই

অৱচেতন মনে নিবিচাৰেনে নিজাকৈ এখনি সৌৰজগত? জীৱনৰ এনে উকা চিত্ৰপটতে যমুনাৰ নৈষ্ঠিক কথোপকথন।"[৩০]

**উপন্যাসখনিৰ নাৰী চৰিত্ৰ হিচাপে ঘাইকৈ যমুনা, গংগা আৰু পল্লৱীক পোৱা যায়।** যমুনা শক্তিশালী ব্যক্তিত্বৰ নাৰী চৰিত্ৰ। কিন্তু অকালতে স্বামী আৰু একমাত্ৰ সন্তানক হেৰুওৱা যমুনাৰ জীৱনযাত্ৰা ইমান মসৃণ নহয়। এই উপন্যাসখনিত অংকিত নাৰী চৰিত্ৰকেইটা আমাৰ মধ্যবিত্ত সমাজত সততে দৃষ্টিগোচৰ হোৱা, নিজা নিজা চিন্তা-ভাবনা আৰু আদৰ্শ লৈ থকা একো একোটা নাৰীৰ চৰিত্ৰ।

স্বামী আৰু সন্তানক অকালতে হেৰুওৱা যমুনা চৰিত্ৰটিক ঔপন্যাসিকে দৰদী মাতৃ-হৃদয়ৰ প্ৰতীক ৰূপে অংকন কৰিছে। সকলো সময়তে 'সোণকণ'ৰ স্মৃতিয়ে যমুনাক আমনি কৰে। কোনো নিৰ্জন মুহূৰ্তত সোণকণৰ ছবিঘৰত তাৰ উপস্থিতিও যমুনাৰ মাতৃ-হৃদয়ে অনুভৱ কৰে। কিন্তু বাস্তৱত নিজৰ সন্তানটি কোনোদিন আৰু ঘূৰি নাহে বুলি ব্যথিত হৈ যমুনা দুখত ভাগি পৰিছে। উপন্যাসখনিৰ মাজভাগত তেওঁৰ প্ৰতি আকৰ্ষিত হোৱা তেওঁৰ ভাৰাঘৰৰ যমুনাতকৈ বহু সৰু ল'ৰাটোৰ প্ৰতি তাই ভীতিগ্ৰস্ত হৈছে। মনৰ ভিতৰত মানসিক দ্বন্দ্বৰো সৃষ্টি হৈছে। কেতিয়াবা অব্যক্ত বেদনাৰে ভৰা যমুনাৰ মন নিজৰ ভাগ্যৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিছে। যমুনাৰ দুখৰ সময়ত যমজ ভনীয়েক গংগাই দিয়া সাহসে তাইক ভাঙি পৰাৰ পৰা অৱশ্যে উদ্ধাৰ কৰিছে।

যমুনাৰ মৃত স্বামীৰ অফিচত স্বামীয়েই ড্ৰাইভাৰৰ চাকৰিত সুমুৱাই দিয়া যুৱক ৰঞ্জিতে যমুনাৰ ঘৰখন যথেষ্ট চম্ভালি লৈছে। ৰঞ্জিত আৰু তাৰ পত্নী মালাই সকলো সময়তে যমুনাক সংগ দি আহিছে। যমুনাৰ স্বামী শান্তনুৰ ভায়েক বলোভদ্ৰয়ো কোনোদিন যমুনাক বিপদত পৰিবলৈ অকলে এৰি দিয়া নাই। গংগাই যমুনাক বাৰে বাৰে দ্বিতীয় বিবাহৰ কাৰণে জোৰ কৰি থকা সত্ত্বেও তাই এই কথা মানি নলৈ ৰঞ্জিতৰ মৃত পত্নী মালাৰ সন্তানক নিজৰ মাতৃত্বৰ মমতাৰে তুলি-তালি ডাঙৰ-দীঘল কৰাৰ সংকল্প লৈছে।

**উপন্যাসখনিৰ আৰম্ভণিৰে পৰা শেষলৈকে যমুনাৰ চৰিত্ৰটিক নানান ঘাত-প্ৰতিঘাতেৰে ভাৰাক্ৰান্ত এক নাৰীৰ ৰূপত উপস্থাপন কৰা হৈছে। ভাগ্যই যমুনাৰ লগত বৰ বেয়াকৈ খেলাৰ বাবেই তাইৰ জীৱন দুখ-দুৰ্দশাৰে পৰিপূৰ্ণ হৈছে।** কিন্তু সেয়ে হ'লেও তাই সাহস হেৰুওৱা নাই। মালাৰ সন্তানটিক নিজৰ ল'ৰাৰ দৰে লালন-পালন কৰি তাক সুস্থ-সবল কৰি ৰাখিবৰ বাবে তাই

আগবাঢ়িছে। জীৱনৰ সকলো ৰং হেৰুৱাযো জীৱনৰ নতুন অৰ্থ বিচাৰি এটা মাতৃহাৰা শিশুক মাতৃত্বৰ উমেৰে জীপাল কৰি তুলিবলৈ যমুনাই যি পদক্ষেপ লৈছে এয়া অতিশয় প্ৰশংসনীয়। এইখিনিতে এই চৰিত্ৰটিৰ সফলতা।

'যমুনা' এই উপন্যাসখনৰ মূল চৰিত্ৰ যমুনা সাধাৰণ মানুহৰ সুখ-দুখৰ লগত জড়িত। পোৱা-নোপোৱা, আশা-নিৰাশাৰে আচ্ছন্ন জগতখনত যমুনাৰ চৰিত্ৰটি সীমাবদ্ধ। সকলো মানুহেই পৰিস্থিতিৰ দাস। নাৰীও মানুহেই। গতিকে নাৰীৰ জীৱনতো কেতিয়াবা হঠাৎ এনেকুৱা একোটা পৰিস্থিতি আহি পৰে যে ইচ্ছা নকৰিলেও, নিবিচাৰিলেও সেই পৰিস্থিতিয়ে নাৰীকো ক'ব নোৱাৰাকৈয়ে কিছুমান কাম কৰিবলৈ বাধ্য কৰায়। এই কথাৰ প্ৰতি লক্ষ্য ৰাখিয়ে ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্যই এই উপন্যাসখনৰ সৰু-বৰ সকলো নাৰী চৰিত্ৰৰ বিভিন্ন কাৰ্যকলাপৰ ব্যাখ্যা দাঙি ধৰিছে।

**'যমুনা'ৰ চৰিত্ৰৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা ঃ**

'যমুনা'ৰ চৰিত্ৰৰ জৰিয়তে ঔপন্যাসিক মণিকুন্তলা ভট্টাচাযই নাৰীচেতনাৰ বিভিন্ন দিশ উজ্জ্বল কৰি তুলিছে। যমুনাৰ মাজত প্ৰধানকৈ মমতাৰে পৰিপূৰ্ণ মাতৃৰ মন, মাতৃয়ে সন্তানক লৈ কৰা আশা-আকাংক্ষা ফুটি ওলাইছে। সোণকণক লৈ যমুনাৰ অলেখ সপোন আছিল। কিন্তু তাৰ অকাল মৃত্যুৰে যমুনাৰ সকলো সপোন চূৰমাৰ কৰি থৈ গ'ল। কিন্তু তাই নিজক চম্ভালি লৈছে। সোণকণ আৰু শান্তনুৰে আছিল তাইৰ পৃথিৱী। দুয়োটাৰে মৃত্যুৰ পিছত তাই পুনৰ স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিছে। খোৱা-বোৱা কৰিছে, কাপোৰ সলাইছে, ইফাল-সিফাল কৰিছে, টিভি চাইছে, মানুহৰ সৈতে যোগাযোগ ৰাখিছে। আনকি উৎসৱ-পাৰ্বণতো ভাগ লৈছে। কিন্তু তাৰ মাজতো বুকুৰ ভিতৰত কঁপি থকা বন্তি শিখাটি হঠাতে ভমক্‌কৈ জ্বলি উঠে। বুকুৰ মাজত তাই অনুভৱ কৰে তীব্ৰ যন্ত্ৰণা।

সমাজৰ অন্যান্য পৰম্পৰাগত নাৰীৰ দৰেই যমুনাৰ জীৱনো সাধাৰণ আছিল। এটা মটৰ দুৰ্ঘটনাত স্বামীক হেৰুওৱাৰ বেদনা মাৰ নৌযাওঁতেই যমুনাৰ জীৱনলৈ দৈৱৰ আন এটা সংঘাত নামি আহিছিল। মৃত পিতৃৰ পিণ্ড অৰ্পণ কৰিবলৈ যাওঁতে নদীৰ কোবাল সোঁতে যমুনাৰ পুত্ৰ সোণকণক উটুৱাই লৈ গ'ল। ইয়াৰ তিনি দিন পিছতহে মৃতদেহ উদ্ধাৰ হ'ল। স্বামী শান্তনু আৰু সোণকণক লৈ ভৱিষ্যতৰ নানান স্বপ্নত মগ্ন থকাৰ সময়তেই যমুনাৰ জীৱনটোৰে এটি নতুন

ভাঁজলৈ গতি কৰিলে। তাইৰ ঘৰখন একেবাৰে শূন্য হৈ পৰিল। লগতে তাইৰ মনটোকো নিঃসংগতাই নিঃশেষ কৰি পেলালে। স্বামী আৰু সন্তানক মনত পেলাই চকুপানী টোকাৰ বাহিৰে যমুনাৰ গত্যন্তৰ নাথাকিল। যমুনাৰ পৃথিৱীৰ ৰং-ৰহইচ সকলোবোৰেই দুয়োজনৰ মৃত্যুতেই সমাধি ঘটিল। প্ৰধানকৈ সোণকণক পোষ্টমৰ্টেম কৰি অনাৰ পিছত শেষ যাত্ৰালৈ লৈ যাওঁতে যমুনাৰ যি মানসিক পৰিস্থিতি এয়াই প্ৰতিগৰাকী নাৰীৰ অন্তৰ চুই যায়।

"মৰা মাছৰ দৰেই শেঁতা শৰীৰটো সৌৱা পোষ্টমৰ্টেম কৰাই আনি চোতালত শুৱাই থৈছেহি। সৌৱা... সৌৱা, গৈ থকা এদল মানুহৰ আগে আগে চাঙীত উঠি গৈ আছে সি... গৈ আছে... গৈ আছে তাৰ পাছে পাছে যমুনাৰো পৃথিৱীখন।

... থিৰেৰে থকা যায়নে?

পুত্ৰৰ শেষ যাত্ৰাৰ দৃশ্য চকুৰ আগত, থিৰেৰে থাকিব পাৰেনে জননী? যমুনাৰ বুকুত ঢৌ উঠিল, আকৌ এটা... প্ৰকাণ্ড জোৱাৰ এটাৰ খুন্দা। অদ্ভুত অনুভৱ তাৰ। অথচ বাহিৰ নহয় চকুৰ ধাৰ।"[৩১]

**প্ৰতিগৰাকী নাৰীৰ বাবেই নিজৰ সন্তান হৈছে ভৱিষ্যতৰ একো একোটা উজ্জ্বল সপোন। কিন্তু যমুনাৰ সমগ্ৰ আশা-ভৰসাক কুঠাৰাঘাত কৰি নিষ্ঠুৰ নিয়তিয়ে সোণকণক কাঢ়ি লৈ গ'ল। সোণকণৰ মৃত্যুৱে যমুনাৰ জীৱনলৈ প্ৰচণ্ড সংঘাত কঢ়িয়াই আনিছে।**

**ঔপন্যাসিকে যমুনাৰ চৰিত্ৰৰ জৰিয়তে স্বামী আৰু সন্তানক হেৰুওৱা শোকৰ কাহিনীৰে নাৰী জীৱনৰ সমস্যা, দ্বন্দ্ব আৰু পাৰিবাৰিক চিত্ৰ প্ৰস্ফুটিত কৰিছে। বাস্তৱৰ সুখ-দুখ, হাঁহি-কান্দোন, প্ৰেম-প্ৰীতি, মান-অভিমান, কামনা-বাসনা, ক্ষোভ-হতাশা, মানৱীয় ভাব-অনুভূতিৰে পৰিপূৰ্ণ সহজাত প্ৰবৃত্তিৰ নাৰী চৰিত্ৰৰ মনৰ মজিয়াত স্তৰে স্তৰে স্তূপীকৃত হৈ থকা বিচিত্ৰধৰণৰ ভাবৰাশিৰ চিত্ৰণে চৰিত্ৰটোক মনোগ্ৰাহী কৰি তুলিছে।**

ঔপন্যাসিকে যমুনাৰ মনৰ গভীৰ কোণত প্ৰৱেশ কৰি নাৰী চৰিত্ৰৰ মানসিক বিশ্লেষণৰ চেষ্টা কৰিছে।

"যমুনা বোধিসত্তাৰ কাষ চপা সেই নাৰী নহয়। যি গাঁৱে গাঁৱে ঘূৰি এমুঠি সৰিয়হ বিচাৰিছিল মৃত পুত্ৰক পুনৰুজ্জীৱিত কৰাবলৈ। জানে, যমুনাই জানে, এই পৃথিৱীত পুত্ৰহাৰা মাতৃৰ অভাৱ নাই। তথাপি... তথাপি... বুকুৰ মাজত এটা ঘুলি... কেন্দ্ৰত কোনো গ্ৰহ নোহোৱাকৈ অন্ধকাৰেৰে

গৈ থকা এক মৃত উপগ্ৰহৰ অনুভৱ মাথোন। চৌপাশে তৰাৰ জিক্‌মিকনি আৰু তাইৰ বাবে এয়া কৃষ্ণগহ্বৰৰ অন্ধকাৰ।"৩২

উপন্যাসখনত জীৱনৰ সৰু-বৰ নানান সমস্যাৰ আৱৰ্তত আবদ্ধ নাৰী মনৰ বিভিন্ন ছবি ফুটি ওলাইছে। যমুনাই পৰিস্থিতিত পৰি যদিওবা বৈধব্য জীৱন গ্ৰহণ কৰিছে, পুত্ৰহাৰা মাতৃৰ শূন্যতাক মানি লৈছে, এইবোৰ যেন তাই কৰ্তব্যৰ দৰে পালনহে কৰিছে। প্ৰকৃততে তাই এইবোৰ পালন কৰিবলৈ বাধ্য। সমাজৰ এগৰাকী সদস্য হিচাপে সমাজে আৰোপ কৰা নীতিকে তাই গ্ৰহণ কৰিছে। তাই সমাজৰ সকলো গচকি বন গমন কৰিব নোৱাৰে, পৰ্বতৰ গুহা বিচাৰি সন্ন্যাসো ল'ব নোৱাৰে। কাৰণ সন্ন্যাস বা যোগসাধনাৰ কথা ভাবিব নজনা তাই এগৰাকী সাধাৰণ নাৰী। আত্মহত্যাৰ দৰে জীৱনৰ চৰম পন্থাও তাই গ্ৰহণ কৰিব নোৱাৰে। সেয়েহে তাই মৰি মৰি জী আছে। স্বাভাৱিকভাৱেই হাঁহি-মাতি সকলো কামৰ মাজেৰে যমুনাই দিন কটাই মৃত্যুৰ ঘৰলৈ আগবাঢ়ি গৈ আছে।

স্বামীৰ মৃত্যুৰ আগলৈকে যমুনা এগৰাকী সাধাৰণ গৃহিণী আছিল। ঘৰৰ প্ৰতিটো কোঠাৰে অংগ-প্ৰত্যংগত তাইৰ পৰিপাটি হাতৰ অনুশাসন চলিছিল। কেতিয়াও কোনো ক্ষেত্ৰতে শান্তনুক তাই দাবী জনোৱা নাছিল বা আপত্তিও কৰা নাছিল। সংসাৰ, স্বামী, সন্তান ইয়াতে সদাব্যস্ত হৈ থকা যমুনাৰ জীৱনটোৱে কিয় ইমান মৰ্মান্তিক আঘাতৰ সহ্য কৰিবলগীয়া হ'ল এই লৈ কেতিয়াবা যমুনাৰ মনোজগতত হাহাকাৰৰ সৃষ্টি হয়।

**উপন্যাসখনত যমুনাৰ চৰিত্ৰৰ জৰিয়তে নাৰীৰ স্বাভাৱিক আশা-আকাংক্ষা, আশাভংগৰ বেদনা, নিয়তিৰ নিষ্ঠুৰ পৰিহাস আদিৰ মাজত এগৰাকী অকলশৰীয়া নাৰীয়ে জীৱন জীয়াবলৈ যি দুৰ্বাৰ সংগ্ৰাম কৰিবলগীয়া হয় তাৰেই প্ৰতিফলন ঘটিছে।** যমুনাই নিজেই নিজক প্ৰশ্ন কৰে কিহৰ বাবে পতি-পুত্ৰহাৰা নাৰীৰ তেজৰ শলিতাৰে নিজৰ জীৱন উজলোৱাৰ তাড়নাত তাই দগ্ধ হৈছে। জীৱনলৈ নামি অহা চৰম দুৰ্যোগৰ পিছত তাই ঔষধ-পথ্যক অগ্ৰাহ্য কৰিবলৈ লৈছিল। তাইৰ শাৰীৰিক অস্বস্তিক ক্ৰমশঃ মানসিক ছট্‌ফটনিয়ে বঢ়াই লৈ গৈ থাকিল। প্ৰতিটো মুহূৰ্তত তাই মৃত্যু কামনা কৰি থাকিল। কিন্তু এই যমুনায়ে এদিন অসুস্থ নহ'বলৈ সময় মতে ঔষধ সেৱন কৰিবলৈ আৰম্ভ কৰিছে। ইয়াৰ কাৰণ এটাই— ধপ্‌কৈ পৰি মৰি গ'লেতো ভাল কথা, কিন্তু ষ্ট্ৰ'ক হৈ যদি পৰি থাকিবলগীয়া হয়, তেন্তে দেওৰেক বলোভদ্ৰৰ কান্ধত আৰু এটা অপ্ৰয়োজনীয় বোজাহে জাপি দিয়া হ'ব।

আশাবাদ আৰু জীৱনৰ সুন্দৰ দিশটোৰ ওপৰত গুৰুত্ব যমুনাৰ আন এক চাৰিত্ৰিক বৈশিষ্ট্য। সোণকণৰ প্ৰেমিকা পল্লৱীয়ে সোণকণৰ ছবিঘৰত সোমাই কন্দা-কটা কৰোঁতে যমুনাই তাইক বুজনি দিছে। নিজে পুত্ৰশোকত বিহ্বল হৈ থাকিও এগৰাকী দায়িত্বশীল নাৰী হিচাপে পল্লৱীক বাস্তৱবাদী কৰি তুলিবলৈ যমুনাই প্ৰয়াস কৰিছে।

"চোৱা মাজনী, সি গুচি গ'ল। এই কথা যিমান সত্য, আমি যে জীয়াই আছোঁ এই কথাও সিমানেই সত্য। মৰাৰ লগত মানুহ মৰি যাব নোৱাৰে। প্ৰত্যেকৰে জীৱনকাল বেলেগ বেলেগ। কাৰো লগত নিমিলে। সি ছবি আঁকি ভাল পাইছিল, মই বিচাৰো যে তুমিও আঁকা, খুব আঁকা। ছবিৰ মাজতে তাক বিচাৰি পাবা। তাৰ সপোন পূৰ্ণ হ'ব।..."[৩৩]

আধুনিক নাৰীৰ হৃদয়ৰ  দ্বন্দ্ব আৰু সংঘাতবোৰ যমুনাৰ মাধ্যমেদি বিকশিত হৈছে। **উপন্যাসখনত সহজাত অনুভূতিৰে নাৰী হৃদয়ৰ চিৰন্তন প্ৰেম, আদৰ্শ আৰু ত্যাগ, মমত্ববোধ, দায়িত্ব আৰু কৰ্তব্যবোধৰ চানেকি আৰু নিচেই সহজে আনক আপোন কৰিব পৰা অক্ষয় গৌৰৱ যমুনাৰ স্নিগ্ধ সৰল হৃদয়ৰ পৱিত্ৰতাৰ মাজেদি বিৰিঙি উঠা পৰিলক্ষিত হয়।** সোণকণৰ মৃত্যুৰ পিছত তাৰ প্ৰেয়সী পল্লৱীক যমুনাই মৰম কৰিছে। প্ৰেমাস্পদৰ আকস্মিক মৃত্যুত গভীৰ দুখত ভাগি পৰা পল্লৱীক যমুনাই নিজৰ ডেউকাৰে সাবটি ধৰিছে। সোণকণ জীয়াই থাকোঁতেই মনে মনে যমুনাই পল্লৱীক বোৱাৰী বুলি গ্ৰহণ কৰিছিলেই। সোণকণে মাক-দেউতাকে গম নোপোৱাকৈ এনিশা পল্লৱীৰ ঘৰত পল্লৱীৰ লগত পাৰ কৰিছিল। শান্তনুৱে এই ঘটনাৰ পিছত সোণকণে পল্লৱীৰ সংগ ত্যাগ কৰা উচিত বুলি ভাবিছিল। কাৰণ সোণকণৰ সময় প্ৰেম কৰাৰ সময় নাছিল, এয়া আছিল ভৱিষ্যৎ গঢ়াৰ সময়। কিন্তু শান্তনুৰ বিপৰীতে যমুনাৰ যুক্তি একেবাৰে আৱেগিক আছিল। তাই অনুভৱ কৰিছিল জোৰকৈ আঁতৰাই আনিলে সিহঁতৰ এটাৰো উন্নতি নহ'ব। ইয়াৰ পৰিৱৰ্তে সিহঁতৰ বন্ধুত্ব অটুট থাকক। কাৰণ সময়ে ক'ৰ বন্ধুত্ব ক'লৈ লৈ যাব কোনেও ক'ব নোৱাৰে। যমুনাৰ এনে মন্তব্যৰপৰা তেওঁৰ বাস্তৱবাদী, যুক্তিবাদী আৰু পৰিপক্ক তথা সংবেদনশীল নাৰীৰ উমান পাব পাৰি। সোণকণৰ মৃত্যুত যমুনা আৰু পল্লৱী দুয়োজনীৰে আশা চূৰ্ণীকৃত হ'ল। প্ৰিয়জনক হেৰুৱাই দুয়ো দুখত ম্ৰিয়মাণ হ'ল যদিও পল্লৱীৰ দুখভৰা মুখখন দেখিলে যমুনাৰ অন্তৰাত্মা কান্দি উঠে। নিজ পুত্ৰ হেৰুওৱাৰ দুখখিনিকো লুকুৱাই তেওঁ ছোৱালীজনীৰ মনলৈ সাহস যোগাবৰ চেষ্টা কৰে। নিজে দুখত থাকিও আনক বুজনি দিয়াৰ নাৰীৰ যি স্বাভাৱিক প্ৰবৃত্তি এয়া যমুনাৰ

চৰিত্ৰটোত প্ৰতিভাত হৈছে। প্ৰেমিকৰ অনুপস্থিতিত পল্লৱী যেন পাৰভঙা দুখ সমুদ্ৰত উটি নাযায় তাৰ বাবে যমুনাই অদৃশ্যজনলৈ সেৱা আগবঢ়ায়।

"যমুনা হাইৰাণ হৈ পৰে। অদৃশ্য শক্তিলৈ এতিয়াও প্ৰাৰ্থনা ৰাখে পাতলাই দিয়া ছোৱালীজনীৰ শোকৰ বোজা... চকুৰে চাব পৰা পৃথিৱীৰ মাজলৈ টানি লৈ যোৱা তাইক... ওপচাই পেলোৱা তাইৰ চৌপাশ ৰং-ৰূপ নিৰ্যাসেৰে... সোণকণ তাইৰ বাবে ফ্ৰেমত বন্ধোৱা এখন ছবি হৈ ৰওক... গভীৰ বন্ধুত্বৰ এক নাম হৈ ৰওক...।"[৩৪]

কিন্তু এই পল্লৱীয়েই যেতিয়া পিছত যমুনাৰ ঘৰলৈ আহি সোণকণৰ ছবিঘৰত এবাৰো নোসোমাই মোবাইল টিপাত ব্যস্ত হৈ থাকিল, তেতিয়া পল্লৱীৰ আচৰণে কিন্তু তাইক গভীৰ মানসিক আঘাত দিছে। ইমান দিনে যমুনাই ভাবি আছিল অন্ততঃ সোণকণৰ কথা চিন্তা কৰিবলৈ অকল যমুনাই নহয় পল্লৱীও আছে। কিন্তু সোণকণৰ পঢ়া মেজৰ ড্ৰয়াৰত এৰি থৈ যোৱা তাইৰে লাংখা লিংখি বস্তুবোৰক যেতিয়া এবাৰ হ'লেও চুই চাবলৈ পল্লৱীয়ে মন নকৰিলে, তেতিয়া যমুনাৰ অন্তৰজগতক নিঃসংগতাই খুলি খুলি খাবলৈ আৰম্ভ কৰিলে। যমুনাই উপলব্ধি কৰিলে সোণকণক হিয়া উজাৰি ভালপোৱা পল্লৱীজনীৰ ইতিমধ্যে মৃত্যু ঘটিছে। পল্লৱীৰ মাকৰপৰা তাই দিল্লীলৈ পঢ়িবলৈ যোৱাৰ খবৰটো পাই যমুনাৰ বুকুত শোকে খুন্দা মাৰি ধৰিছে। পল্লৱীয়ে প্ৰেমিকৰ মৃত্যুৰ পিছত জীৱনৰ গতি বাস্তৱসন্মত ভংগীৰে সঠিক ৰাস্তাত যোৱা কথাটোত যমুনাই বেয়া পোৱা নাই। কিন্তু তাইৰ মনোজগতত ক্ৰিয়া কৰিছে এক প্ৰচণ্ড অভিমানে। আহিব নোৱাৰিলেও অন্ততঃ এটা ফোন কৰি হ'লেও তাই দিল্লীলৈ পঢ়িবলৈ যোৱাৰ বাৰ্তা যমুনাক জনাব পাৰিলেহেঁতেন। যমুনাৰ এনে উপলব্ধি হৈছে পল্লৱীয়ে যেন সোণকণৰ স্মৃতিক উপেক্ষা কৰি তাৰ সমাধি গচকি বহুদূৰলৈ গুচি গৈছে। যমুনাৰ মনত পৰম কৌতূহলৰ সৃষ্টি হৈছে। কাৰণ এদিন এই একেজনী পল্লৱীয়েই বতাহ-বৰষুণৰ নিশা প্লেনছিটত বহি সোণকণৰ আত্মাক আহ্বান কৰিব খুজিছিল। পল্লৱীৰ পৰিৱৰ্তনত যমুনা আশ্চৰ্যচকিত হৈছে যদিও তাই নতুন জীৱন এটা বিচাৰি ভৱিষ্যৎ গঢ়িবলৈ যোৱাটোত সুখীও হৈছে। **ঔপন্যাসিকে যমুনাক অতিশয় কৰুণ আৰু বেদনাক্লিষ্ট ৰূপত দাঙি ধৰিলেও এই চৰিত্ৰটো অতিশয় আলোড়নকাৰী আৰু চিত্তাকৰ্ষক ৰূপত গঢ় দিছে। যমুনা জীৱনৰ অমৃত-গৰল সকলো পান কৰি তিষ্ঠি থাকিব খোজা এক সাহসী নাৰী চৰিত্ৰ।** স্বামীৰ মৃত্যুৰ পিছত অফিচৰ নানান কামত তাই অকলেই আগবাঢ়িবলগীয়া হৈছে। ইয়াৰ মাজতে কেতিয়াবা

অন্যমনস্ক হৈছে, কেতিয়াবা হুঁচ হেৰুৱাই ৰাস্তাতে ঢলি পৰিছে। কিন্তু তাই হাৰ মনা নাই। কোনো সময়ত হৃদয়ৰ একান্ত তাড়নাত তাই দুৰ্বল হৈ পৰিছে যদিও পিছমুহূৰ্ততে নিজক চম্ভালি লৈ পুনৰ ঠন ধৰি উঠিছে। পুৰুষতান্ত্ৰিক সমাজ-ব্যৱস্থাত অৰ্থনৈতিক ক্ষেত্ৰত বিশেষকৈ ঘৰুৱা কাম-বনতহে নাৰীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ঘৰৰ চাৰিবেৰৰ মাজত বিভিন্ন ঘৰুৱা কাম-বন, পৰিয়ালৰ সদস্য বিশেষকৈ পুৰুষ সদস্যক সেৱা-শুশ্ৰূষা আৰু সন্তান লালন-পালনেই নাৰীৰ প্ৰধান কাম বুলি বিবেচিত হৈছিল। যমুনাও এই পৰম্পৰাগত নাৰীৰ মাজৰেই এজনী। স্বামী শান্তনুৰ অকাল মৃত্যু নোহোৱা হ'লে তাই হয়তো কোনোদিন পৰিৱৰ্তন নহ'লহেঁতেন। কিন্তু সকলো মানুহেই যিহেতুকে পৰিস্থিতিৰ দাস, গতিকে পৰিস্থিতিত পৰি বাধ্য হৈ যমুনা বাস্তৱ পৰিস্থিতিৰ মুখামুখি হৈ সকলোখিনি চম্ভালি ল'বলৈ সক্ষম হ'ল।

শিশুক কোলাত লৈ প্ৰতিগৰাকী নাৰীয়েই আনন্দত আপ্লুত হয়। যমুনাও ইয়াৰ ব্যতিক্ৰম নহয়। সোণকণৰ জন্মৰ পিছৰ ডেৰ মাহ তাই ঘৰতে আছিল। মাতৃৰূপেৰে শান্তনুৰ কোৱাৰ্টাৰত প্ৰৱেশ কৰাৰ পিছতহে নিজৰ সন্তানটিক তাই একেবাৰে নিভৃতভাৱে পাবলৈ সক্ষম হৈছে। সেয়েহে যমুনাৰ বুকুজুৰি এক অনিৰ্বচনীয় অনুভৱ আলোড়িত হৈছে।

"তুমি মোক চহকী কৰি তুলিছাহি মোৰ সোণ
তুমি গান গাবা জানা
কথা ক'ব জানা
আৰু জানা মোৰ বুকুৰ শিল আঁতৰাব
তোমাৰ চাৱনিত যাদু আছে
তোমাৰ কলকলনিত ঐশ্বৰ্য আছে
তাৰে চহকী কৰি তুলিছা মোক
এটা স্বচ্ছ স্ফটিক চৰাই হৈ
তুমি মোৰ বুকুৰ শস্য খুঁটিছা
এটা পদ্য সিঁচিছা মোৰ প্ৰাণত
ভৰাই পেলাইছা মোৰ ভিতৰ-বাহিৰ
গোটেইখন শব্দ-ছন্দৰ মুদ্ৰাৰে..."[৩৫]

**যমুনা চৰিত্ৰটোৰ সৌন্দৰ্য ফুটি উঠিছে নিয়তিৰ ওচৰত সহজ আত্মসমৰ্পণৰ পৰিৱৰ্তে সংগ্ৰাম কৰাৰ মানসিকতাত। চৰিত্ৰটোৰ মানসিক সৌন্দৰ্যই যমুনাক এক উজ্জ্বল ব্যক্তিত্ব প্ৰদান কৰিছে।** যমুনা সৰল মনৰ অধিকাৰী হোৱাৰ বাবেই ভাড়াতীয়া পৰিয়ালটোৰ তাইতকৈ কেবাবছৰ সৰু ল'ৰাটোৰ তাইৰ প্ৰতি থকা আকৰ্ষণীয়তাৰ কথা তাই অনুভৱ কৰিব পৰা নাছিল। পিছত গংগাৰ কথাত বুজিব পাৰি তাই সোনকালেই ভাড়াতীয়াঘৰক ঘৰ খালী কৰাৰ বাবে আদেশ দিয়ে। কাৰণ নিজৰ অকলশৰীয়া আৰু নিঃসংগ অৱস্থাক পুতৌ কৰি কোনোবা তাইৰ কাষ চাপিব আৰু তাই সেইজনৰ ফালে হাউলি পৰিব— যমুনা ইমান দুৰ্বলচেতীয়া নহয়।

**অতিথিপৰায়ণতা প্ৰতিগৰাকী নাৰীৰ স্বাভাৱজাত বৈশিষ্ট্য।** যমুনায়ো যিমান কাম থাকিলেও আলহী-অতিথি আহিলে কেতিয়াও বিমুখ কৰা নাছিল। পল্লৱীৰ মাক-দেউতাক দিল্লীলৈ যাওঁতে নিজৰ ছোৱালীৰ দৰেই পল্লৱীক নিজৰ ঘৰত ৰাখি আদৰ-সাদৰ কৰিছে। অৱশ্যে পল্লৱীক ঘৰত আশ্ৰয় দি যমুনাই পুত্ৰশোক পাহৰিবলৈ যত্ন কৰা যেনো লাগে। কিন্তু কাদেৰ আৰু কাদেৰৰ পত্নীৰ প্ৰতি যমুনাৰ যি মৰম-আদৰ সেইখিনিয়ে প্ৰতিগৰাকী নাৰীৰ অতিথিৰ প্ৰতি থকা আদৰ-আপ্যায়নৰ ধ্বজা বহন কৰে।

যমুনা কেৱল নিজক লৈ ব্যস্ত থকা নাৰী নহয়। ৰঞ্জিৎ আৰু তাৰ পত্নী মালাক নিজৰ ঘৰত স্থান দি সিহঁতক যমুনাই গৃহহীন হোৱাৰপৰা ৰক্ষা কৰে। মালা গৰ্ভৱতী বুলি জানি গৰ্ভাৱস্থাত এগৰাকী নাৰীয়ে নিজে ল'বলগীয়া যতন সম্পৰ্কেও নানান কথা বুজায়। ইয়াৰোপৰি মৃত স্বামী-পুত্ৰৰ নামত এটা ট্ৰাষ্ট গঠন কৰি দুখীয়াৰ হকে কাম কৰিবলৈও আগবাঢ়ি আহে। শান্তনুৰ গাঁৱৰ 'নয়ন' নামৰ এটা দৰিদ্ৰ পৰিয়ালৰ অথচ মেধাৱী ল'ৰাৰ পঢ়াৰ দায়িত্ব যমুনাই বহন কৰিছে। লগতে নিজৰ ঘৰত আশ্ৰয়ো প্ৰদান কৰিছে। যমুনাৰ এই কাৰ্যৰাজিৰ জৰিয়তে তেওঁৰ অন্তৰত থকা সামাজিক দায়বদ্ধতা আৰু সমাজ সচেতনতাৰ উমান পোৱা যায়।

**যমুনা মানসিক সংঘাতত, অন্তৰ্দ্বন্দ্বত জৰ্জৰিত যদিও আত্মপ্ৰতিষ্ঠাৰ দৃঢ়তাত আৰু আত্ম-প্ৰকাশৰ সাহসিকতাৰে মহীয়ান। তেওঁৰ নাৰীপ্ৰাণৰ আৰু আনৰ দুখ উপলব্ধি কৰিব পৰা সহানুভূতিশীল অন্তৰৰ কোমলতাখিনি কাদেৰৰ প্ৰতি কৰা ব্যৱহাৰত প্ৰকাশ পাইছে।**

কাদেৰৰ সন্তানটোৰ মৃত্যু ঘটা বুলি জানি যমুনা ব্যথিত হৈছে। ৰঞ্জিতৰ পত্নী মালায়ো সন্তান জন্ম দি মৃত্যুমুখত পৰা কথাটোত তাই ভাগি পৰিছে। তাই গভীৰ বিষাদযন্ত্ৰণাত ভুগিছে। ইজনৰ

পিছত সিজন আত্মীয়ৰ মৃত্যুযন্ত্ৰণাই তাইক থকা-সৰকা কৰিছে। মৃত্যু নামৰ ভয়ংকৰ সত্যৰ লগত তাই বহুবাৰ মোকাবিলা কৰিছে। কিন্তু যি পৰিস্থিতি হ'লেও তাই মৰি নগ'ল। ৰঞ্জিত-মালাৰ সন্তানটোক নিজে ডাঙৰ কৰাৰ সিদ্ধান্ত যমুনাই গ্ৰহণ কৰিছে। কাৰণ সোণকণক ডাঙৰ কৰাৰ অভিজ্ঞতাৰে পুষ্ট নাৰী যমুনা।

"ঃ কেঁচুৱাটো মই লৈ আহিম কাইলৈ। ময়ে ডাঙৰ কৰিম তাক। ল'ৰা কেনেকৈ ডাঙৰ কৰিব লাগে জানো মই।"[৩৬]

ল'ৰাটো অনাতেই যমুনাই নিজৰ দায়িত্ব শেষ বুলি ধৰা নাই। ল'ৰাটোক যাতে কোনোধৰণৰ বেমাৰ-আজাৰে সাবটিব নোৱাৰে তাৰ বাবে কাম কৰা মানুহজনীক বেডৰুমটো ভালকৈ চাফা কৰি দিবলৈ কৈছে। আলমাৰী খুলি নিজৰ পুৰণা চাদৰ দুখনমান বাহিৰ কৰি বাইজনীক ধুবলৈ দিছে। কাৰণ এই চাদৰেৰেই যমুনাই কাইলৈ কেঁচুৱাটো বুকুত তুলি ল'ব। সৰ্বস্বান্ত হোৱাৰ পিছতো যমুনাই নতুন ধৰণে জীয়াই থাকিবলৈ সংকল্পবদ্ধ হৈছে। সন্তানৰ প্ৰতি থকা মায়া আৰু সন্তানৰ দুচকুলৈ চায়েই জীৱনৰ নানান ঘাত-প্ৰতিঘাত পাহৰিব খোজা নাৰীৰ যি স্বাভাৱিক চেতনা এয়া যমুনাৰ চৰিত্ৰত প্ৰতিভাত হৈছে।

ইয়াৰ উপৰি নাৰীৰ আনক উপহাৰ দিয়াৰ প্ৰৱণতাও যমুনাৰ চৰিত্ৰত প্ৰতিবিম্বিত হৈছে। বলোভদ্ৰৰ জীয়েকৰ কাৰণে নিজৰ মাকে দিয়া কাণফুলি এযোৰ যমুনাই বলোভদ্ৰৰ হাতত পঠিয়াই দিছে। গাঁৱৰ ঘৰলৈ যাওঁতে নয়নৰ ঘৰৰ কাৰণেও আছুতীয়াকৈ এটা মিঠাইৰ পেকেট হোটেলৰপৰা বান্ধি দিছে। লগতে নয়নৰ কাপোৰ-কানিৰ অভাৱ দেখি সেইবোৰো কিনি দি তাৰ প্ৰতি, তাৰ ঘৰখনৰ প্ৰতি সহায়ৰ হাত আগবঢ়াইছে।

ইমান দুখ-বেদনাৰে ভাৰাক্ৰান্ত জীৱনটোতো কেতিয়াবা যমুনা নাৰীৰ স্বভাৱজাত চঞ্চলতাৰ ওচৰত হাৰ মানিছে। ভিনিহিয়েকৰ ভায়েক গৌতমক গাঁৱৰ ঘৰত দেখা পাই যমুনা একপ্ৰকাৰ উৎফুল্লিত হৈ উঠিছে। গৌতমৰো পত্নীৰ মৃত্যু ঘটিছে। তেওঁ সৰ্বস্বান্ত হৈ পৰিছে। এইজনৰ আগমনত যমুনাৰ বুকুৰ পৰা হুৰুস্কৈ শোকভাৰ খহি যোৱা যেন অনুভৱ হৈছে। ঔপন্যাসিকে যমুনাৰ মনৰ গভীৰ কোণত প্ৰৱেশ কৰি নাৰী চৰিত্ৰৰ মানসিক বিশ্লেষণৰ চেষ্টা কৰিছে। গৌতমৰ কাৰণে তাইৰ মনত এখন আছুতীয়া আসন সৃষ্টি হ'লেও যমুনাই ইয়াৰ বিষয়ে নিজকে নিজে প্ৰশ্ন কৰিছে। জীৱনৰ প্ৰতিটো দিন তাই কিদৰে পাৰ কৰিছে তাই নিজেহে বুজিব পাৰে। তেওঁৰ মনৰ

গভীৰ উপলব্ধিখিনি উপন্যাসখনত ব্যঞ্জিত হৈছে।

"সঁচানে এই কথা, মৃত্যু নহালৈকে যে যমুনাই দিন পাৰ কৰি গৈ আছে, সঁচানে এই কথা?

তেন্তে হঠাৎ যে গৌতমক দেখি পোহৰ হৈ উঠিছিল তাইৰ মুখ? হৃদয়ৰ ভিতৰত ঢিমিকি জ্বলি বোৱা বন্তিগছিৰ পোহৰেৰে? সেয়া কি?

আচৰিত কথা। চকুৰ পানীৰে বাট নেদেখে, স্বামী-পুত্ৰৰ বাবে অহৰ্নিশে কাতৰ হৈ ৰোৱা যমুনা নামৰ নাৰীজনীয়েইতো উজ্জ্বল হৈ উঠিছিল সেইদিনা গৌতমক দেখি। তাকো পতি-পুত্ৰৰ শ্ৰাদ্ধৰ দিনা। কি সেয়া? আৱেগ নে দমিত কামনাৰে আত্মপ্ৰকাশৰ এক ৰূপ?"[৩৭]

**যমুনাৰ এনে মানসিক উপলব্ধিৰ জৰিয়তে নাৰীৰ সহজাত মনৰ গোপন কোণত লুকাই থকা চিৰন্তন অতৃপ্তি, অবাৰিত সৌন্দৰ্যতৃষ্ণা, সুখ-ভোগৰ সীমাহীন আকাংক্ষাৰ প্ৰতিফলন ঘটিছে। আধুনিক নাৰীৰ হৃদয়ৰ দ্বন্দ্ব আৰু সংঘাতবোৰ যমুনাৰ চৰিত্ৰৰ মাজেদি বিকশিত হৈছে।**

যমুনাৰ চৰিত্ৰ কৰুণ আৰু বেদনাক্লিষ্ট হ'লেও অতিশয় আলোড়নকাৰী আৰু চিত্তাকৰ্ষক। এই উপন্যাসখন আত্মবিবৃতিমূলক। অতীত স্মৃতি ৰোমন্থন কৰি যমুনাই জীৱনৰ নানান কৰুণ মধুৰ অভিজ্ঞতাসমূহৰ বৰ্ণনা এক জীৱন্ত ৰূপত দাঙি ধৰিছে। অনেক দিন তাই সোণকণৰ লগত কথা পাতিছে। মানুহৰ অন্তৰত কৰুণাৰ উদ্ৰেক কৰিব পৰা যমুনাৰ চৰিত্ৰত কৰ্তব্যবোধ, দায়বদ্ধতা আৰু দৰদী প্ৰাণৰ আভাস প্ৰকাশ পাইছে। উপন্যাসখনত যমুনাৰ জৰিয়তে নাৰীমনৰ সূক্ষ্ম মনস্তাত্ত্বিক বিশ্লেষণ আৰু আত্মমুক্তিৰ প্ৰচেষ্টা গভীৰ ৰূপত চিত্ৰিত হৈছে।

**'গংগা'ৰ চৰিত্ৰৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা**

**'যমুনা'** উপন্যাসখনত বিশেষ ভূমিকা গ্ৰহণ কৰা আন এটি নাৰী চৰিত্ৰ হৈছে **গংগা**। **সহানুভূতিশীল, সহৃদয় ভগ্নী গংগাই আছিল যমুনাৰ একমাত্ৰ সহচৰী, পথ প্ৰদৰ্শক।** ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্যই গংগাৰ চৰিত্ৰৰ মাজেদি ব্যক্তিবাদী আদৰ্শৰ ধ্বজা উৰুৱাইছে। পুৰুষৰ ভোগৰ সামগ্ৰীৰূপে নাৰীয়ে যাতে নিজৰ হৃদয়ৰ দাবী আৰু মৰ্যাদাবোধ হেৰুৱাবলগীয়া নহয়, পুৰুষৰ হাতৰ পুতলা ৰূপে নাৰীয়ে নিজকে পৰিচালনা কৰিবলগীয়া নহয়, এই কথা ঔপন্যাসিকে গংগাৰ চৰিত্ৰৰ মাজেদি প্ৰকাশ কৰিব বিচাৰিছে।

যমুনাতকৈ মাত্ৰ দুই মিনিট আগত জন্ম হোৱা যমজ ভগ্নী গংগা এখন কলেজৰ শিক্ষয়িত্ৰী। কাৰোবে লগত একো সমস্যা নোহোৱাকৈ সকলো জটিলতা সহজভাৱে দূৰ কৰাত তাই পাৰ্গত। ৰঞ্জিত মালাৰ বিয়াৰ পিছত মালা গৰ্ভৱতী হওঁতে যমুনাৰ ঘৰৰপৰা সিহঁত দুটাক আউট হাউছত থাকিবলৈ ব্যৱস্থা কৰি দি যমুনাৰ লগত সিহঁতৰ পূৰ্বৰ সম্পৰ্ক অটুট ৰখাৰ বাবে গংগাই সুব্যৱস্থা কৰি দিছে। যমুনাও যাতে বিপদত নপৰে বা ৰঞ্জিতৰো যাতে একো অসুবিধা নহয় তাৰ বাবেই গংগাই এই পদক্ষেপ হাতত লয়। গংগাৰ এনে কৰ্মৰ জৰিয়তে এক বুদ্ধিমতী নাৰীসত্তাৰ পৰিচয় পোৱা যায়।

"গুৱাহাটীলৈ ঘূৰি অহাৰ পিছত যমুনাৰ ঘৰ একেবাৰে সলনি কৰি থৈহে গংগা নিজ গৃহলৈ উভতিছিল। ৰঞ্জিতহঁত গেৰেজৰ কাষৰ আউট হাউছত সোমাইছিল আৰু পাছ বাৰাণ্ডাৰ কোঠাত সোমাইছিল নয়ন নামৰ ল'ৰাটো। গংগা শিক্ষয়িত্ৰী। কলেজত নিজৰ কৰ্তব্য পালন কৰোঁতে কৰোঁতে তাইৰ ব্যক্তিত্বই এক সুকীয়া ৰূপ ধৰি উঠিছে। অত্যন্ত ভদ্ৰ, পৰিমাৰ্জিত ব্যৱহাৰেৰে সকলো জটিলতা আঁতৰাব পাৰে। তাই কেৱল সিহঁতৰ থকা-মেলাৰ ব্যৱস্থা পৃথক কৰাই নহয়, সিহঁতৰ সৈতে যমুনাৰ যাতে পূৰ্বৰ সম্পৰ্ক অটুট থাকে তাৰ ব্যৱস্থাও হাতত ল'লে।"[৩৮]

ভগ্নী যমুনা যেতিয়া ভাগি পৰিছে, গংগাই সদায় সাহস যোগাই আহিছে। যমুনাক পুনৰ বিবাহ কৰাই দি জীৱনটো পুনৰ নতুনকৈ আৰম্ভ কৰোৱাৰ পক্ষপাতী গংগা। এগৰাকী নাৰীৰ জীৱনত এজন পুৰুষৰ কিমান প্ৰয়োজন হ'ব পাৰে এই কথা গংগাই উপলব্ধি কৰিব পাৰিছিল। সেয়েহে যমুনাক সম্পৰ্কীয় বিপত্নীক দেওৰেক গৌতমৰ লগত যোৰা লগাই দিব খুজিছিল। অতি কৌশলেৰে গংগাই যমুনাক গৌতমৰ লগ লগাই দিয়া কাৰ্যও সমাধা কৰিছিল। অৱশ্যে যমুনা ইচ্ছুক নোহোৱাৰ বাবে পিছত এই প্ৰসংগটো তল পৰিছে।

গংগা এজনী অন্ধবিশ্বাসী নাৰী আছিল। অৱশ্যে যমুনাৰ ভগ্নপ্ৰায় শাৰীৰিক আৰু মানসিক অৱস্থাই গংগাক তেনে হ'বলৈ বাধ্য কৰিছিল। সেয়েহে গংগাই নীলাচল পাহাৰৰ বগলা মন্দিৰৰ একাষত হিমালয়ৰপৰা নামি অহা ভস্মবাবাৰ ওচৰলৈ গৈ যমুনাৰ ভৱিষ্যৎ সম্পৰ্কে প্ৰশ্ন কৰিছিল। ভস্মবাবাই যমুনাক পুনৰ সংসাৰ কৰিবলৈ উপদেশ দিছিল। ভস্মবাবাৰ এই কথাত গংগা অতীৱ সুখী হৈছিল। গংগাই যমুনাৰ যৌৱন মলঙি যাবলৈ নিদি দ্বিতীয় বিবাহৰ কাৰণে আগবঢ়াই দি

ৰক্ষণশীল সমাজৰ এক বিৰুদ্ধ স্থিতিত নিজকে প্ৰতিষ্ঠা কৰিছে। এগৰাকী শিক্ষিত নাৰী হিচাপে গংগাই এক সাহসী আৰু শক্তিশালী ব্যক্তিত্বৰ পৰিচয় দাঙি ধৰিছে।

গংগাৰ সাহসী আৰু শক্তিশালী ব্যক্তিত্বৰ উমান পোৱা যায় আৰু এটা ক্ষেত্ৰত। যমুনাতকৈ বহু বছৰ সৰু ভাড়াতীয়াঘৰৰ ৰাহুলে তাইক নিজৰ কৰি ল'বলৈ মাকৰ লগত কাজিয়া কৰাৰ কথাটো জানিব পাৰি নিজৰ ঘৰত যমুনা ভীতিগ্ৰস্ত হৈ গাঁৱৰ ঘৰলৈ গুচি গৈছে। এটা সাধাৰণ ল'ৰাৰ ভয়ত যমুনাই নিজৰ ঘৰ-দুৱাৰ এৰি গাঁৱলৈ মনে মনে গুচি যোৱা কথাটো গংগাই মানি ল'ব পৰা নাই। যমুনাই গাঁৱৰ ঘৰত থকাৰ কথা গম পাই আৰু তাৰ মুখ্য কাৰণটো জানিব পাৰি যিমান পাৰি সিমান সোনকালে সিহঁতক ঘৰ খালী কৰি দিবলৈ যমুনাক আদেশ দিবলৈ কৈছে। গংগা পলায়নবাদী মনোভাবৰ নাৰী নহয়। ইয়াৰ পৰিৱৰ্তে সন্মুখত আহি পৰা বিপদক কিদৰে প্ৰতিহত কৰিব পাৰি ইয়াৰ প্ৰতিহে আগ্ৰহী। গংগাই যমুনাক কোৱা কথাখিনিৰ জৰিয়তে গংগাক এগৰাকী বিচাৰ-বিবেচনাশীল নাৰীৰ ৰূপত মূৰ্ত কৰা হৈছে। বিপদৰ সময়ত নিজৰ ভাতৃ-ভগ্নীক সহায়-সহযোগিতা কৰাৰ নাৰীৰ যি স্বাভাৱিক মানসিকতা এইখিনি গংগাৰ চৰিত্ৰত ব্যঞ্জিত হৈছে।

"ঃ তোৰ দম নাই? হা? যমুনা তোৰ দম নাই? তই শান্তনু শৰ্মাৰ ৱাইফ, সোণকণৰ মাক। পাহৰি গ'লি? দম নাই তোৰ? বাহিৰ কৰি দে সিহঁতক। ঘৰ খালী কৰি দিবলৈ ক'। তোৰ ঘৰতে তোক থাকিব নোৱাৰা কৰিছে, ন'টিচ-ফ'টিচৰ দৰকাৰ নাই, ঘৰ খালী কৰি দিবলৈ ক'। আৰু ষ্টুপিডে যদি এবাৰো কিবা কয় নহয় তোক, মোক ক'বি, কুকুৰক পুলিচ লগাই এসেকা দিম। কি বুলি ভাবিছে সিহঁতে? কোনো নাই তোৰ?"[৩৯]

গংগাই যমুনাক এনেদৰে কৈয়ে ক্ষান্ত নাথাকিল। ভাড়াতীয়াক আঁতৰাই পঠাইহে তাই স্বস্তিৰ নিশ্বাস পেলালে। গংগাৰ এনে কৰ্মৰাজিৰ পৰা তেওঁৰ নাৰীসুলভ বিচক্ষণতাৰ উমান পোৱা যায়।

**গংগাৰ চৰিত্ৰৰ জৰিয়তে নাৰীৰ ব্যক্তিগত স্বতন্ত্ৰতা আৰু মত প্ৰকাশৰ অধিকাৰ চিত্ৰায়িত হৈছে। ঔপন্যাসিকে গংগাৰ চৰিত্ৰৰ মাজেদি সমকালীন সমাজ ব্যৱস্থাত নাৰীৰ দৃষ্টিভংগী আৰু নাৰীমনৰ পৰিচয় দাঙি ধৰিছে। গংগা নাৰীৰ সহজ-সৰল অথচ বাস্তৱবাদী জীৱন ধাৰণৰ এক বাংময় প্ৰকাশ।** এই কাৰণেই তাই যমুনাক বাৰে বাৰে নতুনকৈ সংসাৰ পাতি জীৱনটো নতুনকৈ আৰম্ভ কৰাৰ পোষকতা কৰিছে। যমুনাই চাকৰি এটা কৰা হ'লেও অন্য কথা আছিল। তেতিয়া

তাই চাকৰিৰ তাগিদাতে বহু সময় ব্যস্ত হৈ থাকিল হয়। ৰঞ্জিত-মালা-নয়ন-পল্লৱী কোনোৱে যমুনাৰ ঘৰৰ স্থায়ী সদস্য নহয়। যিদিনা সিহঁতে ইয়াতকৈ ভাল ব্যৱস্থা কৰিব পাৰিব সেইদিনা যমুনা নিজৰ ঘৰখনত একেবাৰে নিঃসংগ হৈ পৰিব। ভগ্নী হিচাপে গংগাৰ বাবে এয়া সহ্যাতীত আছিল। সেয়েহে তাই উপযুক্ত পাত্ৰৰ সন্ধান কৰি ভনীয়েকৰ ভাগি পৰা সংসাৰ আৰু মন দুয়োটাই থানথিত লগাবলৈ চেষ্টা কৰিছিল। উপন্যাসখনত নিৰীহ আৰু অসহায়া নাৰী যমুনাৰ প্ৰতি গংগাৰ সহানুভূতিসূচক মনোবৃত্তিৰ প্ৰতিফলন ঘটিছে।

ভগ্নী যমুনাৰ প্ৰতি গংগাৰ অন্তৰতলিত গভীৰ বিষাদ ধ্বনিত হৈছে। ঔপন্যাসিকে এই চৰিত্ৰটোৰ জৰিয়তে যতদূৰ সম্ভৱ যমুনাক জীয়াই থকাৰ সাহস আৰু প্ৰেৰণা দিবলৈ চেষ্টা কৰিছে। এক অনিশ্চিত ভৱিষ্যতৰ ফালে আগবাঢ়ি যোৱাতকৈ সুৰক্ষিত হৈ থাকিব পৰা এজনৰ লগত যমুনাই সুখ-শান্তিৰ জীৱন যাপন কৰিবলৈ পালে গংগা অতিশয় সুখী হ'লহেঁতেন। ভাগ্যই বিপৰ্যস্ত কৰি পেলোৱা যমুনাক গংগাই নতুন জীৱন দিব খোজে। এগৰাকী ভগ্নী হিচাপে গংগাৰ এই কাৰ্য প্ৰশংসনীয়।

গংগা আৰু যমুনা দুয়োজনীয়ে আধুনিক সভ্যতাৰ সকলো স্বাধীনতা, সুবিধা ভোগ কৰিছে। যমুনাৰ জীৱনলৈ আকস্মিকভাৱে দুৰ্যোগ নামি নহা হ'লে হয়তো গংগাৰ দৰেই যমুনাও এটা সুখময় জীৱনৰ অংশীদাৰ হ'ল হয়। সত্যক স্বীকাৰ কৰাৰ সাহস গংগাৰ আছে। গংগাই সন্মুখৰ কৰ্তব্য-অকৰ্তব্যৰ বিচাৰ কৰিব জানে। দেখাত সামান্য হ'লেও আত্মমৰ্যাদাৰ ক্ষেত্ৰত তাই অনন্যা। নাৰীত্বৰ গৰিমা প্ৰকাশক গংগা চৰিত্ৰটি মণিকুন্তলা ভট্টাচাৰ্যৰ 'যমুনা' উপন্যাসৰ এটি উজ্জ্বল চানেকি।

**'যমুনা' উপন্যাসখনৰ আন এটি নাৰী চৰিত্ৰ হৈছে 'পল্লৱী'। পল্লৱী আধুনিক যুৱতী। তাই যমুনাৰ পুত্ৰ সোণকণৰ প্ৰেয়সী আছিল।** সোণকণৰ লগত মনে মনে তাই তাইৰ ঘৰত নৈশযাপন কৰোঁতে তাইৰ অভিভাৱকে গম পাই সোণকণক খুঁটাত বান্ধি শাস্তি দিছিল। এই শাস্তিয়ে কিন্তু তাইৰ প্ৰেমক শেষ কৰিব পৰা নাছিল। সোণকণৰ মৃত্যুৰ পিছত তাই যমুনাক একপ্ৰকাৰ সংগ দি কেইবামাহো সিহঁতৰ ঘৰত কটাইছিল। পল্লৱীক ঘৰত আশ্ৰয় দি যমুনাই পুত্ৰশোক পাহৰিবলৈ যত্ন কৰিছিল।

কলেজীয়া যুৱতী হ'লেও পল্লৱী যথেষ্ট **দায়িত্বশীল** আছিল। স্বামী-পুত্ৰহাৰা যমুনাক

তাই যিমান পাৰে সহযোগিতা কৰিছিল আৰু খোৱা-বোৱাৰ যত্নও লৈছিল। ইয়াৰ উপৰি যমুনা অফিচিয়েল কামত যাওঁতে মূৰ ঘূৰাই পৰোতে পল্লৱীয়ে ধৈৰ্য নেহেৰুৱাই সোণকণৰ খুৰাক বলোভদ্ৰক খবৰ দিছে।

নাৰীৰ **চিৰপ্ৰেমিকা** গুণ পল্লৱীৰ গাত বিৰাজমান। সেয়েহে সোণকণৰ আত্মাক মাতিবলৈ ধুমুহাৰ ৰাতি তাই প্লেনচিট যোগাৰ কৰিছে। অৱশ্যে এই কাৰ্যত তাই সফল নহ'ল। আন হাজাৰজনী নাৰীৰ দৰেই তায়ো প্ৰিয় পুৰুষক কাৰোৰে লগত ভগাব নোখোজে। আনকি প্ৰিয় পুৰুষৰ এটা বস্তুও আনে স্পৰ্শ কৰাটো নিবিচাৰে। সোণকণৰ ছবিঘৰত সোমাই ভাড়াতীয়া ৰাহুলে কিবা বিচৰাৰ কথা যমুনাৰ মুখত জানিব পাৰি তাই কান্দি-কাটি হাইৰাণ হৈছে। প্ৰেমিকৰ মৃত্যুত নাৰী হৃদয়ৰ গভীৰ বেদনা ঔপন্যাসিকে অতি সূক্ষ্ম দৃষ্টিৰে পল্লৱীৰ জৰিয়তে বিশ্লেষণ কৰিছে।

পল্লৱীক ঔপন্যাসিকে **বাস্তৱবাদী** নাৰী হিচাপেও গঢ়ি তুলিছে। প্ৰেমিকৰ মৃত্যুত তাই ভাগি পৰিছে সঁচা; সেই বুলি তাই পঢ়া-শুনা বাদ দিয়া নাই। উচ্চ শিক্ষাৰ বাবে তাই দিল্লীলৈ গৈছে। পঢ়াৰ লগতে ফেশ্বন ডিজাইনিঙৰ কোৰ্ছ এটাতো তাই নামভৰ্তি কৰিছে। অতীতৰ স্মৃতি ৰোমন্থন কৰি তাই চিৰদুখী হৈ নাথাকি নিজৰ জীৱনটো নতুনকৈ গঢ়ি তুলিবলৈ আগবাঢ়িছে। এইখিনিতেই চৰিত্ৰটিৰ শক্তিশালী মানসিক স্থিতিৰ বিষয়ে জ্ঞাত হয়।

এনেদৰে 'যমুনা' উপন্যাসখনত যমুনা আৰু গংগাৰ চৰিত্ৰৰ জৰিয়তে ঔপন্যাসিকে নাৰীচেতনাৰ বহুবোৰ দিশেই পোহৰলৈ আনিছে। উপন্যাসখনিত সমকালীন সমাজ-ব্যৱস্থাত নাৰীৰ উদাৰ দৃষ্টিভংগী আৰু নাৰী মানসৰ পৰিচয় পোৱা যায়। ঔপন্যাসিকে ইয়াত বাস্তৱ ৰূপত নাৰীৰ চৰিত্ৰক বিশ্লেষণ কৰিছে।

জীৱনপথত ভালদৰে আগুৱাই যাবলৈ যমুনাক দেওৰেক বলোভদ্ৰ, বিশাল চক্ৰৱৰ্তী, ৰঞ্জিত আদি পুৰুষেও বহুক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াইছে। আমাৰ গৱেষণাকাৰ্যৰ আওতাত এই পুৰুষ চৰিত্ৰবোৰক সংযোজন নকৰাত এইবোৰৰ আলোচনাৰ পৰা বিৰত থকা হ'ল।

মণিকুন্তলা ভট্টাচাৰ্যই তেওঁৰ প্ৰায় আটাইবোৰ উপন্যাসতে নাৰীমনৰ গভীৰ কোণত প্ৰৱেশ কৰি নাৰী চৰিত্ৰসমূহৰ বিভিন্ন মানসিক স্থিতিৰ বিশ্লেষণৰ চেষ্টা কৰিছে। তেওঁৰ আটাইবোৰ উপন্যাসতে নাৰী চৰিত্ৰই কেন্দ্ৰীয় ভূমিকা লৈছে যদিও প্ৰত্যেকৰে মনোজগত কিন্তু বিচিত্ৰ।

'বৰদোৱানী' উপন্যাসত এগৰাকী সন্তানহীন নাৰীৰ জীৱনৰ কৰুণগাথা বৰ্ণিত হৈছে। অতিশয় অনুভূতিপ্ৰৱণ বৰদোৱানীৰ চৰিত্ৰই প্ৰতিজন পাঠকৰ অন্তৰ চুই যায়।

'অৰুন্ধতী' উপন্যাসত নাৰীৰ জটিল মানসিক স্থিতিৰ কথা আলোচিত হৈছে। বহুক্ষেত্ৰত আত্মপ্ৰত্যয় আৰু উদ্দীপনাৰে দীপ্ত হ'লেও মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসৰ বহুতো নাৰী চৰিত্ৰই অৱশেষত সংকুচিত হৈ পোন হৈ থিয় হ'ব নোৱাৰি পিছহুঁহকি আহে। 'অৰুন্ধতী' উপন্যাসৰ 'অনন্যা'ও ঔপন্যাসিকৰ এনে এটি চৰিত্ৰ।

অকাল বৈধব্য যন্ত্ৰণাত ছট্‌ফটাই থকা যমুনাৰ স্বামীশোক মাৰ নৌযাওঁতেই একমাত্ৰ পুত্ৰৰো মৃত্যু হোৱাত যি মানসিক স্থিতিলৈ তাই অৱনমিত হৈছে এইখিনিয়ে এই চৰিত্ৰটোৰ প্ৰতি গভীৰ সমবেদনাৰ উদ্ৰেক কৰে। ঔপন্যাসিকে নিঃসংগ নাৰীৰ গভীৰ মনোবেদনাক সূক্ষ্ম দৃষ্টিৰে নিৰীক্ষণ কৰি 'যমুনা' উপন্যাসখন ৰচনা কৰিছে।

**মণিকুন্তলা ভট্টাচাৰ্যই তেওঁৰ বিভিন্ন উপন্যাসৰ মাজেৰে পৰম্পৰাবাদী নাৰীসকলৰ আদৰ্শ, অৱস্থান আৰু ফোঁপোলা প্ৰমূল্য কিছুমান উদঙাই দেখুৱাইছে। ইয়াৰ উপৰি ভট্টাচাৰ্যই সাহসী, যুক্তিবাদী, সহানুভূতিশীল আৰু দৃঢ়মনৰ কেতবোৰ নাৰী চৰিত্ৰও সৃষ্টি কৰিছে। লগতে মধ্যবিত্ত শ্ৰেণীৰ ভাৰতীয় নাৰীৰ ক্ষোভ, হতাশা আৰু গ্লানিৰ চিত্ৰ এওঁৰ উপন্যাসসমূহৰ অন্যতম বৈশিষ্ট্য।**

## প্ৰসংগটীকা

১। উৎস ঃ গুগল, Everything is possible in this world with love : Manikuntala Bhattacharjya, Mumeninaz Zaman, https://thethumbprinting.com, তাৰিখ ১১-০২-২০২০, সময় পুৱা ১১ বজা

২। অমল চন্দ্ৰ দাস (সম্পা.) ঃ *অসমীয়া উপন্যাস পৰিক্ৰমা,* মণিকুন্তলা ভট্টাচাৰ্যৰ 'বৰদোৱানী', ড° মঞ্জু লস্কৰ, বনলতা, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম সংস্কৰণ- মে', ২০১২, পৃষ্ঠা নং- ৪৮২

৩। মণিকুন্তলা ভট্টাচাৰ্য ঃ *অনুৰোধ,* বনলতা, নতুন বজাৰ, ডিব্ৰুগড়- ১, প্ৰথম প্ৰকাশ- নৱেম্বৰ, ২০১৩, পৃষ্ঠা নং- ১৭৬

৪। মণিকুন্তলা ভট্টাচাৰ্য ঃ *জলকন্যা,* জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ, নৱেম্বৰ-২০১৮, পাতনি

৫। মণিকুন্তলা ভট্টাচাৰ্য ঃ *বৰদোৱানী,* ষ্টুডেণ্টছ ষ্ট'ৰছ, কলেজ হোষ্টেল ৰোড, গুৱাহাটী- ১, পৃষ্ঠা নং. ২২

৬। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ২২

৭। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ২৩

৮। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ৭০

৯। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ১৭৭

১০। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ১১৯

১১। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং.- ১২১

১২। অমল চন্দ্ৰ দাস (সম্পা.) ঃ অসমীয়া উপন্যাস পৰিক্ৰমা, মণিকুন্তলা ভট্টাচাৰ্যৰ বৰদোৱানী, ড° মঞ্জু লস্কৰ, বনলতা, গুৱাহাটী- ১, পৃষ্ঠা **নং-** ৪৭২

১৩। মণিকুন্তলা ভট্টাচাৰ্য ঃ বৰদোৱানী, ষ্টুডেণ্টছ ষ্টোৰছ, গুৱাহাটী-১, পৃষ্ঠা নং- ৪২

১৪। উক্তগ্ৰন্থ ঃ পৃষ্ঠা নং- ১১৪

১৫। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ১৮০, ১৮১

১৬। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ১০

১৭। উক্ত গ্ৰন্থ ঃ পাতনি

১৮। মণিকুন্তলা ভট্টাচাৰ্য ঃ *অৰুন্ধতী,* জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-১, চতুৰ্থ প্ৰকাশ, ফেব্ৰুৱাৰী-২০১৪, পাতনি

১৯। উৎস ঃ গুগল, en.m.wikipedia.org, সময়-দিনৰ ২ বজা, ০৩-০৩-২০২০

২০। মণিকুন্তলা ভট্টাচাৰ্য ঃ অৰুন্ধতী, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-১, চতুৰ্থ প্ৰকাশ, ফেব্ৰুৱাৰী-২০১০, পৃষ্ঠা নং- ৫৫, ৫৬

২১। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ২৩

২২। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং.- ২৬

২৩। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং.- ৬৩

২৪। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং.- ১৫৯

২৫। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং.- ২০৫

২৬। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ১৭৩

২৭। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ১৭৫

২৮। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ১০৮

২৯। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ১০৪

৩০। মণিকুন্তলা ভট্টাচাৰ্য ঃ যমুনা, ষ্টুডেণ্টছ ষ্ট'ৰছ, কলেজ হোষ্টেল ৰোড, গুৱাহাটী- ১, প্ৰথম প্ৰকাশ- ২০০৯ পূৰ্বাঞ্চল প্ৰকাশ, বেটুপাত

৩১। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ৫০

৩২। উক্ত গ্ৰন্থ ঃ পৃষ্ঠ নং- ১৫

৩৩। উক্ত গ্ৰন্থ ঃ পৃষ্ঠ নং- ২৩

৩৪। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ৫৪

৩৫। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ৩১

৩৬। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ২৭৯

৩৭। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ২১৮

৩৮। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ১৯০

৩৯। উক্ত গ্ৰন্থ ঃ পৃষ্ঠা নং- ২৪৩